# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৭/০৩/২০২৩ শুকুৰবাৰ

আজি ইংৰাজী ১৭-০৩-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিবেশন ৰাতিপুৱা ৯.০০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ৮১, সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মাজিয়াত আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ(উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য পৰিসেৱা হৈছে আমাৰ জীৱনৰ মূল। অৰ্থাৎ আমি সুস্থ থাকিবলৈ হ'লে স্বাস্থ্য ভালে থাকিব লাগিব। এই বাৰ বাজেটত দেখিবলৈ পোৱা গৈছে স্বাস্থ্য পৰিসেৱাৰ ক্ষেত্ৰত ১০ শতাংশ কমোৱা হৈছে। লগতে মই ক'বলৈ খুজিছো যে অসমৰ প্ৰত্যেক সমষ্টিৰ মডেল হস্পিতালত plumber, electrician আদি মানুহ নাই। মডেল হস্পিতালসমূহৰ হাঁহাকাৰ অৱস্থা হৈছে।

মই প্ৰথমতে বিচাৰিছো যে গৰীশগাঞ্জ মডেল হস্পিতালত দল এটা পঠিয়াই তদন্ত কৰিব লাগে। লাগিলে প্ৰত্যেকখন মডেল হস্পিতালত পঠিয়াব লাগে সেই সমূহত কি কি requirement আছে।

দ্বিতীয়টো হ'ল, society ৰ under প্ৰত্যেকখন হস্পিতালত contractual কাম কৰি আছে। ইতিমধ্যে দেখিবলৈ পাইছো যে প্ৰত্যেকখন হস্পিতালৰ পৰা নামখিনি অনা হৈছে। কিন্তু তাৰ পিছত কোনো ধৰণৰ কাম কৰা দৈখিবলৈ পোৱা নাই। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে যিবিলাকে contractual ত কম পইচাত কাম কৰি আছে, তেওঁলোকৰ কামটো স্থায়ী কৰা কৰাণে চৰকাৰে পদক্ষেপ ল'ব নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থক মই ধন্যবাদ জনাইছো যে কিছুমান গুৰুত্বপূৰ্ণ কথা দৃষ্টিগোচৰ কৰিছে। কিছুমান সমস্যা থকাটো হয়, নোহোৱা নহয়। তাৰ কাৰণে আমি অহা ৬ এপ্ৰিলৰ পৰা ৮ এপ্ৰিললৈ ৩দিনীয়া স্বাস্থ্য উৎসৱ আয়োজন কৰিছো। যেনেকৈ বিদ্যালয়সমূহৰ গুণোৎসৱ হৈছে, ঠিক সেই প্ৰথাৰে ইয়াতে স্বাস্থ্য উৎসৱ হ'ব। প্ৰতিখন হস্পিতালত যিবিলাক সমস্যা আছে, সেই সমস্যা বিলাকৰ কাৰণে format বনাই দিয়া হৈছে। সেইমতে আহিব আৰু অহাৰ লগে লগে আমি যেনেকৈ স্কুলবিলাকত কাম কৰিবলৈ আৰম্ভ কৰিছো তেনেকৈ আমি হস্পিতালত থকা কাম বিলাক আৰম্ভ কৰিব পাৰিম। এইটো এটা সমাগ্ৰীক বিষয় হলেও আমি অপেক্ষা কৰি নাথাকো যি দৰে কাম কৰিছো, কৰি থাকিম। তেখেতে এটা কথা অনুৰোধ কৰিছে যে কোনো বিষয়া গৈ চাই আহিব লাগে, মই অতি সোনকালে বিষয়া পঠাম, তেওঁলোকে গৈ তেখেতৰ হস্পিতালখন চাই আহিব। তাত কোনো অসুবিধা নাই।

সন্মানীয় সদস্য গৰাকীয়ে যিখিনি employee ৰ কথা কৈছে, আচলতে হস্পিতাল society য়ে লোৱা আৰু তেওঁলোকৰ পাৰিতোষিক ঠিক কৰিছে society ৰ যিবিলাক পইচা উঠে, সেইবিলাক লৈ। এতিয়া মেডিকেল কলেজৰ society য়ে লৈছে, তেওঁলোকে হয়তো ৫ হাজাৰ,

৬ হাজাৰ দিব পাৰিছে। আমাৰ গাঁৱৰ হস্পিতালত পইচা নুঠে। তাত এক হাজাৰ, দুই হাজাৰ দিয়ে। এই গতিকে বিষয়টো চৰকাৰৰ লগত পোনপটীয়া ভাৱে বিভাগত কোনো ব্যৱস্থা নাই যদিও কিন্তু regularization ৰ কাৰণে তেওঁলোকে দুই দিন আগতে strike য়ো কৰিছে, এই ক্ষেত্ৰত বিচাৰ বিবেচনা চলি আছে। চৰকাৰৰ একো সিদ্ধান্ত লোৱা হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৰিমগঞ্জ চিভিল হস্পিতালৰ পৰা তথ্য যিটো পালো যে আমাৰ ভূমিদান কৰিছে বাবু বৈকুণ্ঠ চৰন ৰয় অশ্ৰোপতি। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে ইমান ডাঙৰ প্লট এটা দান কৰিছে, এই হস্পিতালত অন্ততঃ ভূমি দাতা হিচাপে তেখেতৰ নামটো থাকিব লাগে।

দ্বিতীয় কথাটো হৈছে, কৰিমগঞ্জ প্ৰস্তাবিত মেডিকেল কলেজ আৰ কে নগৰত দিয়া হৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে অকণমান review কৰিব লাগে। review কৰিলে সঁচা কথাটো আপোনালোকে গম পাব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো ভূমিদাতাৰ স্মৃতি ৰাখিবলৈ প্ৰস্তাৱ দিছে, আমি এই প্ৰস্তাৱৰ বিবেচনা কৰিম।

আৰু দ্বিতীয়তে তেখেতে কৈছে প্ৰস্তাবিত মেডিকেল কলেজৰ কথা। তাত কেইবা ঠাইতো কেইবাজনো বিষয়াই গৈ মাটি চাইছে। প্ৰস্তাবিত মেডিকেল কলেজৰ বাবে ভূমি সকলো ফালৰ পৰা খাপখোৱা আৰ কে নগৰত দুটা ঠাই চাইছিলে। কৰিমগঞ্জ চহৰৰ ওচৰত তেনেকুৱা কোনো ধৰণৰ মাটি পোৱা নাই। গতিকে আৰ কে নগৰৰ মাটিখিনিয়ে বৰ্তমান উপায়ুক্তৰ পৰা প্ৰস্তাৱ আহিছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদনত জনাব বিচাৰিছো যে সাত কিলোমিটাৰৰ ভিতৰত ভাল ঠাই এডোখৰ আছে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, আপুনি মন্ত্ৰী ডাঙৰীয়াক লগ ধৰি কৈ দিব। ধন্যবাদ।

এতিয়া সন্মানীয় সদস্য শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদাৰ (কাটিগড়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ কাটিগড়া সমষ্টি মডেল হস্পিতাল আৰু PHE, CHP যিটো হস্পিতাল আছে, সেই হস্পিতালত ডাক্তৰ, নাৰ্চ কম হৈ আছে আৰু হস্পিতালৰ বিল্ডিঙত যিবিলাক কোৱাৰ্টাৰ আছে, সকলোৰে অৱস্থা বেয়া। মই মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ কৰিব খুজিছো যাতে ইয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে সামগ্ৰীক বিষয়টো কৈছে যে অহা ৬ এপ্ৰিলৰ পৰা ৮ এপ্ৰিললৈ তিনিদিনীয়া কাৰ্য্যসূচীৰে ব্যাপকভাবে লৈছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অনুৰোধ কৰিছে, বিধায়কসকল, সাংসদ সকল, মন্ত্ৰীসকল, সকলোৰে গোটেই অভিযানটোত বিষয়াৰ উপৰিও জৰিত হ'বলৈ, তাৰ কাৰণে দুই এদিনৰ ভিতৰতে এখন সভা অনুষ্ঠিত হ'ব। গতিকে আমি নিজে নিজে যিসমূহ হস্পিতালত সা-সুবিধা নাই, সেইখিনি উৎঘাটন কৰি ল'ম আৰু তাৰ আগতীয়াকৈ যদি জৰুৰীভাৱে সন্মানীয় সদস্য গৰাকীৰ তাত আছে, সেইখিনি সহায় কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৮২, শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে স্বাস্থ্য বিভাগৰ

মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মোৰ প্ৰশ্ন আছিল যে চিদলী সমষ্টিত এখন টাউন কমিটি (Municipal Board) আছে, সেইটো হ'ল বাসুগাঁও। সেই বাসুগাঁৱত যোৱা ২০১৫ চনত বিটিচি চৰকাৰৰ ফালৰ পৰা ৩০ খন বিচনাযুক্ত এখন হস্পিতাল বনোৱা হ'ব বুলি ধুনীয়াকৈ এটা ঘৰ বনোৱা হৈছে। ইয়াৰ বিষয়ে এই পবিত্ৰ সদনত ২০২১ চনতো এটা প্ৰশ্ন আনিছিলো, একেধৰণে উত্তৰে পাইছো যে ইয়াতে কোৱা হৈছে যে উপযোগী নহয় বুলি। ২০১৬ চনত সেই ঘৰটোৰ District Health Authority ক সমজাই দিয়া হোৱা বুলি কোৱা হৈছে। ২০২১ -২২ চনত বিটিছি চৰকাৰৰ ফালৰ পৰা renovation কৰি দিয়া হৈছে বুলি কোৱা হৈছে। এফালে কোৱা হৈছে উপযোগী নহয় বুলি আৰু আনফালে renovation কৰা হৈছে বুলি কৈছে। ইয়াতে তথ্যখিনি ভুলকৈ দিয়া হৈছে। ২০২২-২৩ চনৰ বিত্তীয় বৰ্ষতো বিটিছি চৰকাৰৰ ফালৰ পৰা renovation কৰিব দিয়া হৈছে আৰু সেইটো ভালকৈ renovation কৰা হ'ল।

মই বিচাৰিছিলো যে সেইখন যিহেতু ৩০ খন বিচনাযুক্ত হস্পিতাল বনোৱা হৈছে আৰু ঘৰটো এনেয়ে পৰি আছে। যোৱা বছৰ মই প্ৰশ্ন কৰিছিলো যে functional কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হ'ব? এতিয়ালৈকে তাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। ১.২০ লাখ মানুহ থাকিলেহে নগৰ অঞ্চলত হস্পিতাল বনোৱা হয় বুলি কোৱা হৈছে। ইতিমধ্যে বাসুগাঁৱতে ২৫ ৰ পৰা ৩০ হাজাৰ মানুহ আৰু তাৰ ওচৰে পাজৰে তেনেকুৱা ধৰণৰ জনসাধাৰণ আছে। গতিকে সেই হস্পিতালখন কিয় ব্যৱহাৰৰ যোগ্য হ'ব নোৱাৰে আৰু কোৱা হৈছে যে কাছিপথাৰ মডেল হস্পিতাল ১৫ কিলোমিটাৰ দুৰত্বত আছে বুলি কৈছে আৰু চাৰিজন ডাক্তৰ আছে বুলি কৈছে। সেইটোও ভুল তথ্য তাত এজনহে ডাক্তৰ আছে চিভিল হস্পিতাল ১৫ কিলোমিটাৰ নিলগত আছে বুলি কৈছে আৰু মডেল হস্পিতালত চাৰিজন ডাক্তৰ আছে বুলি কৈছে সেইটো ভুল তথ্য। তাত এজনহে ডাক্তৰ আছে। চিৰাং জিলা দুটা মডেল হস্পিতাল আছে সেইটো চুপাৰভাইজাৰ, বিজনী সমষ্টিত পৰে আৰু এটাতো হ'ল চিদলি সমষ্টিৰ কাছুপথাৰত । চাৰিজন ডাক্তৰ নাই সেই চুপাৰভাইজাৰতো নাই আৰু আমাৰ কাছুপথাৰতো নাই । তাত এজন এজন ডাক্তৰ আৰু সেই মডেল হস্পিতালৰ ডাক্তৰবোৰ কাজলগাঁওৰ জিলা হস্পিতালত অনা হয় । সেই চিভিল হস্পিতালটো বিটিচি এগ্ৰিমেন্টৰ যোগেদি চুপাৰস্পেচিয়েলিটি হস্পিতাল সেইটো এগ্ৰিমেন্টত আছিল কিন্তু আজি সেই হস্পিতালটো জিলা হস্পিতাল হিচাপে নামাকৰণ কৰা হ'ল । এইবাৰ মই আহ্বান জনাম মাননীয় মন্ত্ৰী মহোদয়ক যিহেতু ইতিমধ্যে জিলা কৰ্তৃপক্ষক হেণ্ডঅ'ভাৰ কৰা হ'ল ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কথা যিখিনি কৈছে সেইখিনি ঠিকেই আছে কিন্তু আপোনাৰ জৰিয়তে মই কেইটামান কথা ইয়াত ক'বলৈ বিচাৰিছো । এই যিখন হস্পিতাল এইখন বিটিচিৰ পৰা বনোৱা হৈছে । এইখন ২০১৫ চনতে হৈছিলে বনোৱা। তাৰ পিছত ২০১৬ চনত ডিষ্ট্ৰিক্ট হেলথ্ ছ'চাইটি হস্পিতালখন তেওঁলোকে তাত দিছিলে। তাৰ পিছত এই হস্পিতালখন বহুদিন পৰিত্যক্ত অৱস্থা থাকিলে । তাৰ পিছত ২০২১-২২ চনতে আকৌ এইখন মেৰামতি কৰিলে। কিন্তু মই বিভাগত বিচাৰি চাইছো যে বিটিচিৰ পৰা কোনো ধৰণৰ প্ৰপোজেল পোৱা নাই যে আমি এটা হস্পিতাল বনাইছিলো এইটো স্বাস্থ্য বিভাগে ইয়াত ল'ব লাগে । এইটো অফিচিয়েল প্ৰস্তাৱ যদি আছে আপুনি মোক দিলে ভাল হয় । আমাৰ স্বাস্থ্য বিভাগৰ পৰা কনডিশ্যন থাকে কিমান মানুহ পাহাৰত কিমান থাকিব লাগে, ভৈয়ামত থাকিব লাগে । কিন্তু কথা হ'ল যে, ওচৰত হস্পিতাল আছে । বাসুগাঁৱত এম পি এছ ই আছে তাৰ পিছত মডেল হস্পিতাল আৰু

এখন আছে কাছুকটাত, চিৰাঙত চিভিল হস্পিতাল আছেই তথাপিও আৰু এখন বনাইছে তাত আমি পোষ্ট ক্ৰিয়েট কৰিব লাগিব । পোষ্ট ক্ৰিয়েট কৰি সেইমতে দিব লাগিব । মই চাই লওঁ যে অস্থায়ীভাৱে হ'লেও আৰম্ভ কৰিব পাৰি নেকি ? গতিকে এইখিনি তেখেতে দৃষ্টিগোচৰ কৰিছে কিন্তু তৎক্ষানিকভাবে বি টি চিৰ পৰা আমাক এটা অফিচিয়েলী আমাক জনালে এই কামখিনি আগবঢ়াবলৈ ভাল পাম ।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)ঃ** চাৰ অন্য নহ'লেও আয়ুস হস্পিতাল এখন দিব পৰা যায় নেকি ? সেইটো এটা বিবেচনা কৰক ।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্যমন্ত্ৰী)** ঃ বিটিচিৰ পৰা এটা অফিচিয়েল প্ৰস্তাৱ এটা আমি অনাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ৮৩ । শ্ৰীআশ্ৰাফুল হুছেইন ।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া আছে ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত তিনিখন নৈপৰীয়া স্বাস্থ্যকেন্দ্ৰ আছে আৰু তিনিখন স্বাস্থ্যকেন্দ্ৰ হ'লেও আজি অন্তত সেই স্বাস্থ্য কেন্দ্ৰসমূহলৈ গাড়ী লৈ যাব পাৰি আৰু এই অঞ্চলৰ মানুহৰ জনস্বাস্থ্য আৰু ইনচটিটিউশ্বনেল ডেলিভাৰীৰ কথা আমি আগতেও উত্থাপন কৰি আহিছো আৰু সেই অনুযায়ী দেখা যায় যে যেতিয়াই তাতে অভাৱ অভিযোগসমূহ দেখা যায় যে মূলত ডাক্তৰৰ অভাৱ, নাৰ্চৰ অভাৱ ইত্যাদি দেখা যায়। অসমত মুঠ পঞ্চাছ খন নৈপৰীয়া স্বাস্থ্যকেন্দ্ৰ আছে আটাইখিনিতে এই অভাৱ এই সমস্যা প্ৰতিফলিত হয় গতিকে আমি মন্ত্ৰী মহোদয়ৰ পৰা আশা কৰিম যে এই স্বাস্থ্য প্ৰতিষ্ঠানসমূহত পোষ্ট ক্ৰিয়েশ্যন কৰি তাত যাতে স্থায়ীভাৱে সকলো সময়তে যাতে ডাক্তৰ পোৱা যায়, আমি যাতে কেৱল ঠিকাভিত্তিক ডাক্তৰৰ ওপৰত যাতে ভৰসা কৰিব নালাগে তাৰ এটা ব্যৱস্থা কৰিব নেকি আৰু একেটা সময়তে উত্তৰ দিছে যে মোৰ এই নৈপৰীয়া স্বাস্থ্য কেন্দ্ৰৰ দুখনত ইনচ্টিটিউশ্বনেল ডেলিভাৰীৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে মই জানিব বিচাৰো যে (ঙ) নং ত উল্লেখ থকা চেঙা সমষ্টিৰ চৰ অঞ্চলত খোলাবন্ধা আৰু কাচুমাৰাত স্বাস্থ্যকেন্দ্ৰত প্ৰসুতিৰ সন্তান প্ৰসৱৰ সুবিধা যিটো এতিয়ালৈকে কিমানটা সন্তান এই হস্পিতালত জন্ম ল'লে এই কথাটো আপুনি জনাব ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী কেশৱ মহন্ত(স্বাস্থ্যমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, চেঙা সমষ্টিকলৈ বিধায়ক ডাঙৰীয়াই যি কথা উত্থাপন কৰিছে তাৰ উত্তৰত মই জনাব বিচাৰো যে- তিনিখন নৈপৰীয়া পি এইচ ই আছে যেনে- খলাবন্ধা, কালাইখাইতি, পুৰমহচৰা । এই তিনিখন পি এইচ ই ৰ অধীনত ২৬ টা চৰ, ১৬ খন গাঁও আৰু প্ৰায় ১৭,৩০০ জন সংখ্যা আছে। আগতেই এই তিনিখন পি এইছ ই ৰ অধীনত যিমানখিনি এলেকা আছিল বৰ্তমান গৰাখহনীয়া আদিৰ কবলত পৰি ৬-৭ খন চৰ ভাঙি গ'ল । গতিকে তাত বৰ্তমান ইমানখিনি এলেকা নাই । তাত দুখন বুঠ ক্লিনিক আছে । এখন মণ্ডিয়াত আৰু আনখন চেঙাত আছে। গৰাখহনীয়াৰ ফলত চৰ আদি ভাঙি যোৱাৰ বাবে বৰ্তমান সেই স্বাস্থ্য কেন্দ্ৰ সমূহলৈ সকলো ফালৰ পৰা যাব পৰা অৱস্থা হৈ থকা নাই । লগতে মই বিধয়াক জনক জনাব বিচাৰো যে- মই তাত থকা ডাক্তৰ জনৰ পৰা কোনে তাত কাম কৰে, কোনে নকৰে ইত্যাদি সম্পৰ্কে বিতং তথ্য সংগ্ৰহ কৰিছো । ডাক্তৰ-নাৰ্চ আদিয়ে তাত ঠিকেই কাৰ্য্য সম্পাদন কৰি আছে । ঔষধ নাটনি জাতীয় কিছু সমস্যা আছে যদিও তাত বিশেষ তেনেকুৱা কোনোধৰণৰ জটিল সমস্যা নাই ।

এই মাহত তাত কিমান সন্তান জন্ম হৈছে সেই তথ্যটো বৰ্তমান মোৰ হাতত নাই যদিও

পিছত মই দিব পাৰিম ।ইয়াৰ বাহিৰে উন্নয়নমূলক কাম থাকিলে মই কৰি দিব পাৰিম ।উন্নীতকৰণৰ কাম সমূহত আমাৰ সম্পূৰ্ণ সহযোগীতা থাকিব ।মুঠতে এম এম আৰ, আই এম আৰ কমিব লাগে আৰু ইয়াৰ বাবে আমি পুৰ্ণ সহায় আগবঢ়াম।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত এটা বিসংগতি আছে। চাৰ মোৰ সমষ্টিত প্ৰায় পঞ্চাছ খনৰো অধিক গাওঁত কেৱল নাওঁৰেহে সংযোগ কৰিব পাৰি আৰু পাচখন গাওঁপঞ্চায়তৰ অধীনত মাত্ৰ তিনিখন হস্পিতাল আছে আৰু ইয়াৰ জনসংখ্যা তেখেতে কোৱাৰ দৰে ১৬ হাজাৰ নহয়, মোৰ সমষ্টিত ৩৫ হাজাৰৰো অধিক ভোটাৰেই আছে । তেখেতে নৈপৰীয়া তিনিখন যি স্বাস্থ্যকেন্দ্ৰৰ কথা কৈছে সেই সমূহলৈ গুৱাহাটীৰ পৰা গ'লে গাড়ীলৈয়ে যাব পাৰিব ।কিন্তু তাৰ ডাক্তৰ নাৰ্চ সমূহ এন আৰ এইচ এমৰ ।গতিকে তেওঁলোকে ইন্টাৰ্নচিপত যাবলগীয়া হয় আৰু ভাল সুবিধা পালে কেতিয়াবা আন ঠাইলৈ ও গুচি যায় ।

সেয়েহে মই বিচাৰিছো যে, এই পঞ্চাচখন হস্পিতালৰ বাবে অনাগত সময়ত নতুন পদৰ সৃষ্টি কৰি স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে আৰু ইনচটিটিউশ্যনেল ডেলিভাৰীত গুৰুত্ব দিব লাগে। অসমত যি কম পৰিমানৰ ৮৪ শতাংশ ৮৫ শতাংশ ইনচটিটিউশ্যনেল ডেলিভাৰী, ইয়াৰ মূল কাৰণ হ'ল আমাৰ অঞ্চল সমূহ ।আমি ১০০ শতাংশ ইনচিটিউশ্যনেল ডেলিভাৰী হোৱাটো বিচাৰো।

মোৰ আৰু এটা প্ৰশ্ন আছে-চেঙাত এখন মডেল হস্পিতাল পাচ বছৰ ধৰি নিৰ্মাণ কৰি থকা হৈছিল আৰু সেইখনৰ নিৰ্মাণ কাৰ্য্য দুবছৰৰ আগতে সম্পূৰ্ণ হ'ল ।ডাক্তৰো নিয়োগ কৰা হ'ল। কিন্তু হস্পিতালখনৰ কাম-কাজহে আৰম্ভ কৰা নহ'ল ।চেঙা হস্পিতালখন হস্তান্তৰ কৰাৰ পিছতো আজি দুবছৰে কিয় কাৰ্য্যক্ষম হৈ উঠা নাই ? যিহেতুকে মন্ত্ৰী মহোদয়ে এই বিষয়টোতে একেলেথাৰীয়ে লাগি থাকিব নোৱাৰে, এনে ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী সকলে আজি দুবছৰে কিয় কাৰ্য্যক্ষম কৰিব পৰা নাই সেইটো জানিব বিচাৰিছো ।অতি সোনকালে এইটো কাৰ্য্যক্ষম কৰিব লাগে। অন্যথা এইটো ভুতবাংলালৈ ৰূপান্তৰিত হ'ব ।চেঙা সমষ্টিৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত বিভাগটোৰে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব আৰু কেতিয়া কৰিব মই সেই সম্পৰ্কে জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ বিধায়ক জনে যি খন মডেল হস্পিতালৰ কথা উল্লেখ কৰিছে সেইখন কাৰ্য্যক্ষম কৰাৰ উদ্দেশ্যে এই বিধান সভাৰ অধিবেশনৰ পিছতেই মই আৰু মাননীয় বিধায়ক তালৈ যাম ।তেখেতৰ দ্বিতীয় অভিযোগৰ উত্তৰত জনাব বিচাৰো যে আমাৰ যি ৫০ খন পি এইচ চি তাত আছে, বিভাগীয় বিষয়া সকলক লৈ সেইখিনি উন্নীত কৰাৰ কাৰণে অতি সোনাকালে বিষয়া সকলক লৈ এখন পৰ্য্যালোচনা সভাৰ আহ্বান কৰিম।

**শ্ৰীমাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীছামচুল হুদা। Specific ক'ব।

**শ্ৰী ছামচুল হুদা (পূৱ বিলাসীপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিলাসীপাৰাত এখন Model Hospital আছে। কম বেছি পৰিমাণে ডাক্তৰ তাত আছে কিন্তু ৰাতি হ'লে তাত কোনো generator ৰ ব্যৱস্থা নাই, এইক্ষেত্ৰত ডেলিভাৰিৰ ক্ষেত্ৰত model hospital ত অসুবিধা হয়, সেইবাবে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো, কামটো কৰাই দিলে ভাল হয় আৰু লগতে মন্ত্ৰী মহোদয়ে মোৰ এটা উত্তৰত কৈছে যে বিলাসীপাৰাত ৬৮ লাখ ২৯ হাজাৰ ৮৬ টকা চিকিৎসালয়ৰ উন্নয়নৰ কামত দিয়া হৈছে। কিন্তু আমাৰ ডিবুৰকুটিত যিখন চিকিৎসালয় আছে, সেইখনৰ খুব জৰাজীৰ্ণ অৱস্থা, গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে ডিবুৰকুটিৰ

চিকিৎসালয় তৎক্ষনাত মেৰামতি কৰা হয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**শ্ৰীকেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলাসীপাৰা model hospital খনলৈ সোনকালে আমাৰ বিষয়া গৈ যি ব্যৱস্থা ল'ব লাগে ল'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Question No. শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ অসম উন্নয়ন প্ৰাধীকৰণ নামৰ অনুষ্ঠানটো গঠনৰ সম্পৰ্কত আৰু কি উদ্দেশ্য গঠন কৰিছিল আৰু এই উন্নয়ন প্ৰাধীকৰণৰ জৰিয়তে কেনেধৰণৰ আঁচনি বিলাকৰ ৰূপায়ণৰ সিদ্ধান্ত লৈছিল বা ল'ব পাৰে আৰু এই অসম উন্নয়ন প্ৰাধীকৰণৰ কিমানখন সমিতি আছে বা Development committee আছে আৰু বিশেষকৈ মোৰ সোণাৰী সমষ্টিত উন্নয়ন প্ৰাধীকৰণৰ কৰ্মচাৰীসকল যে দৰমহাৰ পৰা বঞ্চিত আছে বা তেনেধৰণে তেওঁলোকে দৰমহা পায়। আমাৰ প্ৰাধীকৰণৰ যিজন development authority তেখেত অৱশ্যে স্ব-ইচ্ছাৰে অৱসৰ লোৱাৰ পিছত এতিয়া পদটো খালী হৈ আছে। গতিকে এই পদটোত যদি অতি সোনকালে নিযুক্তি হয়, তেতিয়া নিশ্চয় কামখিনি কৰিবলৈ সুবিধা পাব বুলি ভাবিছো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক বিষয়টোৰ কাৰণে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত বৰ্তমান ২৪ খন development authority আছে আৰু development authority area ত development authority সমূহে building permission দিয়াৰ ব্যৱস্থা কৰি আছিল। যিহেতু এতিয়া unified building by laws আহিছে। এতিয়াৰ পৰা development area ৰ লগতে ULB area ত development authority য়ে planning permit দিয়াৰ ব্যৱস্থা কৰিব আৰু অধ্যক্ষ ডাঙৰীয়া ULB য়েই হওঁক বা Development Authority তে হওঁক এই অনুষ্ঠান সমূহে একো একোখন চৰকাৰ, ULB একো একোখন চৰকাৰ হয়। তেওঁলোকে নিজৰ ৰাজহ সংগ্ৰহ কৰি নিজৰ দৰমহা ল'ব লাগে। ঠিক তেনেকৈ development authority য়েও নিজে ৰাজহ সংগ্ৰহ কৰি নিজে দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে তেওঁলোকক অসম চৰকাৰৰ এই মুহূৰ্তত কৰ্মচাৰী নহয়, গতিকে এতওঁলোকক অসম চৰকাৰে দৰমহা দিয়াৰ কোনো ব্যৱস্থা কৰা নাই। কিন্তু যিহেতু এতিয়া তেওঁলোকে development aeea তহে building permission দিয়ে, তেখেতলোকৰ ৰাজহৰ ব্যৱস্থাটো বা ৰাজহ সংগ্ৰহ কম হয়, কিন্তু যেতিয়া নতুনকৈ unified building by laws introduced হৈছে, আমাৰ যদি সেইখন কাৰ্য্যত পৰিণত হয় তেতিয়া development authority য়েও entire areas তো planning permit দিয়াৰ ব্যৱস্থা কৰিব পৰা হ'ব তেতিয়া তেওঁলোকে যথেষ্ট ৰাজহ সংগ্ৰহ কৰিব আৰু তাৰপৰা তেওঁলোকে নিজৰ দা-দৰমহা দিয়াৰ ব্যৱস্থা কৰিব পাৰিব। সন্মানীয় সদস্য গৰাকীয়ে তেখেতৰ সমষ্টিত সোণাৰী development authority ৰ চেয়াৰমেন গৰাকীয়ে অৱসৰ গ্ৰহণ কৰাৰ পাছত পদটো খালী হৈ থকা বুলি কৈছে । তেখেতৰ অঞ্চলৰ এই পদটো অতি সোনকালে পূৰণ কৰিবলৈকে ব্যৱস্থা লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং - ৮৫ শ্ৰী আব্দুল বাতিন খন্দকাৰ।

**শ্ৰীকেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অতি দুখেৰে কৈছো যে, 100% ভূল উত্তৰ এটা সদনৰ মজিয়াত দাখিল কৰা হৈছে, যেনেকৈ এখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ থকা বুলি কোৱা হৈছে, মোৰ সমষ্টিত দুখন আছে, এখন আদৰ্শ চিকিৎসালয় থকা বুলি কোৱা হৈছে। দুখন আছে মোৰ সমষ্টিত আৰু তেনেকৈ ৰাজ্যিক চিকিৎসালয়, ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ৰ ক্ষেত্ৰতো ভূল উত্তৰ দিয়া হৈছে। ভূল উত্তৰ দিলে কি কৰিব লাগে নালাগে, মাননীয় অধ্যক্ষ মহোদয়ৰ ওপৰত দায়িত্ব মই ওপৰত এৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্ন কৰক।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভুল উত্তৰটো দিলে প্ৰথমতে আপোনাক ন'টিছত আনিছো। এতিয়া ভূল উত্তৰৰ সাপেক্ষে কি কৰিব লাগে আপুনি কৰিব চাৰ। মোৰ চাপ্লিমেণ্টৰী প্ৰশ্নত হৈছে যে, মাননীয় মন্ত্ৰী মহোদয়ক মই প্ৰথমতে ধন্যবাদ দিছো যে তেখেতৰ প্ৰচেষ্টাত আমাৰ চিজনগ্ৰাম মডেল হস্পিতালখন বহুদিনৰ পৰা অসমাপ্ত হৈ আছিল, সেইখন সম্পূৰ্ণ হ'ল। যোৱা ৫ ডিচেম্বৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে শুভ উদ্বোধন কৰিলে। চিজনগ্ৰাম মডেল হস্পিতাল আৰু মানিকপুৰ মডেল হস্পিতালত এজনো বিশেষজ্ঞ চিকিৎসক নাই। গতিকে আমি সততে কৈ থাকো যে, MMR, IMR rate যিটো reduced কৰিব লাগে। তেনে ক্ষেত্ৰত আমাৰ Gynecologist, Anaesthesia বিশেষজ্ঞ প্ৰতিখন মডেল হস্পিতালত থকাটো খুৱেই প্ৰয়োজন। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে মোৰ যি দুখন মডেল হস্পিতাল চিজনগ্ৰাম আৰু মানিকপুৰত আছে , সেই হস্পিতালত যাতে Gynecologist ৰ ব্যৱস্থা কৰা হয় আৰু মানিকপুৰ ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত এটাও চেংশ্যন পদ নাই, তাতে অস্থায়ীভাৱে ডাক্তৰ নিয়োগ কৰা হয়। সাধাৰণতে এবছৰ compulsory rural service ৰ doctor সকলক দিয়া হয়। মাজে মাজে তাত ডাক্তৰ সকল নোহোৱা হৈ যায়। গতিকে তাত যাতে স্থায়ীভাৱে পদ সৃষ্টি কৰা হয়, তাৰ বাবে মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো ভূল তথ্যৰ কথা কৈছে, মোক যদি বিষয়াই ভুল তথ্য my officer will be answerable. এইটো মই কেতিয়াও ক্ষমা নকৰো। মই যদি এইটো Assembly ত শুনিব লাগে, কাকো ক্ষমা নকৰো। তেখেতে যিখিনি কথা কৈছে, ইয়াতে যেতিয়া ডাক্তৰৰ আমাক লিষ্টত দিয়ে, কোনখিনি দিয়ে যে চেংশ্যন পদৰ বিপৰীতে থকা যিটো পদ পূৰণ হয়, সেইটো দিয়ে। বাকী NHM বা অন্যধৰণে যিখিনি ডাক্তৰ দিওঁ, এই লিষ্টত তেনেকৈ নাহে। তাত একেবাৰে ডাক্তৰ নাই। মই তথ্যপাতি দিব পাৰিম আপোনাক কিন্তু এনেকুৱা নহয়, অন্যান্য ধৰণে তাত ডাক্তৰ আছে কিন্তু উত্তৰ লিখোতে আমাৰ চেংশ্যন পদৰ বিপৰীতে থকা ডাক্তৰ কিমান আছে নাই দিয়া।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী)**ঃ চাৰ, বিশেষজ্ঞ ডাক্তৰৰ কথা কৈছো।

**শ্ৰীকেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এটা কথা শুনক, এইবাৰ আজি কিছুদিন আগতে ৫৪১ জন ডাক্তৰ আমি নিযুক্তি দিছো আৰু তাৰ লগত মেডিকেল কলেজৰো ২৫৪ গৰাকী দিছো। কথাটো হ'ল যে ৫৪১ গৰাকীৰ ভিতৰত আমি Medicine ৰ ডাক্তৰ পাইছো মাত্ৰ ৩ জন আৰু Pediatiric ডাক্তৰ পাইছো দুজন। ৯ জন নে ১০ জনহে বিশেষজ্ঞ, তাৰমানে বিশেষজ্ঞ হোৱা ডাক্তৰ আমাৰ ইয়াত MO (Medical Officer) apply কৰা

মানুহৰ সংখ্যা ইমানেই। গতিকে general MBBS যে সকলোতে গৈ আছে। Gyno ৰ দুই তিনিজন পোৱা গৈছে। এতিয়া আমাক মুখ্যমন্ত্ৰীয়ে এটা পৰামৰ্শ দিছে যে আমাৰ যিবিলাক Doctor য়ে MBBS পাচ কৰি আছে, তেওঁলোকক প্ৰত্যেক বছৰে মেডিকেল কলেজত দুই বছৰৰ কাৰণে পঢ়াই আনিব লাগে, অন্যান্য বিভাগত post graduate কৰাই আনিব লাগে , যাতে তেওঁলোকে আকৌ মেডিকেল কলেজলৈ নগৈ ইয়াতে কাম কৰিব পাৰে। গতিকে এই প্ৰক্ৰিয়াটো এই বছৰৰ পৰা আৰম্ভ কৰিছো। মেডিকেল কলেজত ইতিমধ্যে প্ৰত্যেকখনতে চিট বঢ়াই তেওঁলোকক দুইবছৰীয়া post graduate course কৰিবলৈ ঠিক কৰিছো। যাতে আমাৰ periferry টো specialist থাকিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় পৰিপূৰক প্ৰশ্নটো আছিল বিগত বিধান সভাত মোৰ এটা প্ৰশ্নৰ উত্তৰত দিছিল যে ৰাঙাপানী State Dispensary আৰু কীৰ্ত্তনপাৰা Mini PHE ত আন্তঃগাঁথনি উন্নয়নৰ বাবে এষ্টিমেট আদিৰ কাম চলি আছে। আজিৰ তাৰিখত কি পৰ্য্যায়ত আছে, সেইটো জানিবলৈ বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্যমন্ত্ৰী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বৰ্তমান ইয়াৰ উত্তৰ দিব নোৱাৰিম। কাৰণ আজি আপোনাৰ প্ৰশ্নটোত এই বিষয়টো নাছিল। মই চাব লাগিব। যদি প্ৰস্তুত হৈছে তেন্তে মাৰ্চৰ শেষৰ ফালে যাব পাৰে। যদি যোৱা নাই মই চাই দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত এখন মডেল হস্পিতাল আছে। সেইখন বহুত পুৰণি আৰু First Phase ৰ। তাত মই এটা তৰাবিহীন প্ৰশ্নৰ উত্তৰত পাইছো যে তাত কেৱল এজন ডাক্তৰেই কাম কৰি আছে আৰু সেইটো সঁচা। বহুত ডাঙৰ অঞ্চল মোৰ সমষ্টিৰ ৪ টা জি পি-বনগোগী, বৰভীটা, চিক্নী আৰু বাঘবৰ সমষ্টিৰ তিনিটা জি পি-মইনগুৰি, তাৰাকান্দি, জয়পুৰ তাত নাৰ্চ আৰু অন্যান্য কৰ্মচাৰীৰ অভাৱ। সেয়েহে চান্দমামা মডেল হস্পিতালত আৰু কেইজনমান ডাক্তৰ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতৰ কথাটোত এটা কথা ক'ব বিচাৰিছো যে মে-জুনত যেতিয়া পৰীক্ষাৰ ফলাফল দিয়ে, তেতিয়া ডাক্তৰখিনি পাঁও। এইবাৰ আমি লগে লগে নিযুক্তি দিবৰ বাবে ঠিক কৰিছো আৰু তেতিয়াহে ডাক্তৰৰ অভাৱ পূৰণ হ'ব। আমি ৫৪১ জন ডাক্তৰ জানুৱাৰী মাহত দিলো। তাৰ পিছতো আমাৰ ৩০০ পদ খালী থাকি গ'ল। আমি ভাৱিছো যে এইকেইদিনত জিলাসমূহৰ ভিতৰতে সালসলনি কৰি যি সমূহ জিলাত একেবাৰে নাই তাত দিয়াৰ ব্যৱস্থা কৰিম আৰু জুন-জুলাই মাহত আকৌ আমি কিছু ডাক্তৰ পাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-৮৬। জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধান সভাত কোৱা হৈছে যে এইটো enquiry stage ত আছে। এই বিষয়ত তদন্ত কৰি ঠিকাদাৰে হওঁক বা কোনো বিষয়াই হওঁক যাৰ কাৰণে ১৫ বছৰ হাইলাকন্দিৰ মানুহে খোৱা পানীৰ পৰা বঞ্চিত হ'ল, তেওঁলোকৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে কিবা পদক্ষেপ গ্ৰহণ কৰিব নেকি?

**শ্ৰী পিযুষ হাজৰিকা, ( মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰজেক্টটোৰ আচলতে ২০০৯

চনতে অনুমোদন পোৱা গৈছিল আৰু ১১কোটি ৪৩ লাখ টকা এই কামটোৰ কাৰণে ধাৰ্য্য কৰা হৈছিল। এই কামটোৰ ফিজিকেল প্ৰগ্ৰেচ ৫৭ শতাংশ হৈছিল আৰু ফানেঞ্চিয়েল প্ৰগ্ৰেচ ৫৬ শতাংশ হৈছিল। অৰ্থাৎ যিমান কাম কৰিছিল তাতকৈ টকা কমকৈহে লৈছিল। কিন্তু ২০১৫-১৬ চনত এই আঁচনিখনৰ কাম বন্ধ হৈ গ'ল। যেতিয়া এ চি পাইপ ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে লগাই আছিল। তেতিয়া হাইলাকান্দি ৰাইজে কাম পছন্দ নোহোৱাৰ বাবে কাম বন্ধ কৰাই দিছিল। তেতিয়াৰ পৰাই কামটো সম্পূৰ্ণৰূপে বন্ধ হৈ গ'ল। এইটোৰ আজি নহয়, সাত বছৰ আগতেই কাম বন্ধ হৈ গৈছে। মাননীয় অধ্যক্ষ মহোদয়, হাইলাকান্দিৰ ৰাইজ পানীৰ কাৰণে যথেষ্ট অসুবিধাত আছে। সেয়েহে আজিৰ পৰা ছয় মাহৰ আগতে শিলচৰত কেবিনেট হৈছিল, তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সিদ্ধান্ত লৈছিল যে হাইলাকান্দিৰ ৰাইজক আমি পানীৰ ব্যৱস্থা কৰি দিব লাগে। তাৰ কাৰণে অতি সোনকালে এটা পানী যোগানৰ প্ৰজেক্ট কৰিবৰ বাবে PHE বিভাগক নিৰ্দ্দেশ দিছিল। PHE বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ৭৩.৭৮ কোটি টকাৰ প্ৰজেক্ট প্ৰাক্কলন সম্পূৰ্ণ হৈছে। অতি সোনকালে টেণ্ডাৰ সম্পন্ন কৰা হ'ব আৰু কাম আৰম্ভ হ'ব যাতে হাইলাকান্দিৰ ৰাইজে বিশুদ্ধ খোৱা পানী পাব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মই ধন্যবাদ জনাইছো। ইয়াৰ লগতে মই এটা কথা ক'ব বিচাৰিছো যে ২০১৮-১৯ চনত হাইলাকান্দি PHE ৰ পৰা এশ তিনি কোটি টকাৰ এটা প্ৰপোজেল আহিছিল। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে এই পইচাখিনি চাব লাগে আৰু প্ৰজেক্টটো কৰাব লাগে কাৰণ এৰিয়াটো অলপ বাঢ়িছে। আৰু এটা কথা যে আগতে যিটো মূৰ্ত্তি বনাইছিল, সেইটো এতিয়া খহি পৰি আছে। আগতে হাইলাকন্দিত এনেকুৱা দুৰ্ঘটনা হৈছে। এইটো যদি এতিয়া বন্ধ হৈ যায়, যদি পাৰে এইটো ভাঙি পেলাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, PHE ৰ যদি তেনেকুৱা ২০১৮-১৯ চনত কৰিছিল তেতিয়াহ'লে আপুনি PHE ৰ মন্ত্ৰী মহোদয়ক বেলেগ এটা প্ৰশ্নত সুধিব পাৰে। মই এতিয়া ইউ ডি ডি বিভাগৰ ফালৰ পৰা উত্তৰ দি আছো আৰু তাত এনেকুৱা আঁচনি চলি আছে বুলি আমাৰ হাতত এনেকুৱা তথ্য নাই। তেখেতে যিহেতু কৈছে মন্ত্ৰী মহোদয়ে এই বিষয়ে শুনি আছে আৰু এই বিষয় চিন্তা-চৰ্চা কৰিব। মই পুনৰ কৈছো যে অতি সোনকালে ৭৩.৭৮ কোটি টকাৰ প্ৰজেক্ট আমি আৰম্ভ কৰিম আৰু সম্পূৰ্ণ কৰিম। হাইলাকান্দি জিলাৰ মানুহক বিশুদ্ধ খোৱা পানী দিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী আবুল কালাম ৰছিদ আলম, (পূব গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ গোৱালপাৰা Sewerage Board ৰ অধীনত ডাঙৰ এটা পানীৰযোগান আঁচনি চলি আছে। কিন্তু কেইবছৰমান আগত মাত্ৰ দহ লাখ টকা বিদুৎ মাচুল দিব নোৱাৰাৰ বাবে সেই আঁচনিখন পৰি আছে। পাহাৰীয়া ঠাইৰ চাৰিটা অঞ্চলত সেই আঁচনিৰ পৰা পানী দিয়া হৈছিল। জে জে এম স্কীমে গাঁওৰ পানীৰ অভাৱ দূৰ কৰিছে যদিও এই বিষয়ে কিবা পদক্ষেপ ল'ব পাৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ এইটো হাইলাকান্দিক লৈ আছিল আৰু মাননীয় মন্ত্ৰী মহোদয়ো নাই। আপুনি কেৱল স্পেচিফিকেলি কৈ দিয়ক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি টাইড ফাণ্ড বা এম এল এ ফাণ্ডৰ পৰা দি দিব পাৰিব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং-৮৭। প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কওঁক।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি পাইছো। কিন্তু মই উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। মই জনাব বিচাৰিছো যে চাওলুং চ্যুকাফা আৰু আহোম স্বৰ্গদেও সকলৰ কৰ্মৰাজী চিৰযুগমীয়া কৰাৰ কাৰণে চৰকাৰে লোৱা প্ৰচেষ্টা ভূয়সী প্ৰশংসা কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ জগতগুৰু আৰু তেখেতৰ পিতৃও ৰজা আছিল। সেই কথা অসম বুৰঞ্জীত ভালকৈ লিখা আছে। সেই পিতৃৰ ভেটি য'ত আছিল, সেইখিনি ৰক্ষণা-বেক্ষণ দিয়া মই উচিত বুলি ভাৰো। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যিখন মহেন্দ্ৰ কন্দলী টোলৰ পৰা তেখেতে গোটেই ভাৰতবৰ্ষৰ আদৰ্শ চৰ্চা কৰি আমাৰ সমাজখনক জীয়াই ৰখাৰ বাবে তেখেতে গোটেইখিনি ত্যাগ কৰি থৈ গৈছে, সেই মহাবিদ্যালয়খনো এতিয়া সংৰক্ষিত হ'ব লাগিছিল আৰু উন্নত পৰ্য্যায়লৈ লৈ যাব লাগিছিল। সেয়েহে মই এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। ১৯৫৯ চনৰ যিখন Religious Charitable Act অনা হ'ল, সেই এক্টখন আনি সত্ৰসমূহৰ গোটেই মাটি অধিগ্ৰহণ কৰা হ'ল। ইয়াত দিছে যে মাটি অধিগ্ৰহণ কৰাৰ বাবে তেওঁলোকক Annuity দিছে। মই বিশেষ এখন সত্ৰৰ কথা দাঙি ধৰিব বিচাৰিছো যে দিহিং সত্ৰৰ চাৰি হাজাৰ বিঘা মাটি অধিগ্ৰহণ কৰিলে ১৯৬৬ চনত। তিনিখন গেজেট নোটিফিকেশ্যন দি, ১৯৬৬, ১৯৭০ আৰু ১৯৮৯ এই তিনিখন gazette notification দি ৪০০০ বিঘা মাটি তেওঁলোকৰ অধিগ্ৰহণ কৰিছিল। তেওঁলোকে একো নোপোৱা বা তেওঁলোকক একো নিদিয়াৰ বাবে তেওঁলোকে কোৰ্টত কেচ কৰিছিল। ২০১৫ চনত এই কেচৰ অৰ্ডাৰ ওলাইছিল আৰু কৈছিল যে ৬ মাহৰ ভিতৰত বকেয়াৰ সৈতে সকলো গতাই দিব লাগে। কিন্তু, অধ্যক্ষ মহোদয়, এতিয়ালৈকে একো হোৱা নাই। আজি এই সত্ৰসমূহৰ উন্নয়ন হ'ব লাগিছিল, গুৰুজনাৰ কৰ্মৰাজিক যি ধৰণে ভূয়সী প্ৰশংসা কৰা হৈছে, সেয়া সংৰক্ষিত হ'ব লাগিছিল নে এনেকুৱা এটা অৱস্থা হ'ব লাগিছিল? সেয়েহে মোৰ মন্ত্ৰী মহোদয়লৈ তিনিটা প্ৰশ্ন আছে- প্ৰথমে, গুৰুজনাৰ পিতৃৰ যি ভেঁটি সেইয়া সংৰক্ষণ হোৱাটো উচিত। দ্বিতীয়তে, সেই সময়ত তেখেতে য'ৰ পৰা শিক্ষা লাভ কৰিছিল, সেই সময়ৰ মহেন্দ্ৰ কন্দলী মহাবিদ্যালয়খন সংৰক্ষণৰ ব্যৱস্থা কৰা আৰু তৃতীয়তে এই আইনৰ ক্ষেত্ৰত দেখা দিয়া খেলি-মেলিখিনি দূৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন ,(মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জানো, জগত গুৰু শ্ৰীমন্ত শংকৰদেৱে সমাজখন শৃংখলাবদ্ধ কৰিবৰ বাবে আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি বৈষ্ণৱ ধৰ্মৰ ৰত্নময় জ্ঞান, চিন্তা, আদৰ্শৰে সমাজখন গঢ়িবৰ বাবে আৰু সকলো জাতি-জনগোষ্ঠীৰ মাজত সদ্ভাৱ, সম্প্ৰীতি তথা অসমীয়া জাতিটো প্ৰাণৱন্ত কৰিবৰ বাবে সত্ৰসমূহৰ প্ৰতিষ্ঠা কৰিছিল। য'তেই সৎ, ত'তেই সত্ৰ। সৎ চিন্তাৰে এখন সমাজ গঢ়িবৰ বাবে এই সত্ৰবিলাকৰ ভূমিকা আমি সকলোৱে জানো। স্বৰ্গদেউসকলেও সেই উদ্দেশ্যেৰে হাজাৰ হাজাৰ বিঘা মাটি সত্ৰ সমূহক দিয়াৰ কথাটো আমি সকলোৱে জানো। এই সত্ৰসমূহ সুৰক্ষা কৰা আৰু ইয়াত অবৈধভাৱে দখল কৰাখিনিক উচ্ছেদ কৰা কাম চৰকাৰে কৰি আছে আৰু এই কথাখিনি সকলোৱে নিশ্চয়

জানো। সত্ৰসমূহক সুৰক্ষিত কৰি ৰখা, সত্ৰসমূহক উন্নয়ন কৰা এই গোটেই কথাখিনিৰ প্ৰতি চিন্তা কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এখন সত্ৰ কমিশ্যনো বনাই দিছিল। আমাৰ মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা, ৰূপক শৰ্মা আৰু মৃনাল শইকীয়া এই তিনিগৰাকী সদস্য এই কমিশ্যনৰ সদস্য। তেওঁলোকে গোটেই সত্ৰ বিলাকৰ তদন্ত কৰিছে, visit দিছে আৰু তাৰ interim report এটা ইতিমধ্যে তেওঁলোকে অসম চৰকাৰৰ হাতত দাখিল কৰিছে। তেওঁলোকৰ কাৰ্য্যকাল আৰু এক বছৰৰ বাবে বঢ়াই দিয়া আছে। আমি ভাৱো তেওঁলোকে যি পৰামৰ্শ দিয়ে, সত্ৰসমূহৰ উন্নয়নৰ বাবে যিধৰণে চিন্তা কৰে, সেইখিনিক অসম চৰকাৰে নিশ্চয় বিবেচনা কৰিব। ভকত বৈষ্ণৱসকলে সত্ৰ সমূহত খেতি বাতি কৰি ম'হ পালন, গো-পালন ইত্যাদিৰে যাতে সৎ জীৱন যাপন কৰিব পাৰে, তাৰ মাটি যাতে তেওঁলোকক দিব পাৰে তাৰ বাবে ১৯৫৯ ত Charitable Act আনিছিল, যিখন ১৯৬৩ ৰ ১ জানুৱাৰীৰ পৰা কাৰ্য্যকৰী হৈছিল। তথ্য অনুসৰি প্ৰায় ২৩ খন সত্ৰৰ ৬০ হাজাৰ ৫৮বিঘা মাটি অধিগ্ৰহণ কৰা হৈছিল আৰু তাৰ ক্ষতিপূৰণ হিচাপে Annuity Grant ৰ উপৰিও ২০১৯-২০ আৰু ২০২০-২১ চনত 'অসম দৰ্শন'ৰ যোগেৰে অতিৰিক্ত ২ লাখ টকা তেওঁলোকক দিয়া হৈছিল। বহুকেইখন সত্ৰই আকৌ UC দিব নোৱাৰাৰ বাবে Annuity পোৱা নাই। এই Annuity ৰ বিষয়ে আমাৰ বিভাগে বিবেচনা কৰিছো। এইটো যিহেতু Grant, গতিকে কোনো UC নোহোৱাকৈ যাতে দিব পাৰি সেই বিষয়ে আমি চিন্তা কৰি আছো। তেতিয়াহ'লে সত্ৰ সমূহে যি Annuity Grant পাব লাগে সেইটো তেওঁলোকে UC নিদিয়াকৈয়ে পাই যাব। ইয়াৰোপৰি, সত্ৰ সমূহক যাতে প্ৰাণৱন্ত কৰি তুলিব পাৰি, পৰ্য্যটক আকৰ্ষণ কৰিব পাৰি, এই ক্ষেত্ৰত চৰকাৰে চিন্তা কৰি আছে। অসম চৰকাৰৰ বিভিন্ন Head ত সময়ে সময়ে ইয়াৰ বাবে পুঁজিৰ আবণ্টন দিয়া আছে। সন্মানীয় সদস্যগৰাকীয়ে দিহিং সত্ৰখনৰ যিটো কথা কৈছে, মই ভাৱো, দিহিং সত্ৰখনো তাৰ লগত অন্তৰ্ভুক্ত হ'ব আৰু আমি সত্ৰ কমিশ্যনৰ পৰা যিধৰণে পৰামৰ্শ পাম সেই পৰামৰ্শৰ ভিত্তিত সত্ৰৰ উন্নয়ন, সুৰক্ষা, সংৰক্ষণ, সৌন্দৰ্য্যবৰ্দ্ধন, পৰ্য্যটকক আকৰ্ষণ কৰা সকলোখিনি কৰিম। আমি প্ৰতিবেদনখন সম্পূৰ্ণকৈ পোৱাৰ পিছত এইখিনি নিশ্চয়কৈ আলোচনা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৬৬ ত এই সত্ৰৰ মাটি লোৱা হৈছিল। এতিয়া ৫০ বছৰ হৈ গ'ল। কাৰোবাৰ ঘৰৰ গোটেইখিনি মাটি যদি কোনোবাই লৈ যায় আৰু ৫০ বছৰলৈকে যদি একো ক্ষতিপূৰণ নিদিয়ে তেন্তে সেই মানুহজনক মাৰি পেলোৱাৰ নিচিনা হৈছে নে নাই ? সেইকাৰণে মই ভাৱো দিহিং সত্ৰৰ কথাটো মন্ত্ৰী মহোদয়ে বিশেষভাৱে চাই দিয়া ভাল।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিশেষভাৱে দিহিং সত্ৰৰ কথাটো চিন্তা কৰিম। সত্ৰসমূহত যিসমূহ মাটি অধিগ্ৰহণ কৰা হৈছিল, তাত থকা ভকত বৈষ্ণৱসকলক দিবলৈয়ে চিন্তা কৰিছে চৰকাৰে। দেৱোত্তৰ মাটি, ধৰ্মোত্তৰ মাটি ক'তো allocation নিদি তাত স্কুল-কলেজ, অনুষ্ঠান-প্ৰতিষ্ঠান কৰিবলৈও allotment দিব পৰাকৈ এই আইনখন আনিছে। গতিকে এই আইনখনৰ অধীনত যিমানখিনি মাটি এতিয়ালৈকে অধিগ্ৰহণ কৰিলে, সেই ৬০ হাজাৰ বিঘা দিয়া হৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** হ'ব ধন্যবাদ......interruptions..

**শ্ৰী ৰূপক শৰ্মা, (নগাঁও)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা supplementary সুধিব বিচাৰিছো।

**माननीय अध्यक्षः** এতিয়া আৰু নালাগে।

প্ৰশ্ন নং ৮৮- শ্ৰী অখিল গগৈ। অনুপস্থিত।

প্ৰশ্ন নং ৮৯- শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ- পশ্চিম গুৱাহাটী পানী যোগান আঁচনিটো ২০০৯ চনত আৰম্ভ কৰা হৈছিল। এতিয়া ১৩ বছৰ পাৰ হৈ ১৪ বছৰত ভৰি দিছে। এই পানী যোগান আঁচনিটো সম্পূৰ্ণ কৰাৰ নিশ্চয় নিৰ্দিষ্ট সময়-সীমা আছে। কিন্তু সেই সময়-সীমাৰ ভিতৰত নোহোৱা কাৰণবিলাক কি? আজি বিভাগীয় মন্ত্ৰীগৰাকী উপস্থিত নাই, কিন্তু তেখেতে ইতিমধ্যে বিভিন্ন ঠাইত আংশিকভাৱে পানী যোগান দিয়া বুলি কৈছে। এতিয়া দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান আঁচনিটোৰ জৰিয়তে ক'ত ক'ত আংশিকভাৱে পানী যোগান দিয়া হৈছে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতে ইতিমধ্যে জানে যে এই প্ৰকল্পটো সম্পূৰ্ণ হোৱা নাই। প্ৰকল্পটো সম্পূৰ্ণ নোহোৱাৰ কাৰণে গেমন ইণ্ডিয়াক এই কামৰ পৰা অব্যাহতি দি চৰকাৰে ২৭৭.৮৪ কোটি টকাৰ নতুন প্ৰকল্প লৈছে আৰু ইতিমধ্যে tender প্ৰক্ৰিয়াও আৰম্ভ হ'ল, ২৪ মাৰ্চত সম্পূৰ্ণ হ'ব। গতিকে, মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিম বিভাগক বা চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিবলৈ যে তৎকালীনভাৱে ২৭৭ কোটি টকা আমাৰ চৰকাৰে তেখেতৰ সমষ্টিৰ ৰাইজক পানী খুৱাবলৈ দিছে। গতিকে তেখেতেক মই অনুৰোধ কৰিছো প্ৰথমে ধন্যবাদ দি লওঁক। তেখেতে জানেই অলপ অলপ অসুবিধা হোৱাৰ কাৰণ। মই আকৌ কৈছো যে এই প্ৰকল্পটো পলম আৰু অসম্পূৰ্ণ হোৱাৰ বাবেই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বা বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰি ২৭৭ .৮৪ কোটি টকাৰ নতুন প্ৰকল্প tender কৰিছে। অতি সোনকালে আৰম্ভ হ'ব আৰু তেখেতৰ সমষ্টিৰ
ৰাইজৰ যি কষ্ট সেয়া লাঘৱ হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিটোৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৪০০ কোটি টকা দিছিল। সেই ৪০০ কোটি টকাৰে এই আঁচনিটো সম্পূৰ্ণ নহ'ল। এতিয়া ২৭৭ কোটি টকা দিছে তাৰ বাবে মই ধন্যবাদ দিছো। কিন্তু, আজি ১৪ বছৰ হ'ল, যদি চাওঁ, তাজমহল নিৰ্মাণ কৰোতেও বোধহয় ১৪ বছৰ লগা নাছিল। আজি এই পানী যোগান আঁচনিটো ১৪ বছৰতো নহ'ল। গতিকে, মই আশা ৰাখিছো যে এই পানী যোগান আঁচনিটো অতি সোনকালে সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা ল'ব । দ্বিতীয়তে মোৰ বেলৰ তলৰ যিটো dumping ground, এই কথাটোও মই উল্লেখ কৰি আহিছো। এতিয়া ----------

------interruption------

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, বেলৰ তলত গৈ তেখেতে ইতিমধ্যে চৰজমিন তদন্ত কৰি আহিছে বিষয়াসকলক লৈ আৰু তেখেতে সন্তুষ্টি প্ৰকাশ কৰি আহিছে, কাম পূৰ্ণ গতিত চলি আছে। মই আকৌ কৈছো যে গেমন ইণ্ডিয়াই ভালদৰে কামটো নকৰাৰ কাৰণে তেওঁলোকক foreclose কৰা হ'ল। আশা ৰাখিছো তেখেতৰ কাৰ্য্যকালৰ ভিতৰতে বাকীথকা কামখিনি সম্পূৰ্ণ

হ'ব আৰু তেখেতে সমষ্টিৰ ৰাইজক অৱসৰ লোৱাৰ আগতে কৈ যাব পাৰিব যে মোৰ কাৰ্য্যকালত এই পানী খুৱাব পাৰিম বুলি।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** অধ্যক্ষ মহোদয়, মোক এই ৫ বছৰৰ সময় দি অৱসৰ দিব বিচাৰিছে নেকি, মোৰ অৱসৰ লোৱাৰ সময় হোৱা নাই। মই আৰু ২০ বছৰ কাম কৰিব পাৰিম। অৱসৰৰ প্ৰশ্ন আহিবই নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মন্ত্ৰীয়ে অৱসৰ দিব নোৱাৰে। ৰাইজেহে decide কৰিব। এতিয়া Question No. 90.শ্ৰী ৰেকিবুদ্দিন আহমেদ, অনুপস্থিত। Question No. 91.শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পালো। WPC-PMKSY ত ২০১৭ চনৰ পৰা নলবাৰী জিলাই কিমান টকা পাইছে? ২০২২-২৩ চনত পাইছে আপাৰ পাগলাদিয়াত। কিন্তু ২০২১-২২ চনত এটকাও পোৱা নাই, ২০২২-২৩ তো পোৱা নাই। তাৰোপৰি, মোৰ সমষ্টিত যিকেইটা কামৰ লিষ্ট মই পাইছো সেইবিলাকৰ কোনো existence নাই। ২০২০-২১ ৰ আগত যিকেইটা আঁচনি আছিলে সেইকেইটাৰ কি কাম হৈছে আমি নাজানো, কোন কমিটিয়ে কৰিছে সেইটোও নাজানো। গতিকে সেইটো অলপ পৰীক্ষা কৰক। আজি Public Health য়ে কাম কৰি আছে, পানী কোনোবাই হ'লেও পাইছে। Water Resorce য়ে কৰিছে বা PWD য়ে ৰাস্তাটো বনাইছে, এটা চিন আছে। কিন্তু আপোনাৰ বিভাগে যিবিলাক কাম কৰি আছে তাৰ কোনো চিন নাথাকে।

আপুনি আৰু এটা কথা নিশ্চয় জানিব যে পাগলাদিয়া নদী এতিয়া ভূটানৰ পৰা নামি আহিছে আৰু আহি আহি শেষত মোৰ সমষ্টিৰে গুছি যায়। আজি নলবাৰী চহৰৰ গোটেই পানীখিনি জাহাচেনেল হৈ চালখোৱা নদীৰে সৰু ক্ষেত্ৰী সমষ্টি পায়গৈ। তাৰ পিছত পানীখিনি ওলাই যায়। গতিকে যেতিয়া সেই পুৰনা নদীবোৰ চফা হৈ নাথাকি মেটেকাৰে ভৰি পৰিব তেতিয়া water logging টো বাঢ়ি যায়। গতিকে সেই ক্ষেত্ৰত আপুনি অলপ ব্যৱস্থা লওক।

মই ইমান দীঘলীয়া নকৰো, যিকেইটা আঁচনি পাইছো সেইবিলাকৰ কোনো existence দেখিবলৈ পোৱা নাই। নহ'লে এবাৰ পৰীক্ষা কৰক দৰকাৰ হ'লে যে কি কি আঁচনি তেওঁলোকে ৰূপায়ণ কৰিছে? মই আগতে কৈছোৱেই যে Soil Conservation Department ৰ কাম কৰাৰ কোনো চিন নাথাকে। কেনেকৈ কমিটি কৰি পেলাই পইচা লৈছে বা কেনেকৈ কামটো কৰিছে সেইটো আমি ইয়াত document ত হে দেখিছো। বিশেষ একো গম পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, তাৰ উত্তৰ মই লিখিতভাৱে দিছো আৰু মোৰ যিটো ৰিপোৰ্ট তাত ১০০ শতাংশ সম্পূৰ্ণ হোৱা Departmental যিখিনি Reoprt আহিছে, নলবাৰী জিলাত যিখিনি আঁচনি গৈছিলে সেই সমূহৰ Financial Achievement আৰু Physical Achivement ১০০ শতাংশ সম্পূৰ্ণ হৈছে। ইয়াত যিখিনি অভিযোগ অনা হৈছে, এইখিনি question বুলি মই নধৰো। তেখেতে অভিযোগ আনিছে যেতিয়া মই নিশ্চয় বিভাগীয়ভাৱে তদন্ত কৰিম আৰু আপোনাক জনাবলৈ পাই মই সুখী হম যে ইয়াত কিছুমান নিয়ম -নীতি থাকে, সমিতি গঠন কৰা হয় আৰু সমিতিয়ে এইটো implement কৰে। PMKSY ৰ অন্তৰ্গত আৰু এইটো selec-

tion ৰ ক্ষেত্ৰতো কিছুমান criteria maintain কৰা হয়। Feasibility Report ত ১২ টা মান criteria আছে, এনেকৈ selection কৰা হয়। কিন্তু Soil Conservation ৰ কামবিলাক যিহেতু আমি erosion control কৰো কিন্তু বহু ক্ষেত্ৰত বানপানীৰ কাৰণে কিছুমান ঠাইত ভাঙি যায় বা submerge হৈ যায়। তাৰ কাৰণে হয়তো existence টো হোৱা নাই। কিন্তু এই যিখিনি অভিযোগ আপুনি তুলিছে তাৰ ওপৰত নিশ্চয় বিভাগীয়ভাৱে তদন্ত কৰিম। আপোনাক জনাবলৈ পাই মই সুখী হৈছো যে ২০২১-২২ চনত নলবাৰী জিলাৰ কাৰণে Watershed Development Project ৰ under ত New Generation Scheme এটা চলি আছে আৰু ইয়াৰ project cost টো হ'ল ৮.৪৯ কোটি টকা আৰু ইয়াৰে ১.৭৩ কোটি টকা ইতিমধ্যে sanction কৰা হৈছে। গতিকে আপুনি যিটো অভিযোগ তুলিছে তাৰ ব্যৱস্থা কৰা হ'ব।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে পগলাদিয়া নদী যেতিয়া নামি আহিব সেই পানীখিনি জান বিলাকেদি ওলাই যাব লাগিব। যদি এইবিলাক মেটেকাৰে ভৰি থাকে তেতিয়া পানীটো ওলাই নাযায়। নলবাৰী চহৰত পানী হোৱাৰ কাৰণ সেইটোৱে। জাহাচেনেলটো যদি clean নাথাকে, তেতিয়া পানীটো ওলাই যাব নোৱাৰে আৰু চহৰখন submerge হৈ যায়। গতিকে মই কৈছো যে নলবাৰী জিলাত কিছু পুঁজি দিয়ক আৰু সেইটো আপোনালোকে তদাৰক কৰক যে কেনেকৈ কামটো ভালদৰে কৰিব পাৰি। এই ক্ষেত্ৰত আমাৰ বিধায়কসকলকো কিছু বিশ্বাসত ল'লে ভাল হয় যাতে আমি দুই এটা পৰামৰ্শ দিব পাৰো।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ** মই আপোনাৰ পৰামৰ্শটো নোট কৰি লৈছো। নিশ্চয় মই এই বিষয়ত কম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং -৯২, শ্ৰী আব্দুল ৰহিম আহমেদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। ইয়াত মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে বৰ্তমান চিকিৎসকৰ অলপ অভাৱ আছে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যে আমাৰ হাউলিত যিখন CHC আছে, আমাৰ বৰপেটা সমষ্টিত বৰ্তমান কোনো মডেল hospital নাই আৰু FRU লৈ উন্নীতকৰণ কৰাৰ কাৰণে ৫ লাখ জনসংখ্যাতকৈ অধিক হ'ব লাগে বুলি আপুনি জনাইছে। কিন্তু আমাৰ হাউলি CHC খনৰ সাঙুৰি লোৱা যিটো প্ৰস্তাৱিত এলেকা আছিল তাৰ বাহিৰেও আমাৰ বৰপেটা ৰোড FRU আৰু বৰপেটা মেডিকেল কলেজ যদিও হাউলিৰ পৰা ১০ আৰু ১৫ কিঃ মি ৰ ভিতৰতেই আছে, তথাপিও এটা বৃহৎ অঞ্চল যিখিনি BTAD ত পৰিছে উত্তৰ হাউলি, দক্ষিণ হাউলি, পূৱ হাউলি, পশ্চিম হাউলি, VCDC আৰু হাউলিৰ এই আশে পাশে থকা ৫-৭ খন সৰুক্ষেত্ৰী আৰু ভৱানীপূৰৰ একাংশ GP আমাৰ হাউলি কেন্দ্ৰীক। গতিকে এইখিনি হিচাপ কৰিলে ৫ লাখতকৈ অধিক জনসংখ্যাক সাঙুৰি ল'ব আৰু হাউলিত কিছুমান বিশেষজ্ঞ, চিকিৎসক নিয়োগ কৰাটো অত্যন্ত প্ৰয়োজন। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে যিকোনো পৰ্য্যায়ত যিহেতু আমাৰ মডেল hospital খনো নাই, মেডিকেল কলেজ যদিও আছে, গোটেই নামনি অসমৰ patient তাতে আহে। বৰপেটা ৰোডৰ গোটেই উত্তৰাঞ্চলৰ patient সমূহ আমাৰ বৰপেটা ৰোড FRU ত আহে। গতিকে অত্যন্ত ভীৰ হয়, ভাল চিকিৎসা নাপায়। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে হাউলিত হয় কেইজনমান বিশেষজ্ঞ, চিকিৎসক নিয়োগ কৰাৰ ব্যৱস্থা কৰক আৰু অতি কম সময়ৰ ভিতৰত

CHC ত FRU লৈ উন্নীতকৰণ কৰাৰ কাৰণে চেষ্টা কৰক।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাউলিখন এখন গুৰুত্বপূৰ্ণ ঠাই। ইয়াৰ চাৰিওফালৰ পৰা গুৰুত্ব আছে। সেইকাৰণে আমি এই কথাটো বিচাৰ বিবেচনা কৰি আছো যে এইখন FRU লৈ লৈ যাব পাৰি নেকি। মই ইয়াত পোনপটীয়া প্ৰতিশ্ৰুতি বুলি কৈ নিদিওঁ কিন্তু এইটো চেষ্টা কৰিম FRU হোৱাৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা অনুৰোধ আছে। সময় নাই কাৰণে মই বহলাই কোৱা নাই। আমাৰ ডাক্তৰসকলে যি পবিত্ৰ সেৱাত ব্ৰতী হৈ আছে, তেওঁলোকে attachment ত বিভিন্ন ভাল ঠাইত থাকিব খোজে।

**মাননীয় অধ্যক্ষ ঃ** Question hour is over.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা কথা আছে। আজি পুনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা পিছুৱাই দিছে আৰু Maths ৰো প্ৰশ্নকাকত leak হোৱা বুলি ওলাই আছে। গতিকে গোটেই প্ৰশ্নকাকত সমূহে leak হৈছে নেকি এই বিষয়ত চৰকাৰৰ পৰা জানিব বিচাৰিছো নে পৰীক্ষা পুনৰ পাতিবলগীয়া হ'ব নেকি?

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে সদনত বক্তব্য ৰখাৰ পাছত মই বক্তব্য ৰাখিব লাগে বুলি প্ৰয়োজন অনুভৱ কৰা নাই। কিন্তু আকৌ কৈছো যে এইটো অত্যন্ত গৰ্হীত কাম হৈছে আৰু দোষীক কৰায়ত্ব কৰা হ'ল। আগতেও এনে ধৰণৰ প্ৰশ্নকাকত leak হৈছিলে। কিন্তু তিনিদিনৰ ভিতৰত দোষীক কৰায়ত্ব কৰাৰ নজিৰ নাছিলে। গতিকে আমি খুৱ seriously কৰিছো আৰু ব্যক্তিগৰাকীয়ে স্বীকাৰো কৰিছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাইস্কুলৰ মেট্ৰিক পৰীক্ষা যিটো চলি আছে বিজ্ঞান বিষয়ৰ পেপাৰ লীক হোৱা বুলি খবৰ ওলাইছে। অংকৰ পেপাৰ লীক হৈছে। গোটেই বিষয়ৰে পেপাৰবিলাক লীক হ'ল নেকি এইটো আমি চৰকাৰৰ পৰা জানিব বিচাৰিছো । পুনৰ সকলো বিষয়ৰে পৰীক্ষা পাতিব লাগিব নেকি মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, যোৱাকালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত এই বিষয়ে বক্তব্য ৰখাৰ পিচত মই বক্তব্য ৰাখিব লাগে বুলি প্ৰয়োজন অনুভৱ কৰা নাই । কিন্তু আকৌ কৈছো অত্যন্ত গৰ্হিত কাম হৈছে । দোষীক কৰায়ত্ব কৰা হৈছে। আগতেও এনেকৈ লীক হয় কিন্তু দোষী কৰায়ত্ব হোৱাৰ নজিৰ নাছিল গতিকে আমি খুৱ চিৰিয়াচলি কৰিছো আৰু ব্যক্তিগৰাকী স্বীকাৰো কৰিছে। এনেকুৱা যাতে ভৱিষ্যলৈ নহয় তাৰ বাবে অতি সতৰ্ক ব্যৱস্থা লোৱা হ'ব । অতি কঠোৰ পদক্ষেপ হাতত লোৱা হ'ব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ পিচত এটা ঘটনা হৈছে । গতিকে কথাটো আৰু গভীৰভাবে ল'লে ভাল হয় ।

বাদ বিবাদ- কথাৰ কটাকটি

**মাননীয় অধ্যক্ষ ঃ** কমল্যক্ষ দে পুৰকায়স্থ ডাঙৰীয়া আপুনি বহক..... তৰ্ক কৰিব নালাগে ...... বিভাগীয় মন্ত্ৰীয়ে ৰিপ্লাই দিব বিচাৰিছে । এইটো চিৰিয়াচ কথা সকলোৰে বাবে - মন্ত্ৰীক ক'বলৈ দিয়ক।

**ডাঃ ৰণোজ পেগু(শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি সদনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেই কেচটোত দোষীক চিনাক্তকৰণ কৰাৰ সম্ভেদ দিছিল। পিছত আৰক্ষীয়ে মুখ্যমন্ত্ৰীক জনায় যে, অভিযুক্তজনে স্বীকাৰ কৰিছে যে তেখেতে বিজ্ঞানৰ প্ৰশ্ন কাকত আগতীয়াকৈ উলিয়াই নিছিল । তাৰ লগতে তেওঁ এইটোও ষ্টেটমেন্ট দিয়ে যে, তেওঁ অসমীয়াৰ প্ৰশ্ন কাকতখনো নিছিল যিখন তেওঁ জ্বলাই দিছে । গতিকে কোনোধৰণৰ সন্দেহৰ অবকাশ নাৰাখি যাতে নিয়াৰিকৈ পৰীক্ষা অনুষ্ঠিত কৰিব পৰা যায় তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই টুইটযোগে সেবাক পৰামৰ্শ আগবঢ়ায় যে অসমীয়া বিষয়ৰ পৰীক্ষাও ৰিচিডুইল কৰিব লাগে । এম আই এল চাবজেক্টসমূহৰ লগত ইংৰাজী অলটাৰনেটিভ ইংলিছৰ পৰীক্ষা ১৮ তাৰিখে অনুষ্ঠিত কৰাৰ কথা আছিল । সেবাই ১৮ তাৰিখে অনুষ্ঠিত হ'ব লগা এই পৰীক্ষা এম আই এল আৰু অলটাৰনেটিভ ইংলিছৰ পৰীক্ষা ৰিচিডুইল কৰাৰ কথা ঘোষণা কৰে । আজি তাৰ নতুন দিনসূচী ঘোষণা কৰিব। যিহেতু আমাৰ বিজ্ঞানৰ পৰীক্ষা এটা বেলেগ তাৰিখত অনুষ্ঠিত হ'ব । এম আই এল উইথ অলটাৰনেটিভ ইংলিছ বেলেগ এটা দিনত অনুষ্ঠিত হ'ব । ধন্যবাদ ।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** কথাটো ক্লিয়েৰিটিৰ কাৰণে আপুনি প্ৰেছ কনফাৰেন্স কৰি জনাব লাগে। কাৰণ যিসকল ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিবলৈ ৰৈ আছে তেওঁলোক কনফিউজনত আছে । গতিকে ক্লিয়েৰলী কওক যে এইকেইটা পৰীক্ষা হৈ গ'ল চিন্তা কৰিব নালাগে। যিকেইটা বিষয়ৰ প্ৰশ্নকাকত লীক হৈছে সেইকেইটাহে এই এই নিৰ্দ্ধাৰিত দিনকেইটাত হ'ব। নহ'লে বাহিৰত ওলাই আছে যে গোটেই কেইটা বিষয়ৰে আকৌ পৰীক্ষা হ'ব নেকি
এই কনফিউজনটো ক্লিয়েৰ কৰিব লাগে ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাকী পৰীক্ষাসমূহৰ কোৱেশ্চন পেপাৰ লীক হৈছে বুলি কোনো তথ্য আমাৰ হাতত নাই । আৰক্ষীও আমাক জনোৱা নাই । আৰক্ষীৰ তদন্তত এইটো আহিছে যে বিজ্ঞানৰ লগতে অসমীয়া বিষয়ৰ প্ৰশ্নকাকত এই অভিযুক্ত শিক্ষকজনে উলিয়াই নিছিল গতিকে আমি বিজ্ঞানৰ লগতে অসমীয়াৰো পুনৰ পৰীক্ষা পাতিবলৈ সিদ্ধান্ত লৈছো। বাকী বিষয়বিলাকৰ ক্ষেত্ৰত একো কথা অহা নাই গতিকে আমি এনেকুৱা সিদ্ধান্ত লোৱা নাই ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ - এতিয়া অসম বিধান সভাৰ চলিত বাজেট অধবেশনত ২০২৩-২৪ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সময় আবন্টন আৰু দাবী মঞ্জুৰীৰ বাবে দাবীসমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে ১৬ মাৰ্চ, ২০২৩ তাৰিখে বিএচিৰ এখনি বৈঠক অনুষ্ঠিত হয় । সভাত বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সময় আবন্টন তলত দিয়া ধৰনে কাৰ্য্যকৰী কৰা সিদ্ধান্ত গ্ৰহণ কৰা হয় । বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনেধৰণৰ। সৰ্ব্বমুঠ সময় হ'ব সাত ঘন্টা উত্তৰসহ। ভাৰতীয় জনতাপাৰ্টী- ২১০ মিনিট, ভাৰতীয় জাতীয় কংগ্ৰেছ- ৯০ মিনিট , অসম গণ পৰিষদ- ৩০ মিনিট, সৰ্ব্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা- ৫০ মিনিট, ইউনাইটেড পিউপিলছ পাৰ্টী লিবাৰেশ্যন- ২৩ মিনিট, বড়োলেণ্ড পিউপিলছ ফ্ৰন্ট- ১০ মিনিট, কমিউনিষ্ট পাৰ্টি অৱ ইণ্ডিয়া - ৩.৫ মিনিট , নিৰ্দলীয় ৩.৫ মিনিট । সময়টো বাজেটৰ সাধাৰণ আলোচনাৰ বাবে ১৭ মাৰ্চ, ২০২৩ আজি তিনি ঘন্টা আৰু ২০ মাৰ্চ, ২০২৩ তাৰিখে চাৰি ঘন্টা সময় নিৰ্দ্ধাৰণ কৰে । নিম্নোলিখিত দাবী মঞ্জুৰীসমূহৰ অগ্ৰাধিকাৰ ভিত্তিত ২৯ আৰু ৩০ মাৰ্চ, ২০২৩ তাৰিখে সদনত আলোচনা কৰিবলৈ সময় সিদ্ধান্ত গ্ৰহণ কৰে । বিষয়টো হ'ল ক্ৰমিক নং- ১ , মঞ্জুৰী নং- ৫৭ পঞ্চায়ত ও গ্ৰামোন্নয়ন দাবীৰ নাম আৰু ৪৫ সামাজিক নিৰাপত্তা ও

কল্যাণ আৰু পুষ্টি সাধন আৰু ৬৫ পৰ্যটন । এই দাবী মঞ্জুৰী সমূহৰ ওপৰত আলোচনা কৰাৰ মুঠ সময়টো সৰ্ব্বমুঠ - ৬ ঘন্টা ৩০ মিনিট। ভাৰতীয় জনতা পাৰ্টি ২ ঘন্টা ২ মিনিট, ভাৰতীয় জাতীয় কংগ্ৰেছ- ৮৬.৬৭ মিনিট, অসম গণ পৰিষদ-২৮.৮৯ মিনিট, সৰ্ব্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা-৪৮.১৫ মিনিট, ইউনাইটেড পিপুলছ পাৰ্টী লিবাৰেশ্যন-২২.৪৭ মিনিট, বড়োলেণ্ড পিপুলছ ফ্ৰন্ট - ৯.৬৩ মিনিট, কমিউনিষ্ঠ পাৰ্টী অৱ ইণ্ডিয়া- ৩.২১মিনিট, নিৰ্দ্দলীয়- ৩.১ মিনিট । সমিতিয়ে অহা ৩ এপ্ৰিল, ২০২৩ তাৰিখে নিয়ম ৫০ ৰ অধীনত শিক্ষা বিভাগৰ ওপৰত লাভ কৰা জাননীখনৰ ওপৰত আলোচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে । যিটো মেট্ৰিক পৰীক্ষাৰ বিষয়ে, আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে। এতিয়া শূন্যকালীন ঘন্টা, মই শ্ৰীদিগন্ত বৰ্মনক ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ পাৰ্টীৰ নামটো শুদ্ধ কৰিলে ভাল পাম।

**শ্ৰীজয়ন্ত বসুমতাৰী, (চিদলী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ পাৰ্টী নামটোও শুদ্ধ কৰিব লাগে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ নামটোও ভুল হয় সদায়, খান বুলি কয়

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে এতিয়াই সকলোখিনি শুদ্ধ কৰা হ'ব - এতিয়া দিগন্ত বৰ্মন ।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১১ মাৰ্চ তাৰিখে 'আমাৰ অসম' বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছিল যে, "অসমত পাৰাৰলুম গামোচা নিষিদ্ধ, গুজৰাটত হাঁহাকাৰ, ফাঁচী বজাৰৰ গুদামত বন্দী চুৰাটৰ গামোচা । " এইটো মই আনিছিলো কিন্তু আজি আহিলে তাৰ বাবে অধ্যক্ষ মহোদয় আপোনাক ধন্যবাদ দিছো । কথাটো হ'ল- গামোচাখন হৈছে আমাৰ অসমীয়াৰ আত্মসন্মান । এই গামোচা সম্পৰ্কত ছাৰ এডোৱাৰ্ড গেইটৰ এ হিষ্টৰী অৱ আসামত- উল্লেখ কৰা আছে যে, ১৮ শ শতিকাৰ বহু আগৰ পৰাই আমাৰ এই গামোচা চলি আছে। সেই সময়ত কোৱা হৈছিলে যে এখন গামোচাৰ মূল্য পাঁচ পইচা আছিলে আনকি ইতিহাসবিদ লীলা গগৈ ডাঙৰীয়াইও কৈছে যে আহোম সাম্ৰাজ্যৰ সময়তো গামোচাৰ প্ৰচলন আছিলে । মহাপুৰুষ শংকৰদেৱৰ সময়তো গামোচাৰে প্ৰচলন আছিলে আৰু সেই সুত্ৰে আমি আজিও নামঘৰৰ থাপনাত বা মন্দিৰৰ থাপনাত গামোচা থওঁ ।

অধ্যক্ষ মহোদয়, আমি এটা ভাল পাইছো যে যোৱা ২০২২ চনৰ ডিচেম্বৰ মাহত বস্তুৰ ভৌগলিক উভৰদৈ খন পঞ্জীয়ন তথা সংৰক্ষণ অধিনিয়ম অনুসৰি গামোচাই জি আই টেগ ত অন্তৰ্ভূক্ত হৈছে। কথা হ'ল গামোচা বুলি কোৱাৰ লগে লগে নামনি অসমত আমি গামোচাক মোক্‌চা বুলি কওঁ। আৰু বৰপেটাৰ ফালে কিছুমানে দুহেতা বুলি কয়। আৰু বিভিন্ন নামেৰে জনা যায়। হেমচন্দ্ৰ বৰুৱাই কৈছিল যে গাঁ ধুই পানী শুকুৱা কাপোৰ, তেখেতে তামোল বন্ধা বা মূৰত লোৱা সৰু কাপোৰকে গামোচা বুলি কৈছে। গামোচা সম্পৰ্কে শদিয়াতো বিভিন্ন মত পাইছোঁ। যে গাত লৈ ফুৰালে বতাহে ফালিব, মুঠিত লৈ ফুৰাহে ভাল, এয়া যে বাছিলো সেউতি মালতি এয়া যে বাচিলো ফুল। এয়া যে বাচিলো বাঘে ভালুকে বাতে মানুহ ধৰি খায়। এয়া যে বাচিলো চৰাই হালধীয়া উৰি শদিয়ালৈ যায়। গামোচাৰ কথাত আৰু বহু কথা আছে। যে আমি গামোচা বুলি কলে বহুত গামোচা পাওঁ। পানী গামোচা আছে, তামোল গামোচা, বিহুৱান, ফুলাম গামোচা, ফুতটি গামোচা, কমৰ বন্ধা গামোচা আৰু এটা বিশেষ গামোচা আছে সেইখনক আনাকাটা গামোচা বুলি কয়। আমাৰ গাঁৰৰ দৰা সকলে

বিয়া কৰাবলৈ যাওঁতে এই গামোচা ব্যৱহাৰ কৰে। এই গামোচা খনৰ দুয়োটা মূৰ নাকাটে। সেই কাৰণে কৈছো ছাৰ, যে আমি অসমীয়াই যে ব্যৱহাৰ কৰো, সেইটো নহয় আমি সকলোৱে অসমীয়া। অসমত থকা সকলো জনগোষ্ঠীয়ে গামোচা ব্যৱহাৰ কৰে। নাম বেলেগ বেলেগ থাকে। বড়ো সকলে আৰ্নাৰ বুলি কয়, কছাৰী সকলে হালধীয়া ৰঙৰ, ৰাভাই ৰঙা, চুতীয়াই বগা, দেউৰীয়ে বগা ৰঙৰ গামোচা ব্যৱহাৰ কৰে। এই গামোচা সম্পৰ্কে যেতিয়া কিছুমান আমি অন্য কথা শুনো যে আমাৰ গামোচাৰ যিটো আত্মসন্মান সেই আত্মসন্মান নাইকীয়া হ'বলৈ গৈ আছে, গমোচা বাহিৰৰ পৰা আহি আছে। মই ছাৰ, যোৱা বিধান সভাত ৫-৮-২০২১ ত মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন কৰিছিলোঁ। প্ৰশ্নটো আছিল যে অসমত গামোচা বাহিৰৰ পৰা অহাতো মানে আমদানিটো বন্ধ কৰিব নেকি? তেতিয়া মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে, সেইটো চাব পাৰিব, Question no. 172. আজি প্ৰায় ডেৰ বছৰ হৈ গ'ল। এতিয়া চৰকাৰে initiative লৈছে, মই ভাল পাইছো। কিন্তু কথাটো হ'ল এই যিটো প্ৰশ্ন ইয়াত আহিল সেইটোত আমি অলপ দুখ পাইছো। যে আজি ইমান দিন আগৰ পৰাই এইবিলাক চলি আছে, বাহিৰৰ গামোচা ফাঁচী বজাৰত মজুত হৈ আছে, পেপাৰত লিখিছে আনকি মাননীয় মুখ্যমন্ত্ৰীৰ নামটোও ইয়াত সংযুক্ত হৈ আছে। কাৰণ গুজৰাটৰ পৰা হস্তক্ষেপ কৰা বুলি কৈ আছে। মই সেইবিলাক ক'বলৈ নাযাঁও। মই এটা কথা কৈছো যে বাহিৰৰ পৰা যিবিলাক গামোচা ইয়ালৈ আহি আছে সেই ক্ষেত্ৰত বিভাগটো কঠোৰ হ'ব লাগে। আনকি চৰকাৰে কাজিৰঙাত গঁড়ৰ খৰ্গ জ্বলাই মানুহক দেখাইছিল কি বুলি যে কোনেও গড়ৰ খৰ্গ চোৰ নকৰিবা, চোৰাং চিকাৰী সকলক সকিয়নী দিছিল যে খৰ্গ বিলাক পুৰি দিয়া হ'ল। পানীখাইটিত ড্ৰাগ্‌ছ বিলাক জ্বলাই দিয়া হৈছে, কিয় দিছে কাৰণ মানুহে ভাবিব যে ড্ৰাগ্‌ছৰ বেপাৰ কৰিলে চৰকাৰে জ্বলাই দিব। মই এটাই কথা কবলৈ বিচাৰিছো যে যিবিলাক গামোচা বাহিৰৰ পৰা আহি এতিয়াও বন্দি হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মই ফাচী বজাৰ বুলি কোৱা নাই। সেই বিলাক গামোচা বিভাগে cease কৰি ধ্বংস কৰি দিব লাগে। যাতে অসমীয়া শিপিনী সকলে গামোচা বৈ দুই এপইচা income কৰিব পাৰে। মই এইটো কথাকে ডিমাণ্ড কৰিছো যে মাননীয় মন্ত্ৰী মহোদয়ে অতি শীঘ্ৰে message এটা দিয়ক। বিহু আহি আছে। মই আৰু এটা অনুৰোধ কৰিব বিচাৰিছো, শিপিনী সকলক অলপ সূতা দিয়াৰ ব্যৱস্থা কৰক। আজিকালি শালৰ শব্দাটো খুব কমকৈ শুনো। বাহিৰৰ গামোচা অহাৰ বাবে। সেইবাবে সূতা দিয়ক। সূতা পালে শিপিনীসকলে শাল ব'ব। এই ক্ষেত্ৰত এটা statement দিয়ক, এইখিনিয়ে মই অনুৰোধ কৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ হ'ব হ'ব, ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীইউ জি ব্ৰহ্ম (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আজি সন্মানীয় বিধায়কে যিটো বিষয় উত্থাপন কৰিছে যথেষ্ট অসমীয়া মানুহৰ আবেগৰ লগত জড়িত আৰু চৰকাৰ এই বিষয়ত যথেষ্ট সচেতন। আমাৰ অসম বাতৰি কাকতৰ যিটো বাতৰি সেইটো আমাৰো দৃষ্টিগোচৰ হৈছে। ইয়াত দুটা কথা দেখিবলৈ পাইছো যে ইয়াত যি ৰিপোৰ্ট দিছে, লিখা আছে যে অসমীয়া গামোচাৰ কাৰণে চিন্তা ব্যক্ত কৰিছে, সমানে সমানে চুৰাটৰ ব্যৱসায়ীসকলৰ কাৰণেও এই চিন্তা ব্যক্ত কৰিছে। দুয়োটা বিষয়ত চিন্তিত, কোনটো কিমান seriously লৈছে আমি ধৰিব পৰা নাই। কাৰণ চুৰাটৰ ব্যৱসায়ী সকলে সন্মুখীন হোৱা সমস্যা সম্পৰ্কেও যথেষ্ট উল্লেখ কৰিছে। আমাৰ বিভাগৰ তৰফৰ পৰা আজিলৈকে ১৬ হাজাৰ গামোচা জব্দ কৰিছোঁ যোৱা এপ্ৰিল মাহৰ পৰা। কিন্তু ইয়াত এটা নিয়ম আছে, সেইটো testing হৈ ওলাব। অসমত lab testing নাই আৰু কলিকতাত পঠিয়াব লাগে। আজিকালি কলিকতাৰ পৰা

testing ৰিপোৰ্ট বিলাক নাহে। ইয়াতে আমি অলপ public analysis ৰ ওপৰতে সিদ্ধান্ত ল'বলগীয়া হয়। ১৬ হাজাৰ গামোচা এতিয়াও আমাৰ হাতত আছে আৰু আমাৰ message টো খুব clear, আমাৰ জিলা ভিত্তিত District levelতে DC সকলৰ নেতৃত্বত Committee গঠন কৰো আৰু বিভাগৰ ফালৰ পৰা প্ৰসাৰিত identificationৰ ক্ষেত্ৰত। মুখ্যমন্ত্ৰী মহোদয়ে যিটো নিৰ্দ্দেশ দিছে, ইয়াত কোনো সাল-সলনি হোৱা নাই, that will be enforce and implemented very strongly, message টো খুব clear আৰু loud যে আমি compromise নকৰো কেতিয়াও আজিও জিলা ভিত্তিত তাৰ against ত operation বিলাক চলি আছে। ফাচী বজাৰৰ সমস্যা ইয়াত হয়তো সন্মানীয় বিধায়কে জানে polyester blended গামোচা, মেখেলা চাদৰক লৈ Gauhati High Court ৰ পূৰ্বৰ পৰা এটা judgement আছে। ইয়াত এই বিষয়ে বিতংকৈ কবলৈ মই বিচৰা নাই, কিন্তু আমি বিচাৰো যে মেখেলা চাদৰ বুলি নাম লোৱাৰ লগে লগে এইটো handloom reservation, article of production এই Act ৰ অধীনত পৰি যাব। ইয়াত বেলেগ interpretation Gauhati High Court ৰ এটা সময়ত গৈছিল, এই কাৰণে কিন্তু আমি ৰৈ থকা নাই, ফাঁচী বজাৰতো ৰেড চলিব, কিন্তু ফাচী বজাৰত গুদাম বুলি যিটো লিখা হৈছে, কিন্তু বহুত গুদাম ফাঁচী বজাৰৰ ভিতৰত নাই। ফাঁচী বজাৰৰ বাহিৰত আছে। সেইটো identify কৰিব লাগে আৰু এই বিভাগে এতিয়ালৈকে কোনো সংগঠনৰ পৰা লিখিত ভাৱে representation ও পোৱা নাই, অভিযোগো পোৱা নাই যে তেনে ধৰণৰ ঘটনা যে ঘটি আছে। কিন্তু এটা Textile Merchant Association ৰ পৰা আমাৰ বিভাগৰ Director ক লগ কৰি polyester blended মেখেলা চাদৰ বিক্ৰী কৰিবলৈ অনুমতি দিবলৈ request এটা দিছিল, মই জানো Director য়ে মোক জনাইছে। কিন্তু আমাৰ ডাইৰক্টৰ আৰু আমাৰ বিভাগে এইটো নাকচ কৰি পঠিয়াইছো, আমি ইয়াত exemption দিবৰ কাৰণে। গতিকে এই operation টো চলিয়ে থাকিব আৰু সন্মানীয় বিধায়কে যিটো advice দিছে এইটোৰ ওপৰত এটা সিদ্ধান্ত ল'ব লাগিব আৰু আমি Government হিচাপে এটা সিদ্ধান্তত আহিব লাগিব, তাৰ কাৰণে আজি প্ৰতিশ্ৰুতি দিয়া technically অসুবিধা, thank you.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ মাৰ্চ তাৰিখে দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত নিউজ পেপাৰত দিয়াৰ সত্বেও চোৰাং পথৰে অসমত প্ৰৱেশ বহিঃৰাজ্যৰ ব্ৰইলাৰ কঢ়িওৱা গাড়ীৰ।ব্ৰইলাৰ মুৰ্গীৰ বাহনক লৈ শ্ৰীৰামপুৰত চিণ্ডিকেট শীৰ্ষক বাতৰিটো আপোনাৰ জৰিয়তে মই চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। আৰু এই বাতৰিত উল্লেখ কৰা অনুসৰি সম্প্ৰতি বিহাৰ, ঝাৰখাণ্ড আৰু পশ্চিমবংগ আদি ৰাজ্যত EVM influencer ৰ মাৰাত্মক সংক্ৰমণ ঘটিছে বুলি বাতৰিত পোৱা গৈছে আৰু সেই EVM influencer ৰ তাত যিবিলাক ব্ৰইলাৰ ফাৰ্মত আক্ৰান্ত হৈছে, সেই ব্ৰইলাৰসমূহ অসমত আমদানি কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ পশুপালন আৰু পশুচিকিৎসা বিভাগে ইতিমধ্যে নিষেধাজ্ঞা জাৰি কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, তাত যিবিলাক ব্ৰইলাৰ বেমাৰত আক্ৰান্ত হৈছে, সেই ব্ৰইলাৰ সমূহ অসমত আমদানি কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে ইতিমধ্যে নিষেধাজ্ঞা জাৰি কৰিছে। বিহাৰ, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ পৰা ব্ৰইলাৰ গাড়ী সমূহ অসমত সোমাব নোৱাৰে। ইয়াক ভাল পদক্ষেপ হৈছে, এইটো আদৰণি জনাইছো। সেই অনুসৰি অসম - বংগ সীমান্তত চেকপোষ্ট বহুওৱা হৈছে, যাতে বাহিৰৰ পৰা ব্ৰইলাৰৰ গাড়ী আহে তাৰ পৰা ঘূৰাই

পঠিওৱা হয়। ইতিমধ্যে বহুত গাড়ী ঘূৰাই পঠিওৱা হৈছে। কিন্তু দেখা গ'ল শিমলুতাপ পুলিচৰ নিৰীক্ষণ চকী থকাৰ কাৰণে কিছুমান চিণ্ডিকেট চক্ৰ ওলাই গৈছে, যি বিলাকে গাড়ী বিলাক ৰাষ্ট্ৰীয় ঘাইপথৰে আহিব নিদি কনোৱা ভিতৰৰ গাঁওৰ মাজেৰে সেই গাড়ীসমূহ টকা লৈ পাৰ কৰাই দিয়ে। শিমলুতাপ পুলিচৰ নিৰীক্ষণ চকীত যি সমূহ আৰক্ষী নিযোগ কৰিছে তেওঁলোকে কিন্তু গম পোৱা নাই। এই কথাটো প্ৰকাশ হোৱা নাছিল, পুলিচৰ নিৰীক্ষণ চকীত গম নোপোৱাকৈ আহে, এই কথাটো ধৰাত পৰিল ২ দিন মান আগতে। এখন গাঁওৰ ভিতৰেদি আহি থকা দুখন ব্ৰইলাৰ ভৰ্তি গাড়ীৰ যেতিয়া দুৰ্ঘটনা হ'ল আৰু গভীৰ ৰাতি গাড়ী বিলাক পাৰ কৰে। দুৰ্ঘটনাত পতিত মিনি ট্ৰাকখন পৰি আছে তাৰ পিছত তাত থকা স্থানীয় ৰাইজে শিমলুতাপত তথা নিৰীক্ষণ চকীত খবৰ দিলে আৰু তেখেত সকলো আহিল। গাড়ী বিলাক যিহেতু বহিঃৰাজ্যৰ পৰা আহিছিল, তেতিয়া কথাটো ওলাই পৰিছিল যে এটা দুষ্টচক্ৰই টকাৰ বিনিময়ত এনেকৈ Avian Influenza আক্ৰান্ত বা সন্দেহজনক ব্ৰইলাৰ গাড়ী বিলাক অসমত পাৰ কৰি আছে। গতিকে এই কথাটো ভয়াৱহ কথা। অসমৰ জনসাধৰণৰ স্বাস্থ্যৰ লগত জড়িত গুৰুত্বপূৰ্ণ কথা। অসমত যি সকলৰ ব্ৰইলাৰ ফাৰ্ম আছে। হাঁহ, কুকুৰা পালন কৰা অসমৰ থলুৱা যিসকল উৎপাদন কাৰী আছে, তেওঁলোকে মাৰ খায়। বাহিৰৰ পৰা ব্ৰইলাৰৰ গাড়ী বিলাক আহে, তেতিয়া হয়টো সঠিক পইচা নাপায়, তেতিয়া সেই কামটো কৰিবলৈ এৰি দিয়ে। বাহিৰৰ পৰা আমদানি বন্ধ কৰিব পাৰো, তেতিয়া হ'লে Avian Influenza আক্ৰান্তৰ পৰা অসম বাছি গ'ল আৰু অসমৰ থলুৱা লোক সকল অধিক উপকৃত হ'ব। যেনেকৈ অন্ধপ্ৰদেশৰ পৰা আজিকালি মাছ বহুত বন্ধ হৈছে, অসমত থলুৱা লোক সকলে যাতে উপযুক্ত মূল্যটো পায়। এই কথাটোত চৰকাৰ অধিক কঠোৰ হ'ব লাগে। এইটো মই আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী। শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য অসম বিধান সভাৰ আমিনুল ইছলাম ডাঙৰীয়াক ধন্যবাদ জনাইছো। এটা গুৰুত্বপূৰ্ণ বিষয় শূণ্যকালীন ঘন্টাত আলোচনাৰ বাবে তেখেতে উত্থাপন কৰিছে। আজি কিছুদিনৰ আগতে ৬ তাৰিখে আমি বিভাগৰ ফালৰ পৰা নিৰ্দেশ জাৰি কৰিছিলো। বাহিৰৰ পৰা যিবিলাক ব্ৰইলাৰ গাড়ী আহে, সেই বিলাক বন্ধ কৰা হ'ব। আমাৰ ৰাজ্যখনৰ যিবিলাক ফাৰ্মাৰ আছে, পূৰ্বৰ তুলনাত বহুত বেছিকৈ উৎপাদন কৰিছে। এই ক্ষেত্ৰত ৰাজ্যখন আত্ম নিৰ্ভৰশীল হৈছে। বাহিৰত বৰ্তমান সময়ত দেখা গৈছে যে, ঝাৰখণ্ড আৰু বিহাৰত Avian Influenza মাৰাত্মক এটা ব্যাধি আৰু এইটো ব্যাপক ৰূপত সংক্ৰমিত হৈছে। আমাৰ ৰাজ্যলৈ যাতে সংক্ৰমিত হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আমি তেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিছিলো। আমি বাতৰি কাকতত এইটো পোৱাৰ পিছতে অনুসন্ধান কৰিছিলো, আচলতে কোনো ব্ৰইলাৰ গাড়ী ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে অসমত প্ৰৱেশ কৰা নাই। অসম চৰকাৰৰ নিৰ্দেশ আছে নম্বৰ 280968/A-dated Dispur 6th March, 2023 ৰ মৰ্মে গোঁসাঁইগাওঁ আৰক্ষী প্ৰশাসন আৰু গোঁসাঁইগাঁও মহকুমা পশুপালন আৰু পশুচিকিৎসা বিভাগৰ যুটীয়া প্ৰচেষ্টাত ১১-০৩-২০২৩ তাৰিখৰ পৰা অসম-বংগ সীমান্তত পাকৰিশুই গাঁওত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথত দিনে-নিশাই কৰ্তব্যৰত হৈ আছে। এই ক্ষেত্ৰত গৃহ বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে গৃহ বিভাগৰ ফালৰ পৰা নিৰ্দেশ জাৰি কৰিছে। আমিও এই কথা গৃহ বিভাগক অৱগত কৰিছো। কোনো ব্ৰইলাৰ ভৰ্তি গাড়ী উক্ত পথেৰে অসমত প্ৰৱেশ কৰিব পৰা নাই আৰু সদায় অহা গাড়ী বিলাক লগে লগে লগে পশ্চিবংগত পাৰ কৰি দিয়া হয়। যোৱা ১৪-০৩-২০২৩ তাৰিখৰ

দোভাগ ৰাতি দুখন ব্ৰইলাৰ ভৰ্তি গাড়ী বংগৰ মাজেৰে ভিতৰুৱা ৰাস্তাৰে অসমত প্ৰৱেশ কৰাৰ চেষ্টা কৰে, কিন্তু আৰক্ষীৰ হাতত ধৰা পৰে আৰু মূল ৰাস্তালৈ লৈ আহে। আৰক্ষীৰ সহযোগত গাড়ী দুখন ঘূৰাই পঠিওৱা হয়। তাৰ পিছত কোনো গাড়ী ভিতৰৰ ৰাস্তাৰে প্ৰৱেশ কৰা নাই। ১১-০৩-২০২৩ তাৰিখে ৫ খন, ১২-০৩-২০২৩ তাৰিখে ৮ খন, ১৩-০৩-২০২৩ তাৰিখে ৭ খন আৰু ১৪-০৩-২০২৩ তাৰিখে ৫ খন গাড়ী ঘূৰাই পঠিওৱা হৈছে। ১৫-০৩-২০২৩ তাৰিখে অসমৰ শালাকুৰা অঞ্চলৰ পৰা ৩ খন ব্ৰইলাৰ ভৰ্তি গাড়ী গ্ৰহামপুৰ আৰক্ষীয়ে জব্দ কৰে। সঠিক অনুসন্ধানৰ বাবে গাড়ী ৩ খন এতিয়াও অসমবংগ সীমান্তত ৰখাই থোৱা আছে। এই ক্ষেত্ৰত আৰক্ষী অধীক্ষক কোকৰাঝাৰ, অতিৰিক্ত উপায়ুক্ত কাৰ্য্যালয় কোকৰাঝাৰৰ পৰা পোৱা বিতং প্ৰতিবেদনৰ প্ৰতিলিপি সংলগ্ন কৰা হৈছে। সমগ্ৰ বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে, চোৰাং সৰবৰাহকাৰীৰ বিৰুদ্ধে সকলো ধৰণৰ আইনী ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব। ইয়াৰ উপৰিও সন্মানীয় সদনক মই জনাই থ'বলৈ পালে আনন্দিত হ'ম যে, African Swine Flu ৰ প্ৰায় আঢ়ৈ বছৰ আগতে প্ৰাদুৰ্ভাৱ ঘটিছিল, কিন্তু এতিয়া অসমৰ বাহিৰত প্ৰায় ২১খন ৰাজ্যত African Swine Flu য়ে ভয়ানক ৰূপ লৈছে। সেই কাৰণে বাহিৰৰ পৰা গাহৰি অনাটো বন্ধ ৰাখিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ৰুল ৫৪ শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২৩ চনৰ ৬ মাৰ্চ তাৰিখত “The Assam Tribune” কাকতত প্ৰকাশিত এটি বাতৰি পৰিবেশন হৈছিল। সেই বাতৰিৰ "50 pc decline in Guwahati's forest cover in 42 Years: Study" এই বিষয়টো মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰাৰ বাবে মই সদনৰ মজিয়াত উত্থাপন কৰিবৰ বাবে আজি যি সুযোগ দিলে তাৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। গুৱাহাটী চহৰখনত আমি বসবাস কৰো, গুৱাহাটীক আমি সকলোৱে ভাল পাওঁ আৰু পৰিষ্কাৰ পৰিছন্ন হৈ থকাটো আমি সকলোৱে বিচাৰো। গুৱাহাটীৰ ভিতৰত যিখিনি বনাঞ্চল আছিল, সেই বনাঞ্চল বিলাক ৫০ শতাংশ যদি বনাঞ্চল নোহোৱা হৈছে, তেতিয়া It's a matter of great concern for all of us. এই ক্ষেত্ৰত বিভাগে কি কি পদক্ষেপ লৈছে, আমি হয়টো এটা পৰামৰ্শ দিব বিচাৰো। অসমৰ ‘Forest Survey India’ ৰ যিটো Report ২০২১ ৰ। তথ্য মতে অসমত বনাঞ্চল হৈছে ২৬ লাখ ৮৩ হাজাৰ ৬শ হেক্টৰ। সৰ্বমুঠ বনাঞ্চল আছে ২৮ লাখ ৩১ হাজাৰ ২০০ হেক্টৰ। গুৱাহাটীৰ ভিতৰতে আমাৰ ১২ খন পাহাৰ আছে।

Total Forest cover ২৮৩১.২০০ হেক্টৰ গোটেই অসমত, আৰু গুৱাহাটীত চহৰৰ ভিতৰতে মুঠ ১২ খন পাহাৰ আছে। এই ১২ খন পাহাৰৰ ওপৰত চাৰ্ভে ৰিপৰ্ট এতিয়া ওলাইছে। ইয়াতে মুঠ এৰিয়া হৈছে২৪,৮৭৫ হেক্টৰ। এইখিনি হৈছে ৰিজাৰ্ভ ফৰেষ্ট এৰিয়া যিটো প্ৰটেকটেত এৰিয়া। এই যিখিনি পাহাৰ আছে, ইয়াৰ নামখিনি হৈছে চাউথ কালাপাহাৰ, ফটাশিল, জালুকবাৰী, গোটানগৰ, হেঙেৰাবাৰী, গড়ভাঙা, ৰাণী, শৰণীয়া। এইখিনি হৈছে ৰিজাৰ্ভ ফৰেষ্ট। এই ৰিজাৰ্ভ ফৰেষ্ট এৰিয়া যিখিনি এৰিয়া ইয়াৰে যিটো সংখ্যা মই ইতিমধ্যে কলো। ইয়াতে আমাৰ গুৱাহাটী চহৰৰ ভিতৰত আছে wildlife sanctuary দুখন । দীপৰ বিল wildlife sanctuary আৰু আমচাং wildlife sanctuary । আমাৰ আছে internationally acclaimed wetland এখন ramsar site বুলি কয়, আৰু আমি দীপৰ বিলকে ramsar site বুলি আমি সকলোৱে জানো। আমাৰ সকলোৱে সৌভাগ্য যে আমি এখন সৰ্বসুন্দৰ

প্ৰাকৃতিকভাৱে যথেষ্ট সম্পদশালী এলেকাৰ মাজত গুৱাহাটী চহৰখন আছে। সেই কাৰণে গুৱাহাটী চহৰখনক সকলো ফালৰ পৰা ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে আমাৰ Forest cover টো ঠিকে ৰখাৰ কাৰণে বিভাগে সদায় চেষ্টা কৰিব লাগিব, আৰু আমি সকলোৰে সহযোগিতা আগবঢ়াব লাগিব। কিন্তু আমি বিধান সভাত যিটো তথ্য পাইছো, এই তথ্যত আমি দেখিছো আমাৰ যি ৮খন ৰিজাৰ্ভ ফৰেষ্ট আছে, তাৰে চাউথ কালাপাহাৰ যিখন তাৰে বহুতখিনি এলেকা encroachment হৈছে। encroachment এলেকাখিনি হৈছে চাউথ কালাপাহাৰৰ প্ৰায় ৭০.০ হেক্টৰ মাটি আছে, ইয়াৰে ৬৮.০ encroach হৈ গৈছে। ফটাশিলত আমাৰ ৬৭০.৪ হেক্টৰ মাটি আছে। ইয়াৰে ২৪১.৫ হেক্টৰ মাটি encroach হৈ গৈছে। জালুকবাৰীৰ ৯৭.৭ হেক্টৰ মাটিৰ ২.৬ হেক্টৰ encroach হৈ গৈছে। গোটানগৰ ১৭১.০ হেক্টৰ মাটি ইয়াৰে ১২৭.০ হেক্টৰ মাটি encroach হৈ গৈছে। হেঙেৰাবাৰীৰ ৬২৮ হেক্টৰ মাটিৰ ৪৪২.০ হেক্টৰ মাটি encroach হৈ গৈছে। গড়ভাঙ্গাৰ ১৮৮৬০ হেক্টৰ মাটিৰ ৩১৮ হেক্টৰ মাটি encroach হৈ গৈছে। ৰাণীৰ ৪৩৭০ হেক্টৰ মাটিৰ কোনো encroachment দেখুৱা নাই, চৰকাৰী তথ্যত। যদি ভালকৈ চাৰ্ভে কৰে তেতিয়া হ'লে ইয়াতো encroachment পাব। শৰণীয়াৰ ৮ হেক্টৰ মাটি আছে ইয়াৰে .৮ encroachment দেখুৱাইছে। গোটেইখিনি মিলাই আমি যদি চাওঁ১২শ হেক্টৰ মাটি encroachment দেখুৱা হৈছে, এইটো চৰকাৰী তথ্য। কিন্তু চৰকাৰী যেতিয়া তথ্য আহে, বিভাগৰ পৰা দিয়ে, বছৰে বছৰে চৰকাৰে তথ্য বিচাৰে আৰু বছৰে বছৰে বিভাগে তথ্যবোৰ দিয়ে কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে বছৰে বছৰে চাৰ্ভে কৰি বিভাগে কেতিয়াওঁ ৰিৰ্পট দিব নোৱাৰে তাৰ কাৰণে যথেষ্ট মেনপাৱাৰৰ প্ৰয়োজন হয়। সেই কাৰণে কিবা এটা শতাংশ বঢ়াই ৰিৰ্পট বিলাক দিয়া হয়। কিন্তু প্ৰকৃততে যদি আমি encroachment চাব যাওঁ তেতিয়া আমি হয়তো বহুখিনি encroachment ফিল্ডত পাম। মাননীয় অধ্যক্ষ মহোদয়, ৮ খন যিটো আৰ এফ ৰ ওপৰত যিটো ৰিৰ্পট মই ক'লো ইয়াতে বৰ্তমান মাত্ৰ ৩ খন dense Forest আছে। আৰু এইটো হৈছে জালুকবাৰী, হেঙেৰাবাৰী আৰু আমচাং। ইয়াৰে তিনিখনতহে Forest cover আছে। বাকী ক'ব গ'লে নায়েই। সেই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক জনাঁও, আচলতে আজি বিভাগীয় মন্ত্ৰী মহোদয়, সদনত উপস্থিত নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য মই আপোনাক কওঁ যে তেখেতৰ ঘৰৰ পৰিয়ালৰ এজন সদস্যৰ মৃত্যু হোৱাৰ হেতুকে জৰুৰীভাবে যাব লগা হৈছে, সেয়েহে মই আপোনাক কৈছো আপুনি কওঁক আৰু যিখিনি পইন্ট বাকী আছে সেইখিনি দি দিয়ক মন্ত্ৰী মহোদয়ে বেলেগ এটা দিনত আপোনাক উত্তৰ দিব। এক মিনিটকৈ আপোনাৰ যিখিনি পইন্ট বাকী থাকিলে কৰিব মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মই চমুকৈ দুষাৰকৈ শেষ কৰি দিব বিচাৰিছো, আমাৰ জনসাধাৰণ বৃদ্ধি হৈছে আমাৰ যদি ১৯৫০চনত ৪২ হাজাৰ জনসংখ্যা আছিল, এতিয়া ১১ লাখৰ ওপৰত হৈছে। এই বিলাক হৈছে আমাৰ এটা ছবি। আমি এতিয়া ফৰেষ্ট বনানীকৰণ বৃদ্ধি কৰিব লাগিব। হয়তো বহুত অঞ্চলত এতিয়া আমাৰ মানুহে ঘৰ বান্ধিছে, গছ-গছনি নাই বা গছ গছনি কাটি পেলাইছে, সেয়েহে যিবোৰ খালী ঠাই আছে, তাত বেছিকৈ গছ ৰোপন কৰি আমি পুনৰ এই Forest cover টো উদ্ধাৰ কৰিব পাৰো। কাৰণ এতিয়া প্ৰদূষণটো যথেষ্ট বাঢ়ি গৈছে। আজি global air quality index ত আমাৰ পজিশ্যন বহুত বেয়া, ৯৫ সংখ্যক স্থানত আছো। আমাৰ বৰষুণৰ পৰিমাণ কমি গৈছে। তেনেকুৱা ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী বৃদ্ধি হৈছে,

কৃত্ৰিম বানপানী হৈছে এই সকলো বিলাক যদি আমি প্ৰতিৰোধ কৰিব লাগে, গুৱাহাটীখনক যদি বচাব লাগে, তেতিয়া আমি বনানীকৰণৰ ওপৰত গুৰুত্ব দিব লাগিব। মাননীয় অধ্যক্ষ মহোদয় মই সৰু এটা চাজেশ্যন দিব বিচাৰো, দীঘলীয়াকৈ ক'ব নিবিচাৰো, কানাডা এখন এনেকুৱা ঠাই, য'ত যিটো আমি উদাহৰণ হিচাপে study টুৰৰ কাৰণে যাব যাব লাগে। আমি শুনিছো বা পঢ়িছো, যে কানাডাত যিবিলাক হিলচ্ আছে চহৰৰ মাজত। সেই ঠাইবোৰত মানুহে বসতি কৰিব বিচাৰিছে, মাটিতো এটা লেভেললৈ তাতে থাকিব দিছে other part up to top লৈ সেইখিনি সম্পূৰ্ণ সেউজ বনানীকৰণ কৰি এটা সুন্দৰ পৰিবেশ তেওঁলোকে নিৰ্মাণ কৰিছে। সেয়ে মই ভাবো যে আপুনি বিধান সভাৰ তৰফৰ পৰা এনেকুৱা এটা study টুৰলৈ পঠিয়াই আমাৰ যিটো বনানীকৰণ ব্যৱস্থা সেইটো কেনেকৈ ভাল কৰিব পাৰো আৰু আমি চহৰ অঞ্চল বিলাক কেনেকৈ non-polluted মানুহৰ থকাৰ যোগ্য লগতে যিবোৰ জীৱ জন্তু আছে, পাহাৰত তেওঁলোককো আমি ঠাই দিব লাগিব। এনেকুৱা নহয় যে কেৱল আমিহে থাকিব লাগিব। জীৱ জন্তু বিলাককো আমি থকাৰ সুবিধাকণ জীয়াই থকাৰ যিখিনি অধিকাৰ সেইখিনি দিয়াৰ কাৰণে আমি চেষ্টা কৰিব লাগিব। এইখিনি মোক উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ কাৰণে ধন্যবাদ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই অলপ আগতে কলো, যে আমাৰ বন আৰু পৰিবেশ মন্ত্ৰী ডাঙৰীয়া তেখেতৰ ঘৰত হঠাৎ এজন সদস্য স্বৰ্গগামী হোৱা হেতুকে যাবলগীয়া হৈছে। তেখেতে এই গোটেইখিনি দায়িত্ব দি গৈছে। গতিকে তেওঁ অন্য এটা দিনত আপোনাৰ উত্তৰটো দিব। এতিয়া ৰুল নং ৩০১ শ্ৰী তেৰছ গোৱালা।

**শ্ৰীতেৰছ গোৱালা, (দুলীয়াজান)** ঃ ধন্যবাদ অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নংৰ অধীনত তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়াৰ দৃষ্টি আকৰ্ষণ কৰি বিষয়টোৰ ওপৰত আলোচনা কৰিব খুজিছো। অসমৰ বিভিন্ন জিলাত সাধাৰণ লোকৰ সুবিধাৰ্থে বেংক একাউন্ট খোলা, ধনৰ লেনদেন কৰাৰ ক্ষেত্ৰত বেংক সমূহে গ্ৰাহক সেৱা কেন্দ্ৰ অনুমোদন দিছিল বা খুলিছিল কিন্তু দুৰ্ভাগ্যৰ বিষয় এইটোৱে যে ডিব্ৰুগড় জিলাৰ দুলীয়াজান বিধান সভা সমষ্টিৰ অন্তৰ্গত বেংক সমূহে খোলা গ্ৰাহক সেৱা কেন্দ্ৰৰ চালক সকলে বৰ্তমান নিৰক্ষৰ আৰু দুখীয়া গ্ৰাহক সকলক অত্যাচাৰ আৰম্ভ কৰিছে। গ্ৰাহক সেৱা কেন্দ্ৰৰ পৰা দৈনিক মজুৰী কৰা গ্ৰাহক সকলে নিজৰ টকা উলিয়াবলৈ কাম খতি কৰি সপ্তাহত ৩-৪ বাৰ বা মাহেকত ৩-৪ বাৰ কৈ কাষ্টমাৰ চাৰ্ভিচ পইন্টলৈ যাব লাগে। কাষ্টমাৰ চাৰ্ভিচ পইন্টৰ অপাৰেটৰ সকলে গ্ৰাহক সকলৰ পৰা অজ্ঞাতে একাউন্টৰ পৰা অধিক ধন অথবা সমুদায় ধন উলিয়াই লয়। কাষ্টমাৰ চাৰ্ভিচ পইন্টৰ অপাৰেটৰ সকলে গ্ৰাহকৰ পাচ বুক আপডেট কৰি নিদিয়ে। আনকি বিভিন্ন সময়ত গ্ৰাহকক দুৰ্ব্যৱহাৰ কৰে বুলিও গ্ৰাহক সকলে আমাক অভিযোগ দিছে। এনেধৰণৰ দুষ্কাৰ্য্য সমূহ প্ৰতিৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। অধ্যক্ষ মহোদয় আমি জানো, বৰ্তমান অন লাইন ব্যৱস্থাৰ জৰিয়তে সকলো শ্ৰেণীৰ লোকক আমি বেংকৰ জৰিয়তে লেনদেন আৰম্ভ কৰিছো। যেনেকৈ বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চল, দিব্যাঙ্গ পেঞ্চন, অৰুনোদয়ৰ টকা, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ টকা আৰু চাহ-শ্ৰমিকৰ ভৱিষ্যনিধিৰ টকা , চাহ শ্ৰমিকৰ ভৱিষ্যনিধিৰ কথাটো আটাইতকৈ দুখজনক ছাৰ, যে ৩০ বছৰ ৩৫ বছৰ পিছত পি এফৰ পইচা পায় বা গ্ৰেচুইটিৰ পইচা পায়। কিন্তু চি এচ পি ৰ কেন্দ্ৰত বা বেংকত তেওঁলোকৰ পইচাটো প্ৰায় ৩ মাহত শেষ হৈ যায়। ৩ মাহত শেষ হৈ যায় আৰু গ্ৰাহকজনে নাজানে। গ্ৰাহক চাৰ্ভিচ পইন্ট বিলাকত যেতিয়া যায় তেওঁলোকক বায়মেট্ৰিকটোত ৫ বাৰ ৬ বাৰকৈ যেতিয়া টিপ চহীটো লয়, পইচাটো নিদিয়ে আৰু

সেই দুখীয়া শ্ৰমিকজন বা দৈনিক মজুৰী কৰা শ্ৰমিকজন যেতিয়া বেংকত যায় বা চি এচ পি চেন্টাৰত যায় তেতিয়া তেওঁ কাম খতি কৰি যাব লগা হয়। প্ৰথমতে তেওঁ কাম খতি কৰি যায় আৰু দ্বিতীয়তে তেওঁৰ কাম ন'হল। তৃতীয়তে তেওঁৰ একাউন্টৰ পৰা পইচা ওলাই গ'ল, তেওঁ গম নাপায়। ইতিমধ্যে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক অলপ দিন আগতে এটা মই গোচৰ দিছিলো। তাৰ পাছত এটা মিনিমাম একশ্যন হ'ল। কিন্তু মোৰ ঘৰৰ ওচৰত ষ্টেট বেংক অব ইণ্ডিয়াৰ গ্ৰাহক চেন্টাৰ আৰু আসাম গ্ৰামীন বিকাশ বেংকৰ গ্ৰাহক চেন্টাৰত মুকলিভাৱে এই বিলাক চলি আছে, আৰু এতিয়া মই গোচৰটো ডি চি ৰ তাত পঠিয়াঁও এনকুৰাৰীৰ কথা কওঁ সেই চি এচ পিৰ কেন্দ্ৰই কয় বিধায়ক এজনে কি জানে। আচলতে বিধায়কে তেওঁলোকৰ দৃষ্টি ভংগীত একো নাজানে। কিন্তু আমি জানো বেংকত যেতিয়া অফ লাইন চিষ্টেম আছিল তেতিয়া আমি লাইনত থিয় হৈ তাত বেংকৰ একাউন্টচে গোটেই কথাখিনি ধুনীয়াকৈ লিখি চহী কৰি দিছিল। কিন্তু আজি অন লাইন হোৱাৰ পিছত তেওঁলোকে পাচবুকখন আপডেট নকৰে। কিন্তু আজি অন লাইন হোৱাৰ পিছত তেওঁলোকে পাচবুকো আপডেট নকৰে। যাৰ কাৰণে তেওঁলোকৰ অৰণোদয়ৰ টকা বিলাক ওলাই গৈ আছে তেওঁলোকে গম নাপায়। পিছত দেখিছে পইচাটো নাই। এনেকুৱা ধৰণৰ ঘটনা বিলাক আজি বেংক বিলাকত ঘটি আছে। গৰ্ভৱতী, প্ৰসুতিসকলৰ বাবে পইচা দি আছো কিন্তু সেই পইচা বিলাকৰো সেই ধৰণে লুটপাট আৰম্ভ হৈছে। চাহ বাগিচা বিলাকত আমি ধন পুৰস্কাৰ দিলো, এই ধন পুৰস্কাৰৰ পইচা বহুতৰে লুটপাট হৈ গ'ল। সেইকাৰণে মই আজি মাননীয়া মন্ত্ৰী মহোদয়াৰ হস্তক্ষেপ বিচাৰিছো আৰু এটা তদন্ত বিচাৰিছো। কাৰণ আমি অভিযোগ বিলাক উত্থাপন কৰি আহিছো। মই ভাৱো মোৰেই নহয় দৈনিক সমগ্ৰ অসমতে কিজানি CSP কেন্দ্ৰৰ জৰিয়তে এনেকুৱা ঘটনা ঘটি আছে আৰু মই ভাবো প্ৰত্যেক গৰাকী বিধায়কে কম-বেছি কৈ এই অভিযোগ সমূহ পায় আছে। এইটো সাধাৰণ ব্যাধি নহয়, এটা মাৰাত্মক ব্যধিলৈ ৰূপান্তৰিত হৈছে। গতিকে ফাইনেন্স ডিপাৰ্টমেণ্টে ইয়াৰ ওপৰত কঠোৰতকৈ কঠোৰ ব্যৱস্থা ল'ব লাগে আৰু CSP ৰ অবিহনে যাতে আমি বেংক বিলাক চলাব পাৰো, যদি CSP ৰ প্ৰয়োজন আছে হয় সহজে একাউণ্ট খুলিব পৰা ব্যৱস্থা CSP ত আছে। কিন্তু পৰৱৰ্ত্তী সময়ত তেখেত সকলে যিবিলাক কাৰবাৰ আৰম্ভ কৰিছে, যিবিলাক লেনদেন আৰম্ভ কৰিছে এইটো কিন্তু কেতিয়াও মানি ল'ব নোৱাৰি। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয়া মন্ত্ৰী মহোদয়াক মই অনুৰোধ জনাম যে ফাইনেন্স ডিপাৰ্টমেণ্টৰ পৰা ইয়াৰ ওপৰত কঠোৰ ব্যৱস্থা ল'ব লাগে আৰু বেংক সমূহে যদি CSP বিলাকক নিয়ন্ত্ৰণ কৰিব নোৱাৰে তেতিয়াহ'লে মই ভাবো বেংক বিলাকৰ ওপৰতো যাতে ব্যৱস্থা লয় এইটো মই দাবী জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয়া মন্ত্ৰী মহোদয়া।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী তেৰছ গোৱালাই এটি গুৰুত্বপূৰ্ণ বিষয় ইয়াত উত্থাপন কৰিছে। মই নিজেও বিষয়টো অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছো। অসমৰ সকলো জিলাত জনসাধাৰণৰ বিত্তীয় লেনদেনৰ সুবিধাৰ্থে বেংক সমূহে সুবিধা আগবঢ়াই আহিছে। যিসমূহ অঞ্চলত বেংকৰ সুবিধা নাই সেই সমূহ অঞ্চলত গ্ৰাহকসেৱা কেন্দ্ৰৰ Customer Service point ৰ জৰিয়তে সুবিধা প্ৰদান কৰি আহিছে। এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে অসমত ৩৫ টা বেংকৰ ৩০২০ টা শাখাৰ জৰিয়তে আৰু ৩৮,৭৩৬ টা গ্ৰাহক সেৱা কেন্দ্ৰই সুবিধা প্ৰদান কৰি আহিছে। এইক্ষেত্ৰত ডিব্ৰুগড জিলাত ১৮১ টা বেংক শাখা আৰু ৯০২৭ টা গ্ৰাহক সেৱা কেন্দ্ৰই সেৱা প্ৰদান কৰি আহিছে। ইয়াৰে দুলীয়াজান সমষ্ঠিত ৩৬ টা বেংক শাখা আৰু ৪৭ টা গ্ৰাহক সেৱা কেন্দ্ৰই সেৱা প্ৰদান কৰি আহিছে। এতিয়া কথাখিনি হ'ল

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যিখিনি কথা ইয়াত গুৰুত্ব সহকাৰে উপস্থাপন কৰিছে, আমি লগে লগে এই বিষয়টো জানিবৰ কাৰণে তেওঁলোকৰ যিখন উচ্চস্তৰীয় কমিটি আছে SLBC (State Level Banker Committee), তেখেতসকলক সুধিছিলো। তেতিয়া তেখেত সকলে যিখিনি কথা লিখি দিছে মই সেইখিনি কথা আপোনাক জনাইছো। আপোনাৰ চিঠিখন আমি তাত সংলগ্ন কৰি দিছিলো। তেখেত সকলে লিখি দিছিল যে On the basis of this letter we have instructed our controlling officess to investigate in the matter. We have also instructed them to initiate strict actions against CSPs in any incidients of misbehaviour unhealthy practices of harassment to the customers by CSPs. আ পুনি যিখিনি কথা কৈছে আৰু মই কালি গোটেই বিষয়টো আমাৰ বিষয়া সকলৰ লগত আলোচনা কৰিছো আৰু মই বিষয়টো গুৰুত্ব সহকাৰে লৈ এই কথাখিনি কৈছো। যদি এচেম্বলীৰ সময়তে আপুনি এটা সময় মোক দিব পাৰে আমি দুয়োজনে মিলি বেংকৰ শীৰ্ষ বিষয়া সকলক মোৰ চেম্বাৰলৈ মাতি আনি গোটেই কথাখিনি আপুনি অৱগত কৰিব আৰু ময়ো বিচাৰিছো যে ইয়াৰ এটা ষ্ট্ৰিক্ট একশ্যন হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ)

**শ্ৰী আমিনুল ইছলাম, (মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি আলোচনা আৰম্ভ কৰিব বিচাৰিছো। দক্ষিণ শালমাৰা মানকাছাৰ জিলাৰ যোগাযোগ ব্যৱস্থা উন্নীত কৰণ সম্পৰ্কে মই আগতেও কেইবাবাৰো সদনত উল্লেখ কৰিছো বা আলোচনা কৰিছো। দক্ষিণ শালামাৰা মানকাছাৰ জিলাখন অসমৰ একেবাৰে প্ৰান্তীয় মেঘালয়ৰ ১৩০ কিলোমিটাৰ নগ'লে আমি আমাৰ সমষ্টিটো নাপাঁও আমাৰ জিলাখন নাপাঁও। আমাৰ যিটো Road communication আমাৰ এণ্টায়াৰ জিলাখনত মাত্ৰ ৩৫ কিলোমিটাৰ পকা পথ আছে। ৩৫ কিলোমিটাৰৰ মেইন ৰোড এটা আছে। যিটো ১৯৫২ চনত বনোৱা হৈছে। ১৯৫২ চনত যিটো চিংগল ৰোড বনোৱা হৈছে আজিলৈকে সেইটো বৰ্দ্ধিতকৰণ কৰা হোৱা নাই। আজি এই ২২ কিলোমিটাৰ হাটশিঙিমাৰী district head quarter ৰ পৰা মানকাছাৰ যাঁওতে আমাক দুঘণ্টা সময় লাগে আৰু সদায় এক্সিডেণ্ট হৈ আছে। আমাৰ বিকল্প বোৰ্ডাৰ ৰোড এটা আছে ইন্দু-বাংলা বোৰ্ডাৰ ৰোড, সেইটোত পাবলিক যাব নোৱাৰে কেৱল বি এচ এফ ৰ কাৰণে সেইটো এলাউ কৰা হৈছে। পূব ফালে মেঘালয়ৰ কাষেদি এটা ৰাস্তা আছে, সেইটোৰেদি যাব নোৱাৰো কাৰণ দিন দুপৰতে তাত মেঘালয়ৰ উগ্ৰপন্থীৰ জৰিয়তে কিডনেপিং হয়। আমাৰ জিলাৰ আৰু এটা পাৰ্ট চাউথ শালমাৰা পাৰ্ট। সেই চাউথ শালামাৰা পাৰ্টত ৭ জি পি, আমাৰ ৩ টা জিপি । এই ১০ টা জি পি ৰ পৰা আমাৰ district head quarter লৈ আহিবলৈ কোনো ধৰণৰ ৰাস্তা নাই, কোনো ধৰণৰ যোগাযোগ ব্যৱস্থা নাই। আমি মেঘালয়ৰ মাজেদি প্ৰায় ৪০ কিলোমিটাৰ ঘূৰি আহি district head quarter ত সোমাব লাগে। এই দুৰৱস্থাৰ কথা মই বাৰম্বাৰ কৈ আহিছো। আজি এই ৰোডটোৰ সম্পৰ্কে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আমি এইটো ৰিকুৱেষ্ট কৰিছিলো, পাৰচিউ কৰিছিলো তেখেতে TND লৈ লিখিছিলে, TND য়ে এইটো এপ্ৰোভ কৰিলে আৰু ১৩৩ কোটিৰ এটা ডাবল ৰাস্তাৰ কাৰণে প্ৰপোজেল হ'ল। মিটিং হৈ এইটোৰ পইচা কমাই দি ৯০ কোটি হ'ল। এইটো চূড়ান্ত পৰ্য্যায়ত আছে। এতিয়ালৈকে হৈ উঠা নাই। মই ভাবো ইয়াৰ যদি এটা অতি শীঘ্ৰে এটা ব্যৱস্থা কৰে আমাৰ মানকাছাৰৰ কাৰণে এটা

আশীৰ্বাদ স্বৰূপ হৈ যাব। দ্বিতীয় কথাটো হ'ল যে আমাৰ জিলাৰ এই মেইন ৩৫ কিলোমিটাৰ ৰোডৰ বাহিৰে বেলেগ খালী PMGS ৰ ৰাস্তা আছে আৰু পি ডব্লিউ ডি ৰ কোনো ৰোড নাই। আমাৰ কথাটো হ'ল আমি এতিয়া যদি মেঘালয়ৰ মাজেদি ১৩০-১৪০ কিলোমিটাৰ নাহো তেতিয়াহ'লে আমি অসমৰ বেলেগ ৰাস্তা নাপাঁও। আমাৰ পূব ফালে মেঘালয়, পশ্চিমফালে গোটেই বাংলাদেশ, দক্ষিণত মেঘালয় আৰু উত্তৰ ফালে ব্ৰহ্মপুত্ৰ, ঝিঞ্জিৰাম আদি নৈ বোৰ অৱস্থিত। মুঠৰ ওপৰত আমি যদি ৰাস্তাৰ ব্যৱস্থা কৰিব পাৰো, ইয়াৰ আগতেও আমি অসম মালাৰ ৰাস্তাৰ কথা কৈছিলো আৰু এই অসমমালাৰ ৰাস্তাটোৰ জৰিয়তে আমাৰ হাটশিঙিমাৰীৰ পৰা ফকিৰগঞ্জ, শালমাৰা, লক্ষীপুৰ, জলেশ্বৰ, আমবাৰী হৈ গোৱালপাৰালৈ এটা যদি অসমমালাৰ ৰাস্তা কৰিব পাৰো তেতিয়াহ'লে আমি সমগ্ৰ মেঘালয়ৰ ওপৰত নিৰ্ভৰ নকৰাকৈ অসমৰ ভিতৰতে এটা ৰাস্তা লাভ কৰিব পাৰিম। এই প্ৰস্তাৱটো আগতেও মই দুই-তিনিবাৰ দিছিলো। কিন্তু ইয়াৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। আমাৰ জিলাত কেৱল ৩৫ শতাংশ ৰাস্তাহে পকা ৰাস্তা আছে। কিন্তু বাকী ৰাস্তাবোৰ কেঁচা। কালিৰ বাজেটত আমি দেখিছো যে নতুন আন্তঃগাঁথনিৰ প্ৰয়াস শিতানত নাবাৰ্ডৰ infastructure development assistant ৰ ১০ হাজাৰ কোটি টকা ইয়াত অনুমোদন কৰা হৈছে। আমি ভাবিছো অসমমালা আৰু এচ অ' পি ডি মিলাই ১৪ টা ৰাস্তাৰ কাম আৰম্ভ হৈছে বা আৰম্ভ হ'ব। ১১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৫ টা ৰাস্তাৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু বাকীখিনি ২০২৪ ত হ'ব। অসমমালাৰ এচ অ' পি ডি ৰ অধীনত ১৮৬৩.২০ কোটি টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছে। Assam Secondary Road Network Development Project ৰ ASRIP ৰ অধীনত এচিয়ান infrucstructure development bank ৰ অধীনত ২৪৭ কিলোমিটাৰ ৰাস্তাৰ কাৰণে কোটি ৩৫১৯.২৭কোটি টকা ধাৰ্য্য কৰা হৈছিল। ASCCIP ৰ অধীনত ৩৯৯৪ কোটি টকাৰ ৩১২.৫ কিলোমিটাৰৰ কাম হাতত লোৱা হৈছে। নেডাৰ অধীনত ১২৫২.১৪ কোটি টকাৰে ১৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ আদি বহুত ৰাস্তাৰ কাম আৰম্ভ কৰিছে। এই চৰকাৰে আমাক বাজেটত এইবোৰ কথা অবগত কৰিছে। আমাৰ কথাটো হ'ল যে মানকাছাৰ জিলাৰ দক্ষিণ শালমাৰা অঞ্চলত আমাক অসমমালাৰ অধীনত বহুত ৰাস্তা দিব পাৰে বা এই বিষয়ে ভাৰত চৰকাৰক পৰামৰ্শ দিব পাৰে। যদি আমাৰ টকাৰ সমস্যা আছে, তেতিয়াহ'লে আমাক ড'নাৰৰ পৰাও দিব পাৰে। আমাক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, ড'নাৰৰ পৰা ইতিমধ্যে লিখি দিছিল আৰু চেংচনো কৰিছিল। এইটো এতিয়া শেষ পৰ্য্যায়ত আছে। কিন্তু এতিয়াও আমি সন্দেহৰ আবৰ্তত আছো যে পাম নে নাপাম। আমাৰ বাইশ কিলোমিটাৰ ৰাস্তা যাঁওতে দুঘণ্টা সময় লাগে। এই ৰাস্তাটো হৈছে আমাৰ একমাত্ৰ লাইফ লাইন ৰাস্তা। আমাৰ অঞ্চলবোৰ ল' লেণ্ড। সেয়েহে আমাৰ তাত বহুত ওখকৈ ৰাস্তা বনাব লাগে। আমাক এফালে ব্ৰহ্মপুত্ৰৰ পানীয়ে ক্ষতিগ্ৰস্ত কৰে আৰু আমাৰ মেইন ৰাস্তাটো ১৯৫২ চনতেই হৈছিল। এই ৰাস্তাৰ পূব ফালে মেঘালয়ৰ চাৰিখন জিলাৰ পৰা অহা পানীয়ে আমাক বুৰাই ৰাখে। সেই পানীৰে বুৰাই ৰখা অঞ্চলখিনিয়েদি ওলাই যোৱাৰ পূব ফালে যিটো মইনা বন্ধাৰ পৰা পানী ওলাই যোৱাৰ অঞ্চল আছে, তাত কোনো ব্যৱস্থা নাই। এই পানীখিনি ওলাই নোযোৱাৰ বাবে আমাৰ ৮-৯ মাহ প্ৰায় ২৪-২৫ বিঘা মাটি পানীৰ তলত থাকে। এনেকুৱা এটা কদৰ্য্যময় পৰিবেশৰ মাজত আমি মানকাছাৰত আছো। মানকাছাৰ জিলাৰ দক্ষিণ শালমাৰা অঞ্চলত ৰাস্তাৰ অৱস্থা ইমানেই বেয়া যে আমি যদিহে মেঘালয়ে ৫০০-১০০০ ঘণ্টা বন্ধ দিলে সেইখিনি সময় আমি আবদ্ধ হৈ থাকিব লাগে। আমাৰ যোগাযোগ ব্যৱস্থা ইমানেই বেয়া। এইবিষয়টো লৈ মই কেইবাবাৰো অনুৰোধ কৰিছিলো আৰু কেইবাবাৰো লিখিছিলো।

এতিয়া আমাৰ এই ৰাস্তাটোৰ অৱস্থা একেবাৰে বেয়া হৈ আছে। সদায় দুৰ্ঘটনা হৈ আছে। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ টেবুলত আমাৰ ফাইলটো আছে। মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যাতে আমাৰ এই মানকাছৰৰ ৰাস্তাটোৰ কাম সোনকালে কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰা, মানকাছাৰ জিলাৰ ৰাস্তা পথৰ বিষয়ে সন্মানীয় সদস্য গৰাকীয়ে অতি গুৰুত্বপূৰ্ণভাৱে উত্থাপন কৰিছে। এই সমস্যাখিনি তেখেতসকলৰ নোহোৱা নহয়। দক্ষিণ শালমাৰা, মানকাছাৰ জিলাৰ ভৌগলিক অৱদানৰ বাবে স্থল সংযোগ অমসৰ অন্য জিলাৰ লগত কিছু পৰিমানে ব্যহাত নোহোৱা নহয়। এই মহুৰ্তত দক্ষিণ শালমাৰা, মানকাছৰলৈকে যাবলৈ হলে হয় ব্ৰহ্মপুত্ৰ নদী পাৰ হ'ব লাগিব, নহয় মেঘালয়ৰে গৈ মানকাছাৰত উপস্থিত হ'ব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, এটা ভাল খৱৰ যে ধুবুৰী-ফুলবাৰীৰ দলং প্ৰায় ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত অতি দ্ৰুতগতিত কাম চলি আছে। এই দলঙখন সম্পূৰ্ণ হৈ উঠিলে, তেতিয়া মানকাছাৰ দক্ষিণ শালমাৰলৈ যাবলৈ মেঘালয়ৰে হয়তো যাব লগীয়া নহ'ব। অসমৰ স্থল পথৰে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰেদি যাব পৰা হ'ব। তেতিয়া দক্ষিণ শালমাৰ মানকাছাৰ জিলাৰ বহুখিনি সমস্যা সমাধান হ'ব বুলি মই উপলব্ধি কৰো।

মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে যে এক হাজাৰ ঘন্টা যদি মেঘালয়ত বন্ধ দিয়ে, আমাৰ অসমৰ মানুহখিনি এক হাজাৰ ঘন্টা তাত আৱদ্ধ হৈ থাকিব লগীয়া হয়, সেইটো অলপ কষ্টকৰ। কিন্তু আকৌ কৈছো ধূবুৰী ফুলবাৰী দলঙখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠে, সেই সমস্যাখিনি নোহোৱা হৈ যাব।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা)** ঃ দলঙখন হ'লেও ফুলবাৰীলৈ ৰাস্তাৰ যোগাযোগ থাকিব লাগিব।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে, তাৰমানে দলংখন হোৱাৰ পিছত ফুলবাৰীলৈ ৰাস্তা লাগিব।

**শ্ৰী আমিনুল ইছলাম, (মানকাচাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে ধুবুৰী ফুলবাৰী দলংখনৰ কাৰণে যোগাযোগ সমাধান হ'ব। কিন্তু আমি ধুবুৰীত যাবলৈ হলে বঙাইগাঁও, উত্তৰ শালমাৰা, চাপৰ হৈ যাব লাগিব কমেও ৩ ঘন্টা সময় লৈ।

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যি কি নহওঁক, মেঘালয়ত প্ৰৱেশ নকৰাকৈ মানকাছৰত যাব পৰা হাইৱে এটা নিৰ্মাণৰ বাবে যথেষ্ট ভূমি অধিগ্ৰহণ, protection work ৰ প্ৰয়োজন হ'ব পাৰে আৰু অতি যথেষ্ট ব্যয় বহুল হ'ব। সেই বাবে তেনে প্ৰকল্প গ্ৰহণ কৰাৰ পূৰ্বে বিশদ অধ্যয়ন কৰি fisibility report প্ৰস্তুষ্ট কৰিব লাগিব। সদ্যহতে এই প্ৰকল্পৰ সিদ্ধান্ত বিভাগে লোৱা নাই।

দক্ষিণ শালমাৰা মানকাছাৰ জিলাত প্ৰায় ৪৪৪ কিলোমিটাৰ পথৰ ২৩০.৪০ কিলোমিটাৰ পথ ইতিমধ্যে পকী হৈছে। ইয়াৰ উপৰিও ২০২২-২৩ বিত্তীয় বৰ্ষত আৰম্ভ কৰা নিম্নোক্ত আঁচনি কেইখনত তলত দিয়াৰ ধৰণে উল্লেখিত পথৰ কাম অনুমোদিত হৈছে।

মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনি - ৩২.৬৪২ কিলোমিটাৰ।

মুখ্যমন্ত্ৰীৰ উন্নত পকী পথ আঁচনি - ১৬.৪৪৫ কিলোমিটাৰ।

মুখ্যমন্ত্ৰীৰ পথ নদীকৰণ আঁচনি - ২৭.৪১৫ কিলোমিটাৰ।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনি যদি সম্পূৰ্ণ হৈ যায়, তেখেতে কোৱাৰ ধৰণে ৩৫ শতাংশ নহয়, প্ৰায় ৬০ শতাংশ ৰাস্তাৰ কাম সম্পূৰ্ণ হ'ব বা পকী হৈ উঠিব। ইয়াৰ উপৰিও চাৰিখন দলঙৰ প্ৰস্তাৱ বিশ্ব বেংকৰ সাহাৰ্য্য প্ৰাপ্ত আসাম Resilient Rural Bridge Program আঁচনিৰ অন্তৰ্ভক্ত হৈছে। সেইখিনিও অতিসোনকালে অনুমোদিত হোৱাৰ পৰ্য্যায়ত আছে বুলি মই অৱগত। গতিকে সেইখিনি কামও সোনকালে আৰম্ভ হ'ব। এই গোটেইখিনি হৈ উঠিলে এই বছৰৰ যিখিনি অনুমোদন হৈছে, অহা বছৰো নিশ্চয়কৈ হ'ব। যোৱা কালি সন্মানীয় বিত্তমন্ত্ৰী ডাঙৰীয়নিয়ে যিখন বাজেট পাঠ কৰিলে, সেই নতুন বিত্তীয় বৰ্ষতো আপোনালোকৰ জিলাত যথেষ্ট কাম নিশ্চয়কৈ হ'ব। গতিকে মই ভাৱো যে আগৰখিনি আৰু এই বছৰৰ যিখিনি অনুমোদন হ'ল, সেইখিনি মিলালে ৫০ শতাংশ হ'ব। আকৌ পিছৰ বিত্তীয় বৰ্ষত ১ এপ্ৰিলত যি হ'ব, তাতো যদি অন্য ২০ শতাংশ হয়, এনেদৰে অতি সোনকালে দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ প্ৰত্যেকটো ৰাস্তাৰ কাম সম্পূৰ্ণ হ'ব।

**শ্ৰী আমিনুল ইছলাম, (মানকাচাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে আমাৰ যিটো এতিয়ালৈ মুল ৰাস্তা আছে প্ৰায় ৪ লাখ ৫ লাখ মানুহৰ কাৰণে এছিয়ান ৰোড বুলি যিটো কয়। সেই এছিয়ানটো ১৯৫২ চনৰ হোৱা ৰোড, এই ৰোডৰ ব্যৱস্থাটো একেবাৰে হৈ আছে। এতিয়া মাননীয় মুখ্যমন্ত্ৰী এবাৰ কৈ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ লিংক ৰোডটো কেনেকৈ হব লাগে, দি দিব।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী গনেশ কুমাৰ লিম্বু।

**শ্ৰী গনেশ কুমাৰ লিম্বু, (বৰছলা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ ৰ মতে আজি এই পবিত্ৰ সদনত মোক অতি গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, হিমালয়ৰ যি অববাহিকা অঞ্চল নৰ্থইষ্ট। এই অঞ্চলসমূহ অত্যন্ত ভূমিকম্প প্ৰৱল অঞ্চল হিচাপে সকলোৱে জানো। আমাৰ ৰাজ্যখনৰ ভৌগলিক অৱস্থিতি যদি চাওঁ, তেতিয়া হলে ৰাজ্যখনত যিকোনো মুহূৰ্তত ৮ প্ৰাৱল্যতকৈ অধিক ভূমিকম্পই জোকাৰি যাব পাৰে। আমি যদি ৰাজ্যখনৰ ভূমিকম্পৰ ইতিহাস চাবলৈ যাওঁ, তেতিয়া ১৯০০ চনৰ পৰা ২০২২ চনলৈকে, অৰ্থাৎ ১২২ বছৰৰ যদি চাওঁ, ৫ হেক্টৰ স্কেলৰ (প্ৰাবল্য) ওপৰত আমাৰ ৰাজ্যখনত ২৫৯ টা ভূমিকম্পই জোকাৰি গৈছে। ইয়াতে আছে ২ খন ৮ প্ৰাৱল্য, ৭ ৰ পৰা ৮ প্ৰাৱল্যৰ ভিতৰত ৭ টা ভুমিকম্প, ৬ ৰ পৰা ৭ প্ৰাৱল্যৰ ভিতৰত ৩৫ টা ভুমিকম্প আৰু ৫ ৰ পৰা ৬ প্ৰাৱল্যৰ ভিতৰত ২১৫ টা ভূমিকম্পই জোকাৰি গৈছে।

আমি যদি আৰু চাঁও যে ২০২১ চনত ভাৰতত চিচিমিক চহৰ বিলাকৰ এখন তালিকা প্ৰস্তুত কৰা হৈছিল। সেই তালিকাত আমাৰ ৰাজ্যখনৰ চাৰিখন চহৰ অতি বিপদজনক চহৰ হিচাপে চিহ্নিত কৰা হৈছিল। সেই চহৰ হ'ল গুৱাহাটী, যোৰহাট, শদিয়া আৰু তেজপুৰ। এনেকৈ যদি আমি চাঁও, তেতিয়া হ'লে আমাৰ ৰাজ্যখনে ভূমিকম্পৰ ক্ষেত্ৰত কৰিবলগীয়া বহুখিনি আছে বুলি মই ভাৱো। আনকি ফেব্ৰুৱাৰী মাহত এক সপ্তাহতে ৫ বাৰ ভূমিকম্প হৈছিল। এক সপ্তাহত ৫ বাৰ

হোৱাৰ পিছত বিশেষজ্ঞ সকলে কয় যে ইয়াৰ পিছত এক ভয়াৱহ ভূমিকম্প হোৱাৰ সম্ভৱনা আছে। আমি সকলোৱে অৱগত যে ১৮৯৭ চন আৰু ১৯৫০ চনত আমাৰ ৰাজ্যখনত ৮ প্ৰাৱল্যকৈ অধিক প্ৰাৱল্লৰ ভূমিকম্পই জোকাৰি গৈছে। যিটো ভূমিকম্পৰ ফলত আমাৰ সেই সময়ৰ ৰাজ্যখনৰ ভৌগলিক স্থিতি পৰিবৰ্তন হৈ গৈছিল। কিন্তু সেই সময়ৰ অসম আৰু আজিৰ অসমৰ বহুৰ অন্তৰ আছে। আজি আমি উন্নয়ৰ দিশত অসম আগুৱাই গৈছো, ৰাজ্যখনে যথেষ্টখিনি উন্নয়ন কৰিছে, নগৰবিলাক বৃদ্ধি হৈ গৈছে আৰু উচ্চ উচ্চ অট্ৰালিকা বিলাক ইয়াতে এতিয়া নিৰ্মাণ হৈছে। কিছুদিন আগৰ কথা যদি আমি চাওঁ, আমি সকলোৱে জানো টুৰস্ক আৰু চিৰিয়াত ভূমিকম্পই যি ধংসলীলা সৃষ্টি কৰিলে, হাজাৰ হাজাৰ মানুহৰ মৃত্যু হ'ল, লাখ লাখ কোটি টকাৰ ধন সম্পত্তি লোকচান হ'ল। ইয়াৰে মুল গুৰিতো হ'ল যে তাত যি অট্ৰালিকা, বা উচ্চ উচ্চ যি ঘৰ আছিল, সেই বিলাক তেওঁলোকে নীতি বৰ্হিভাৱে নিৰ্মাণ কৰিছিল। এইটো এটা মুখ্য কাৰণ আছিল।

আমি যদি আমাৰ ৰাজ্যখনলৈ ঘুৰি চাঁও, আমাৰ ৰাজ্যখনৰ গুৱাহাটীতো বহুত উচ্চ উচ্চ অট্ৰালিকা দেখিবলৈ পাওঁ। এই অট্ৰালিকা সমূহ যদি ভূমিকম্পক প্ৰতিৰোধ কৰিব পৰাকৈ technology, architect, design যদি আমি কৰা নাই, এই ক্ষেত্ৰত চৰকাৰে যদি বিশেষ ব্যৱস্থা গ্ৰহণ নকৰে, অদূৰ ভৱিষ্যতত আমাৰ ৰাজ্যখনত এক বিপদৰ ডাঙৰ সমস্যাৰ সন্মুখীন হ'ব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক residential area, চহৰত residential zone হ'ব লাগে আৰু ফ্লেটৰ জোন বেলেগকৈ হ'ব লাগে। য'ত residential zone থাকে, তাত আপনি দেখিব যে ডাঙৰ এটা যদি ফ্লেট হৈ যায়, তেতিয়া হলে বহুত ধৰণৰ সমস্যাৰ সৃষ্টি হয়।

মাননীয় অধ্যক্ষ মহোদয়, মই দেখিছো যে, আমাৰ যিবিলাক Residential area, চহৰত কিছুমান residence Zone হ'ব লাগে আৰু flat ৰ Zone বেলেগকৈ হ'ব লাগে, য'ত residential zone থাকে, তাত আপুনি দেখিব যে ডাঙৰ এটা যদি flat হৈ যায় তেতিয়াহ'লে বহু ধৰণৰ সমস্যাৰ সৃষ্টি হয়। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিম যে residential area এটা হ'ব লাগে আৰু flat area ৰ zone বিলাক অলপ বেলেগকৈ হ'ব লাগে, যাতে ৰাস্তা-পদুলি ভাল হয়, দুৰ্যোগৰ সময়ত যাতে আমাৰ ৰাজ্যখনে সেই ব্যক্তি সকলক বা তাত আমি যাতে সহজতে গৈ উদ্ধাৰ কাৰ্য্য কৰিব পাৰো আৰু বিভিন্ন গৱেষণাৰ স্থল আছে, আমি দীৰ্ঘম্যাদি পৰিকল্পনা, হ্ৰস্বম্যাদী পৰিকল্পনা কৰিব লাগে যাতে ভৱিষ্যতে আমাৰ ৰাজ্যখনত যিসকলে যি flat ত থাকক, তেওঁ মনত নিশ্চিত হ'ব লাগে যে আমি ইয়াত সুৰক্ষিত আছো। এনেধৰণৰ চিন্তা-চৰ্চাৰে আমাৰ ৰাজ্য চৰকাৰখনে এটা পৰিকল্পনা কৰিছিল নেকি মই তাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মোহন, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মৰ ৩০১ নং নিয়ম অনুসৰি সন্মানীয় বিধায়ক শ্ৰীগণেশ কুমাৰ লিম্বু ডাঙৰীয়াই অতি গুৰুত্বপূৰ্ণ বিষয়ত দৃষ্টি আকৰ্ষণ কৰিছে। সঁচাকৈয়ে আজি আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাই আমাৰ সন্মুখত দেখা দিছে। বিগত সময়ত উত্তৰ পূৰ্বাঞ্চলত অসমৰ ১৮৯৭ চনত ৮.৭ ৰিখটাৰ আৰু ১৯৫০ চনত ৮.৫ ৰিখটাৰ স্কেলৰ ভূমিকম্পত আমি মুখামুখি হৈছিলো আৰু ইয়াতে আমাৰ বিশেষকৈ ১৯৫০ চনৰ ভূমিকম্পত অসমৰ প্ৰতিচ্ছবিখন সহজ হৈ গৈছিল। বিশেষকৈ সেই সময়ত শদিয়া আছিল, সেই সময়ত তাৰ infrastructure ৰাস্তা-পদুলি সকলো ধ্বংস হৈ গৈছিল। তাৰ যিটো পৰিৱেশ, সেই পৰিৱেশটোত চহৰখন ধ্বংস কৰাৰ ফলত এক পৰিৱৰ্তন আমি দেখিবলৈ

পালো। ঠিক তেনেধৰণে আজি কিছুদিন আগতে যোৱা ১২ ফেব্ৰুৱাৰী ২০২৩ চনতো এটা ভূমিকম্পই জোকাৰি গৈছিল। এই active fault বিলাক থকাৰ কাৰণে। এই active fault বিলাক আমাৰ ধনশিৰিত আমি দেখিবলৈ পালো যেনেকুৱা ধৰণে আৰু ইতিমধ্যে আমি এই ভূমিকম্পৰ আগজাননী দিব পৰা কোনো ব্যৱস্থা ওলোৱা নাই। আমি আতংকিত হ'ব নালাগে, কিন্তু আমি সাবধান হ'ব লাগে। আমাৰ বিভাগৰ ফালৰ পৰা আমি এইটোৱেই কৈছো যে আমি বিশেষকৈ ASDMA(Assam State Disaster Management Authority) য়ে এই ভূমিকম্পৰ পৰা ৰক্ষা পাবৰ কাৰণে যি আইন আছে, এই আইন অনুসৰি আমি বিভিন্ন ধৰণে কাম কৰি আছো। ইতিমধ্যে SDRF, NDRF বাহিনী সাজু হৈ আছে আৰু বিভিন্ন Ditrict Disaster Management Authority আছে, আমাৰ ASDMA ৰ পৰা আৰু circle Level ত আমাৰ যি field officer দিয়া আছে আৰু যিবিলাক organisation তলৰ লেভেলত কাম কৰি আছে, আমাৰ প্ৰতিৰোধী বন্ধুকে আদি কৰি আমি বহু ব্যৱস্থা আমাৰ বিভাগে জিলা পৰ্য্যায়ত কাম কৰি আছে। বিভিন্ন ঠাইত জড়িত হৈ আছে। ভূমিকম্পৰ দৰে এনেকুৱা দুৰ্য্যোগৰ পৰা হাত সাৰিবৰ কাৰণে আমি কি ব্যৱস্থা লোৱা উচিত ? ঠিক তেনে ধৰণে এই গোটেই ব্যৱস্থাটো ASDMA ৰ বিভাগৰ ফালৰ পৰা প্ৰশিক্ষন হওঁক, কেম্প কৰি হওঁক, বিভিন্ন ধৰণে কামখিনি চলাই আছে আৰু জনসাধাৰণে ইয়াত স্কুলতে হওঁক বা বিভিন্ন চৰকাৰী কাৰ্য্যসমূহত বিষয়াসকলৰ লগত সহযোগ কৰি কামখিনি আগবঢ়ায় লৈ গৈ আছে। ইতিমধ্যে আমাৰ মাননীয় লিম্বু ডাঙৰীয়াই কৈছে যে, ১৯৫০ চনৰ পৰিৱেশ আৰু আজি পৰিৱেশ সম্পূৰ্ণ পাৰ্থক্য। সেই সময়ৰ জনসংখ্যা আৰু আজিৰ জনসংখ্যা যথেষ্ট বাঢ়িছে, আজি গুৱাহাটীতে বহুত জনসংখ্যা বাঢ়ি গ'ল আৰু সেই সময়ত Assam type ঘৰ আছিল আৰু আজিৰ তাৰিখত ডাঙৰ ডাঙৰ বিল্ডিং হৈ গৈছে আৰু এনেকুৱা ধৰণৰ আন্তঃগাঁথনি বহু পুৰণি হৈ গৈছে। আমাৰ বিভাগে এই geologist সকল বা আমাৰ ইঞ্জিনিয়াৰ সকলে এই কথাবিলাক তেওঁলোকে পৰ্য্যবেক্ষণ কৰি আছে আমাৰ বিভাগৰ ফালৰ পৰা। পুৰণি বিল্ডিং সমূহত কিমান প্ৰাৱল্যৰ ভূমিকম্প হ'লে ভঙাৰ সম্ভাৱনা আছে আৰু সেইখিনি হয়টো বিভাগে এনেধৰণে বিষয়টো পৰ্য্যালোচনা কৰি আছে, ক'ৰোবাত হয়তো আমি এইবিলাক ঘৰ ভাঙি নতুনকৈ বনাবলগীয়া হ'ব পাৰে। ক'ৰোবাত আমাৰ ডি চিৰ ফালৰ পৰা District Disaster Management Authority য়ে আৰু বিশেষকৈ টাউন সমূহত যেনেকৈ গুৱাহাটীত GMD আছে আৰু Municipal Board সমূহেও এই গোটেই বিষয় বিলাক তেওঁলাকলৈ আমাৰ বিভাগৰ ফালৰ পৰা কোৱা আছে যে এনেকুৱা ধৰণৰ ভূমিকম্প আহিলে ভাগিব পৰা বা এনেকুৱা সম্প্ৰসাৰৰ কিবা প্ৰাৱল্য থাকিলে কিমান পুৰণি ঘৰ enquiry কৰিব লাগে আৰু এইখিনিত হয়তো এটা SOP ওলাব। কিন্তু গোটেই বিষয়টো সদ্যহতে আমাৰ ASDMA (Assam State Disaster Management Authority) য়ে এটা পৰ্য্যালোচনা কৰি আছে, বিচাৰাধীন হ'ব। গতিকে মই ভাৰিছো যে জনসাধাৰণো ইয়াতে সজাগ হ'ব লাগিব আৰু আমাৰ এই বিভাগটোৱে যেনেধৰণে এতিয়া কাম কৰি আছে, ক্ষতিপূৰণ দিয়াৰ পৰা আদি কৰি বিভিন্ন ধৰণে যিমানখিনি অনুশীলন কৰি আছে, এই গোটেই বিষয়খিনিত আমাৰ জিলা পৰ্য্যয়ত District Disaster Management Authority ত এই বিলাক আলোচনা হৈ আছে আৰু আমি ইয়াত অধিক সজাগতা আনিব লাগিব জনসাধাৰণৰ মাজত। জনসাধাৰণৰ মাজত সজাগতা আনিলে আমি ইয়াৰ পৰা ৰক্ষা পাব পাৰিম। আজি ক'ৰোবাত fire brigade ৰাষ্টাত যাব পৰা অৱস্থা নাথাকে। লোকনিৰ্মাণ বিভাগ হওঁক বা এনেধৰণে সকলো বিভাগ লগ লাগি এইখিনি কাম কৰিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। যিহেতু সময় আছে, আমি আজি এইটোৰ ওপৰত সাধাৰণ আলোচনা আৰম্ভ কৰো। গতিকে সকলো সদস্যক ইয়াৰ কাৰণে ready হৈ থাকিবলৈ অনুৰোধ জনালো। প্ৰথমতে শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি যিখন বাজেট দাখিল কৰা হ'ল এই বাজেটৰ ওপৰত দু-আষাৰ কবলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাইছো। এই বাজেটখন পূৰ্বে বিভিন্ন মহলত চৰকাৰী ভাৱে কোৱা হৈছিল, অগতানুগতিক হ'ব। কিন্তু যথেষ্টখিনি পুৰণা কথাই ইয়াত উল্লেখ আছে। সেই গতিকে এই বাজেটখনক গতানুগতিক বাজেট বুলি নকৈ আমাৰ কোনো উপায় নাই। যি ঘোষণা কৰা হৈছিল, সেই ঘোষণাৰ পৰিৱৰ্তে গতানুগতিক বাজেটত কোনো শিতানৰ ধন আৱণ্টন হ'লেও ই সৰ্বভাৰতীয় অন্যৰাজ্যৰ বা অনুৰূপ অন্য সৰ্বভাৰতীয়ৰ তুলনাত যথেষ্ট বিভিন্ন শিতানত কম হৈছে। বাজেটৰ প্ৰস্তাৱিত ধন প্ৰতিবছৰে ঘোষণা কৰাতকৈ কম ব্যয় হৈছে সেই কথাখিনি বাজেটৰ গোটেই লগত থকা supporting কিতাপখিনি পঢ়িলে গম পোৱা যায়। স্বাস্থ্যত নতুন আচঁনি লোৱা হৈছে, কিন্তু পূৰ্বতকৈ আৱণ্টন কম কৰা হৈছে। মহোদয়, যোৱা বছৰৰ ২০২২-২৩ চনৰ revised estimate তকৈ ১১ শতাংশ কম এইবাৰ ধাৰ্য্য কৰা হৈছে আৰু যি fiscal deficit এইটো ভাৰত চৰকাৰে আমাৰ নিৰ্ণয়কৰে যোৱা বছৰ চাৰে তিনি শতাংশ হ'ব লাগিছিল কিন্তু এইবাৰ GSDP ত দেখা গৈছে ৮.১ হ'ব আৰু এইখিনি যদি পুনৰ যি নিয়মৰ অধীনলৈ আনিব লাগে তেতিয়াহ'লে নিশ্চিতভাৱে যি ব্যয় কৰিম বুলি আমাৰ ভৱা হৈছে, সেইখিনি কৰ্ত্তন কৰিব লগা হ'ব। যোৱা সময়ত বহু ৰাজ্যই revised estimate ৰ fiscal and revenue deficit দিয়ে কিন্তু অসমৰ যি পুস্তিকা তাত সেই কথাখিনি উল্লেখ নাই। উদাহৰণস্বৰূপে কৃষিৰ ক্ষেত্ৰত ১৬ শতাংশ কম কৰা হৈছে। স্বাস্থ্যৰ ক্ষেত্ৰত ৯ শতাংশ কম কৰা হৈছে। গৃহৰ ক্ষেত্ৰত যোৱা বছৰৰ revised estimate ত কৈ ৫৫ শতাংশ কম। ঠিক তেনেকৈ গ্ৰামোন্নয়ণৰ ক্ষেত্ৰত যোৱা বছৰতকৈ ৪ শতাংশ কম কৰা হৈছে। যোৱা বাজেটৰ ৫৬.৩ শতাংশ ব্যয় হৈছিল ডিচেম্বৰ মাহলৈকে আৰু মূলধন ব্যয় ৪০ শতাংশতকৈ কম হৈছিল এই ডিচেম্বৰ মাহলৈকে। এইখিনি সময়ৰ তথ্য অৱশ্যে আমাৰ হাতত নাই কিন্তু যিটো কোৱা হৈছে যে আমি নিজৰ উৰ্পাজনৰ পইচাৰে দৰমহা, পেঞ্চন ইত্যাদি দি আছো। আমাৰ কালিৰ projection ত দেখা গৈছে যে আমি ৩৭ হাজাৰমান টকা আমাৰ নিজৰ আহৰণ হ'ব own income কিন্তু ৫৬ হাজাৰ কোটিতকৈ অধিক টকা দৰমহা আৰু পেঞ্চনৰ বাবে ব্যয় হ'ব। গোটেই ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত ১৪.৮ সৰ্বভাৰতীয় হাৰ, অসমৰ ক্ষেত্ৰত ই ১৪ হৈছে। স্বাস্থ্যৰ ক্ষেত্ৰত ৬.৩ শতাংশ বাজেটৰ সৰ্বভাৰতী হাৰ ব্যয় কৰা হয়। আমাৰ ৰাজ্যত ৫.৭ কৰা হৈছে। গ্ৰামোন্নয়নৰ ক্ষেত্ৰত ৫.৭ ব্যয় কৰা হয়। আমাৰ ৰাজ্যত ৩.৩ শতাংশ ব্যয় কৰা হৈছে। চহৰ উন্নয়নৰ বাবে চাৰে তিনি শতাংশ ব্যয় কৰা হয়।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত ৫.৭ শতাংশ কৰা হৈছে। গ্ৰামোন্নয়নৰ ক্ষেত্ৰত ৫.৭ শতাংশ ব্যয় কৰা হয়, আমাৰ ৰাজ্যত ৩.৩ শতাংশ ব্যয় কৰা হৈছে। চহৰ উন্নয়নৰ বাবে ৩.৩ শতাংশ ব্যয় কৰা হয়। আমাৰ ৰাজ্যত ৩ শতাংশ কৰা হৈছে। অৱশ্যে গৃহ বিভাগৰ ক্ষেত্ৰত সৰ্বভাৰতীয় ৪.৩ শতাংশতকৈ বৃদ্ধি কৰি আমাৰ ৰাজ্যত ৫.৮ শতাংশ কৰা হৈছে। ঠিক তেনেকৈ গ্ৰাম্য পথ বা অন্য পথৰ ক্ষেত্ৰত সৰ্বভাৰতীয় হাৰ ৪.৫ শতাংশ। কিন্তু আমাৰ ৰাজ্যত ৯.৩ শতাংশ কৰা হৈছে। কৃষিৰ ক্ষেত্ৰত সৰ্বভাৰতীয় হাৰ ৫.৮ শতাংশ। কিন্তু আমাৰ ৰাজ্যত ৪ শতাংশ কৰা হৈছে। জলসিঞ্চনৰ ক্ষেত্ৰত সৰ্বভাৰতীয় হাৰ ১৩.৫ শতাংশ। কিন্তু আমাৰ ৰাজ্যত ২ শতাংশ কৰা

হৈছে। আমাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালাম ডাঙৰীয়াই কৈছে পাঁচটা প্ৰতিশ্ৰুতি পূৰ্ণ ক্ষেত্ৰৰ ভিতৰত কৃষি হৈছে ভাৰতৰ মূল দক্ষতা। প্ৰাকৃতিক সম্পদ আৰু মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ দুগুণ কৰাৰ বাবে প্ৰতিভাশালী জনশক্তি আধাৰিত উন্নত ভাৰতৰ দৃষ্টিভংগী উপলব্ধি কৰিবই লাগিব। অৰ্থাৎ কৃষি আৰু আনুষাংগিক ক্ষেত্ৰত গুৰুত্ব দি ভাৰতৰ জি ডি পি বঢ়োৱাৰ কথা কৈছিল। তেখেতে কৈছিল কৃষি খাদ্যৰ প্ৰক্ৰিয়া কৰণ সম্পৰ্কত ঔদ্যোগিক উৎপাদন আৰু সেৱা ক্ষেত্ৰৰ বিকাশৰ মূল চাবি-কাঠি হৈছে কৃষিৰ উৎপাদনশীলতা বৃদ্ধি কৰা। অৰ্থাৎ কৃষিত যদি আমি ভাল কৰোঁ, তেতিয়া চাৰ্ভিচ চেক্টৰ আৰু অন্য উদ্যোগৰ ক্ষেত্ৰতো আমি ভাল কৰিব পাৰিম। আমি খুব সোনকালে পাঞ্জাৱৰ ওচৰ পামগৈ বুলি কৈছে। কিন্তু পাঞ্জাৱত কৃষিৰ ক্ষেত্ৰত ৯৮ শতাংশ ভূমি জলসিঞ্চিত। কিন্তু আমাৰ ৰাজ্যত মাত্ৰ ১০ শতাংশ। কৃষিৰ অৰিহণা আমাৰ ৰাজ্যত জি এচ ডি পিৰ ক্ষেত্ৰত কমি গৈছে। কোল্ড ষ্টোৰেজ অসমত প্ৰায় নাই। ৰাজহুৱা উদ্যোগসমূহ প্ৰায় লোকচানৰ সন্মুখীন হৈছে আৰু এই ক্ষেত্ৰত বহুখিনি প্ৰায় বিক্ৰী কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু কেৰেলাত প্ৰায় ১২০ টা ৰাজহুৱা উদ্যোগ আছে আৰু ৬০ টা চৰকাৰে লাভজনক উদ্যোগলৈ পৰিণত কৰিছে আৰু বাকীখিনিৰ ক্ষেত্ৰতো তেওঁলোকে চেষ্টা কৰি আছে। ঠিক তেনেকৈ অধ্যক্ষ মহোদয়, এক লাখ নিযুক্তিৰ কথা কৈছিল, সেইখিনি বিধান সভাৰ এই শিতানতে এটা প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে পদখিনি ২০১৬ চনৰ পূৰ্বৰ পৰাই খালী হৈ আছে। ২০১৬ চনৰ পৰা আমি এতিয়া ২০২১ চন পালো, যোৱা সাত-আঠ বছৰত এই এক লাখ পদ এতিয়াও পূৰণ কৰা নাই। সেইখিনি নকৰাৰ বাবে আমাৰ বহু কামৰো ক্ষতি হৈছে, বিভিন্ন বিভাগত যেনে-কৃষি, পশুপালন বা পঞ্চায়ত বিভাগৰ লগত, একেজন বিষয়াই দুই-তিনিটা ক্ষেত্ৰ পৰিচালনা কৰিব লগা হয়। আজি এমাহ পূৰ্বে মোৰ সমষ্টিত পাঁচখন পশুপালন চিকিৎসালয় মাত্ৰ এজন বিষয়াই চলাবলগীয়া হৈছিল আৰু তাৰ ফলত কেনেকৈ গ্ৰাম্য অৰ্থনীতি সৱল হ'ব পাৰে। সেইকাৰণে য'ত য'ত আমি বিশেষ ব্যয় আগবঢ়াব লাগিছিল, সেইখিনি আমি কৰিব পৰা নাই আৰু তাৰ ফলত বাজেট বক্তৃতাত যিখিনি কথা কোৱা হৈছে, সেইখিনি আমি কিমান দূৰ নিব পাৰিম, সেই কথাটো চিন্তনীয়। কেন্দ্ৰ পৰা আমাৰ যি উৎস, মানে ৰাজহ তিনিটা উৎস-গ্ৰ্যাণ্ট, ডিভলিউশ্যন আৰু আমাৰ নিজৰ যিবিলাক ৰেভিনিউ অথবা চেণ্টাৰৰ স্কীম। কিন্তু এই ক্ষেত্ৰত কেন্দ্ৰীয় বাজেট খনতো উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি হওঁক বা অন্য ক্ষেত্ৰতে হওঁক যোৱা বছৰতকৈ পুঁজি কৰ্ত্তন কৰা হ'ল। সেই সময়ত যিহেতু আমাক চেণ্টাৰতে পুঁজি কৰ্ত্তন কৰি দিয়া হৈছে আৰু আমি ইয়াত যদিও কৈছো যে বৃদ্ধি কৰিম, কেনেকৈ বৃদ্ধি কৰিম সেইটো ইয়াত স্পষ্টভাৱে অহা নাই। উদাহৰণ স্বৰূপে জলসম্পদ বিভাগৰ বাজেটৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বিশেষ আঁচনি ধাৰ্য্য কৰা নহ'ল। যোৱা বছৰ ৪৯২.৬০ কোটি টকাৰ পৰিৱৰ্তে এইবাৰ ইয়াক হ্ৰাস কৰি কেন্দ্ৰীয় বাজেটত ২৭৪.০৩ কৰা হ'ল। ঠিক তেনেধৰণে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি খণ্ড আৰু কৃষক কল্যাণ বাজেটতো যোৱা বছৰ ১২,৩৩২.৬০ কোটি টকা হ্ৰাস কৰি এই বছৰ ১১৫৫২.৩৫ কোটি কৰা হৈছে। সংখ্যালঘু পৰিক্ৰমা বিভাগৰ বাবেও উত্তৰ-পূৰ্বাঞ্চলৰ যি বাজেট সেইখিনি হ্ৰাস কৰি পূৰ্বৰ ৫০২.২০ কোটি টকাৰ পৰিৱৰ্তে ২০২৩-২৪ বৰ্ষত মাত্ৰ ৩০৯.৭ কোটি টকা কৰা হৈছে আৰু ঠিক তেনেধৰণে উত্তৰ-পূৰ্বঞ্চলৰ পুলিচ modernization ৰ কথা যিটো কোৱা হৈছে তাৰ ক্ষেত্ৰতো গৃহ বিভাগৰ অধীনত পূৰ্বতে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ধাৰ্য্য কৰা হৈছিল দুশ কোটি টকা। এইবাৰ এই আবণ্টন হ্ৰাস কৰি মাত্ৰ ১৭.৫১ কোটি টকা কৰা হৈছে। আৰক্ষীৰ modernization ৰ বাবে যোৱা বাৰ ৯৪২.৫০ কোটি টকা কৰা হৈছিল আৰু এইবাৰৰ বাজেটত ৫১২.৮৪ কোটি টকা কৰা হৈছে। সমবায়ৰ বাবে যোৱাবাৰ ধাৰ্য্য কৰা হৈছিল ৭৩ কোটি

টকা আৰু মুখ্যমন্ত্ৰী মহোদয় আৰু সকলো বিধায়কৰ উপস্থিতি ৰাজ্যপালৰ ভাষণত কোৱা হৈছিল যে সমবায়ৰ যোগেদি যুৱক সকলক কেনেকৈ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰিবলৈ প্ৰচেষ্টা আগবঢ়াব লাগে। এইবাৰ কেন্দ্ৰীয় বাজেটত মাত্ৰ চাৰে পাঁচ কোটি টকা কৰা হৈছে। অধ্যক্ষ মহোদয়, ঠিক তেনেদৰে আমি যদি চাওঁ যে কেইটামান ক্ষেত্ৰত অৱশ্যে ভাল পুঁজি কেন্দ্ৰীয় বাজেটত আবণ্টন হ'ল-স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত। কিন্তু তেনেধৰণে যদিহে আমি গোটেই কথাখিনি চাওঁ, তেতিয়াহ'লে আমাৰ বহুখিনি কথা কেন্দ্ৰীয় বাজেটৰ লগত সমিল-মিলেৰেহে কৰিব পাৰি। কিন্তু এইক্ষেত্ৰত যিহেতু এইবিলাক দেখা নাই, চৰকাৰৰ যিখিনি অভিলাষী আঁচনি সেইবিলাক তেওঁলোকে কেনেকৈ বিত্তৰ যোগান ধৰিব, সেই ক্ষেত্ৰত আমি স্পষ্ট হ'ব পৰা নাই। কৃষি বিভাগৰ ক্ষেত্ৰত মই যিহেতু কৈছিলোঁৱেই যে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাত এইবাৰ কেন্দ্ৰীয় বাজেটতেই ১৫,৫০০ কোটি টকাৰ পৰা ১৩,৬২৫ কোটি টকা কৰা হৈছে আৰু অসমৰ ক্ষেত্ৰতো এই হাৰ অতি নগণ্য। অসমত ২৭ লাখতকৈ অধিক কৃষক আছে আৰু এই কেন্দ্ৰীয় আঁচনিখনৰ অধীনত ২.৪৭ লাখ কৃষকে সুবিধা গ্ৰহণ কৰিছিল। ঠিক তেনেদৰে ২০২২ চনত খাৰিফ বতৰত ১.৭০ লাখ হেক্টৰ মাটিৰ বীমা কৰা হ'ল। অথচ অসমত ২৩ লাখ হেক্টৰতকৈ অধিক মাটিত শালি খেতি কৰা হয়। এনেকুৱা ধৰণে যদি আমি কেন্দ্ৰীয় আঁচনিসমূহৰ ভাল সুযোগ গ্ৰহণ নকৰো এইক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ মন্ত্ৰী মহোদয়েও কৈছে যে বাজেটত ধন ধৰা হয় কিন্তু পিছত কাটি দিয়া হয়। প্ৰায় ৪০ হাজাৰ কোটি টকাৰ তাৰতম্য তেখেতেওঁ উল্লেখ কৰিছে। যি ধৰণে কেন্দ্ৰৰ ফালৰ পৰা আগৰ স্পেচিয়েল কেটেগ'ৰী থাকোতে বিশেষ গুৰুত্ব পাইছিলো, সেই গুৰুত্ব নোহোৱাৰ পিছত আৰু ফাইনেঞ্চ কমিশ্যনৰ লাহে লাহে এলোকেশ্যন সমূহ বন্ধ হোৱাৰ পিছত এইবাৰ যিখন বাজেট দিছে, সেইখনত আমি কিমান কৰিব পাৰিম। ঋণ লোৱা হয় কিন্তু কেনেকুৱা ক্ষেত্ৰত ঋণ সমূহ ব্যয় কৰা হয়, আমি সেই সমূহ ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিছো নে নাই, নে আমি কেৱল প্ৰতিযোগিতা বা গাওঁৰ কিবা উৎসৱ পাতিবলৈ পইচা দিয়া হ'ব? এইবোৰৰ যোগেদি কিবা অ-উৎপাদনশীল কামত ব্যৱহাৰ কৰিম নে উৎপাদনশীল কামত ব্যৱহাৰ কৰিম সেই বিষয়ে আৰু অলপ আলোচনা হোৱাৰ প্ৰয়োজন আছে। মই যিটো কৈছিলো তেলেংগানাই FRBM ৰ ওপৰত যোৱাৰ বাবে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতা ৰমণ ডাঙৰীয়ানীয়ে তেলেংগানা চৰকাৰক সতৰ্ক কৰি দিছিল যে এইটো Mandate limit ৰ পৰা Exceed কৰিছে। ঠিক তেনেকৈ States borrowing limit to be set at 3.5 for the Financial Year 2024. বুলি বাতৰি ওলাইছিল। অসমৰ ক্ষেত্ৰত যেনেকৈ যথেষ্ট বৃদ্ধি হৈছে, সেইকাৰণে বিশেষ সতৰ্কতা ল'ব লাগিব আৰু আমাৰ অপ্ৰয়োজনীয় খৰচসমূহ হ্ৰাস কৰাৰ চেষ্টা কৰিব লাগিব। এইটো ভাল কথা যে কেবিনেট বিভিন্ন অঞ্চলত কৰিছে। কিন্তু কেবিনেটৰ নামত যিমানখিনি ব্যয় কৰা হ'ল সেইখিনি দিছপুৰত কেবিনেট কৰা হ'লে নহ'লহেঁতেন। সেয়েহে এনেধৰণৰ কথা চৰকাৰক অলপ ভাৱিবলৈ আহ্বান কৰিছো আৰু বাজেটখন যাতে বাস্তৱমুখী, নিৰনুৱা আৰু মহিলাসকলৰ বাবে হয়। এতিয়া মহিলাসকলৰ আত্মসহায়ক গোটৰ বাবে পুঁজি দিয়া হৈছে। যোৱা সময়ছোৱাত যথেষ্ট পুঁজি দিয়া হৈছে। কিন্তু তেওঁলোকেৰো এটা আউটকাম অডিট কৰিব লাগে যে যোৱা সময়ছোৱাত ৰিভলভিং ফাণ্ড আৰু নানা উদগনি দি থকা হৈছে। যিটো লক্ষ্য আছিল যে সেইখিনি লৈ তেখেতসকলে নিজকে বি পি এল কেটেগ'ৰীৰ পৰা ওপৰলৈ আনিব, সেইখিনি কৰিব পাৰিলে জানো, যদি পাৰিলে অন্য আৰু কি কৰিব পৰা যাবঙ্গ সেই গোটেই কথাখিনি ভালদৰে আলোচনা কৰি ভালদৰে যাতে বাজেটখন ৰিভাইচ কৰে তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য উৎপল বৰা ডাঙৰীয়াই কওঁক।

**শ্ৰী উৎপল বৰা, (গহপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে উপস্থাপন কৰা ২০২৩-২৪ বৰ্ষৰ যি বাজেট সেই বাজেটৰ ওপৰত আমাক দুই-আষাৰ ক'ব দিয়াৰ বাবে মই প্ৰথমে আপোনক ধন্যবাদ জনালো আৰু বিশেষভাৱে ধন্যবাদ জনাইছো অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে বিত্তমন্ত্ৰী ডাঙৰীয়ানীক। ২০২৩-২৪ বৰ্ষৰ যিখন বাজেট অসমৰ ৰাইজৰ বাবে উপস্থাপন কৰিছে, সেই বাজেটখন আমি সকলোৱে শুনিছো আৰু দেখা পাইছো। ই এখন সৰ্বব্যাপি আৰু সৰ্বস্পৰ্শী বাজেট। অসমৰ সকলো জাতি-জনগোষ্ঠী, অসমত বসবাস কৰা সকলো ব্যক্তিকে স্পৰ্শ কৰি অৰ্থনৈতিক উন্নতি, সাংস্কৃতিক বিকাশ, আধ্যাত্মিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত আৰু শৈক্ষিক দিশত আগবঢ়াই লৈ যোৱাৰ বাবে দায়িত্বশীল চৰকাৰৰ সমাজখনত যিখিনি প্ৰয়োজনীয়তা আছে সেইখিনি পৰিস্ফুট হৈছে। আমাৰ এই বাজেটখনত ১ লাখ ৩৯ হাজাৰ ৪৪৩.৮৭ কোটি টকা প্ৰাপ্তিৰ সাপেক্ষে ১ লাখ ১৪ হাজাৰ ৮৪.৬৯ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ২৫ হাজাৰ ৩৫৯.১৯ কোটি টকা মূলধন শিতানত দেখুওৱা হৈছে। মই ভাৱিছো, এই বাজেটখনৰ জৰিয়তে অসমৰ প্ৰতিগৰাকী জনসাধাৰণ যথেষ্ট উপকৃত হ'ব। আমাৰ এই বাজেটখনৰ আৰম্ভণিতে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে Economist- Dudley Seers ৰ সংজ্ঞা এটা উপস্থাপন কৰিছিল- "Development is when a country experiences a reduction or elimination of poverty, inequality and unemployment." অৰ্থাৎ উন্নয়ন হৈছে সেইটোৱে, যেতিয়া দৰিদ্ৰতা, অসমতা আৰু নিবনুৱা সমস্যা নাইকিয়া হয় বা নিম্নগামী হ'বলৈ আৰম্ভ কৰে। সেই আধাৰতে আজি বিকাশৰ ক্ষেত্ৰত বাজেটখনত আমাৰ চৰকাৰখনে বিশেষভাৱে কাম কৰা পৰিলক্ষিত হৈছে। অসম চৰকাৰ আজি বদ্ধপৰিকৰ হৈছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই উত্তৰ-পূৰকলৈ বিকাশৰ নতুন ইঞ্জিন তথা উত্তৰ-পূৰক অষ্টলক্ষ্মী আখ্যা কৰি যি কাম কৰিবলৈ গৈ আছে, তাৰ আধাৰতে অসমৰ মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ লগতে অসম মন্ত্ৰী সভাৰ সকলো মন্ত্ৰীয়ে এই ক্ষেত্ৰত বিশেষ প্ৰয়াস কৰিছে। বাজেট ভাষণৰ আৰম্ভণিতে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে কেইটামান কথাত কেইগৰাকীমান ব্যক্তিৰ নাম লৈছে। তেওঁলোক হ'ল- প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়া। যোৱা ২২ টা মাহত উত্তৰ-পূৰ্বাঞ্চলত আলোচনাৰ মাধ্যমেৰে সন্ত্ৰাসবাদ নিৰ্মূলৰ বাবে যি পৰিৱেশ গঢ়ি উঠিছিল, সেই পৰিৱেশেৰে উন্নয়নৰ দিশত আগবঢ়াই নিয়াৰ বাবে আমাৰ চৰকাৰখনে যথেষ্ট সুবিধা পাইছে। তাৰ বাবে গৃহ মন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ জনাইছে। এইটো এটা সৌভাগ্যৰ কথা। লগতে, কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে অসমৰ বিত্ত ব্যৱস্থাটোক সচল কৰি তুলিবলৈ যি প্ৰয়াস কৰিছে তাৰ বাবে আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে তেওঁক ধন্যবাদ জ্ঞাপন কৰিছে আৰু তাৰ বাবে মইও তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ ডাঙৰীয়া, আমাৰ এই বাজেটখনত বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে ২০১৭-১৮ বৰ্ষত বিত্ত মন্ত্ৰী হৈ থাকোতে ভাগৱত গীতাৰ ১৮ টা অধ্যায়ৰ পৰা অনুপ্ৰাণিত হৈ ১৮ খন আঁচনি বিশেষভাৱে প্ৰয়োগ কৰাৰ বাবে চেষ্টা কৰিছিল। এই ধ্বজাবাঁহী আঁচনি কেইখনৰ জৰিয়তে অসমৰ জনসাধাৰণৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে অগ্ৰাধিকাৰ দিছিল। ইয়াক অষ্টাদশ মুকুতাৰ উন্নয়নী মালা হিচাপে গণ্য কৰা হৈছিল। ২০১৭-১৮ বৰ্ষৰ পৰা আজিৰ আমাৰ এই বাজেটখনত এই ১৮ টা বিশেষ আঁচনিৰ জৰিয়তে অসমৰ বিভিন্ন জনসাধাৰণৰ ....interruptions..

**মাননীয় অধ্যক্ষঃ** হৈ যাব। আপোনাৰ allotted time ৫ মিনিট আছিল।

**শ্ৰী উৎপল বৰা, (গহপুৰ)ঃ** ইমান দীঘল বাজেটত আৰু অকণমান কৈ শেষ কৰিম। গতিকে, মই

ভাৰিছো, অষ্টাদশ মুকুতাৰ উন্নয়নী মালাৰ মাজেৰে আমাৰ স্ব-নিয়োজনৰ ব্যৱস্থা বা প্ৰজ্ঞান ভাৰতীৰ জৰিয়তে শিক্ষা খণ্ডক আগুৱাই নিয়াৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিশেষভাৱে ধন্যবাদ দিব বিচাৰিছো যে গহপুৰ সমষ্টিত স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱাৰ স্মৃতিত উত্তৰ-পূৰ্বাঞ্চলৰ শৈক্ষিক ক্ষেত্ৰত আগবঢ়াই নিয়াৰ বাবে কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয় ঘোষণা কৰিছে আৰু তাৰ বাবে অসম চৰকাৰক মই কৃতজ্ঞতা প্ৰকাশ কৰিছো। আমাক কম সময় দিছে, আৰু অলপ সময় বঢ়াই দিব লাগিছিল। তথাপিও ইমানখিনিকে কৈ এই বাজেটখন যে সৰ্বব্যাপি আৰু সৰ্বস্পৰ্শী হৈছে আৰু ইয়াৰ জৰিয়তে অসমৰ সকলো জাতি-জনগোষ্ঠী সকলো ধৰ্মীয় লোকক আগবঢ়াই নিবৰ বাবে অসম চৰকাৰে যি প্ৰয়াস কৰিছে, এই প্ৰয়াসক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ দু-আষাৰ ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আমাৰ সময় কম। তাৰ বাবে ৫ মিনিট সময় মই allot কৰিছো। শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোনপ্ৰথমে এই বাজেটখনৰ ওপৰত মোক কোৱাৰ সুযোগ দিয়াৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো। একেবাৰে কম সময় দিয়াৰ বাবে মোৰ ক'বলগীয়া কথাখিনি হয়তো ভালদৰে ক'ব নোৱাৰিম। যোৱাকালি বিত্ত মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যেতিয়া তেখেতৰ ভাষণ ৰাখি আছিল সেই সময়ত আমি সকলোৱে সদনত উৎফুল্লিত হৈ বহি আছিলো। বাজেটত এনেকুৱা কিছুমান কথা দাঙি ধৰা হৈছিল যিবোৰ কথাৰ বিষয়ে জানি ৰাইজ উৎফুল্লিত হৈছে আৰু আজি আমি বিভিন্ন প্ৰান্তৰ পৰা এই খবৰ পাইছো। অধ্যক্ষ মহোদয়, যিহেতু সময় কম, মই বিশেষকৈ বাগিচাৰ কথা উল্লেখ কৰিব বিচাৰিছো। আমি সকলোৱে জানো যে এই বছৰ চাহ উদ্যোগে দুশ বছৰত ভৰি দিবলৈ গৈ আছে। এই দুশ বছৰ উদ্‌যাপন কৰাৰ বাবে অহা বছৰ দেশ-বিদেশত বিভিন্ন ধৰণৰ কাৰ্য্যসূচী লোৱাৰ কথা এই বাজেটত উল্লেখ কৰা হৈছে। ভৱিষ্যতৰ বাবে এনে পৰিকল্পনা কৰাৰ যি পদক্ষেপ হাতত লৈছে তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত মন্ত্ৰী মহোদয়াক বিশেষভাৱে ধন্যবাদ জনাইছো। আমি সকলোৱে জানো যে আজিৰ তাৰিখত অসমত প্ৰায় পাঁচ লাখমান চৰকাৰী চাকৰিয়াল আছে আৰু সেই ৫ লাখ চৰকাৰী চাকৰিয়ালৰ ভিতৰত চাগে ১০০০ বা ১৫০০ মান চাহ-বাগিচাৰ লোকেহে চাকৰি পাবলৈ সুযোগ পাইছে। কিন্তু, বাজেটখনত OBC ৰ ভিতৰত ৩% আদিবাসী চাহ-জনগোষ্ঠী লোকৰ বাবে সংৰক্ষণৰ কথা কোৱা হৈছে। ইয়াৰ জৰিয়তে ভৱিষ্যতে ১০-১৫ হাজাৰ আদিবাসী চাহ-জনগোষ্ঠী সমাজৰ যুৱক-যুৱতীয়ে চাকৰি পোৱাৰ সুযোগ পাব। এই কথাটো সঁচাকৈয়ে আদৰণীয়। মই ভাৱো সদনৰ সকলো সদস্যই কথাটোত একমত হৈ মানি ল'ব। ইয়াৰোপৰি, চাহ নিগমৰ বাগিচাৰ কথা যি ইয়াত কোৱা হৈছে, এই চাহ-নিগমৰ বাগিচাবোৰ ইতিমধ্যে লীজত দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই বাগিচাবোৰৰ যথেষ্ট liability আছে, যেনে- Provident Fund, Gratuity ৰ liability. এই liabilities বোৰ মাৰিবৰ বাবে কিছুদিন আগত আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ লগত বৈঠক হৈছিল আৰু সেই বৈঠকত তেখেতে liabilitiesবোৰ চৰকাৰৰ তৰফৰ পৰা মাৰি দিয়াৰ আশ্বাস দিছিল। সেইমতে বাজেটত ১০০ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু তাৰ বাবেও মই তেখেতক ধন্যবাদ জনাইছো। এই বাজেটখনৰ যোগেদি বিজেপিয়ে হিতাধিকাৰী সৃষ্টি কৰিবলৈ চেষ্টা কৰা বুলি বিৰোধীয়ে কৈছে কিন্তু তেওঁলোকৰ নেতা ৰাহুল গান্ধী ডাঙৰীয়াই কৈছিল যে যদি তেওঁলোকৰ চৰকাৰ আহিলহেঁতেন, তেন্তে তেওঁলোকে নগদ টকাৰ

কিবা এটা আঁচনি ল'লেহেঁতেন। নগদ টকা হাতত থাকিলে দুখীয়াৰ purchasing power টো বাঢ়িব বুলি কৈছিল। এই বাজেটৰ যোগেৰে আমাৰ অৰুণোদয়ৰ হিতাধিকাৰীৰ কথা কোৱা হৈছে, ২৭.৫ লাখ অৰুণোদয় হিতাধিকাৰী। -----interruption--

**শ্রী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নামটো ক'ব নালাগে।

**শ্রী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** যিটো সঁচা কথা সেই নামটোৱে লোৱা হৈছে। ----হুলস্থুল--- মই একো বেয়া কথা কোৱা নাই, সচাঁ কথাটোহে কৈছো। আপোনালোকৰ manifesto ত আছিল, , আপুনি পঢ়ি ল'ব। গতিকে আপোনালোকে দিলে হিতাধিকাৰী নহয়, আমি দিলে হিতাধিকাৰীৰ সৃষ্টি কৰা হয়। আজি ২৭.৫ লাখ দুখীয়া মহিলাই ১২৫০ টকা কৈ লাভ কৰিবলৈ সক্ষম হ'ব আৰু পৰৱৰ্তী সময়ত অৰুণোদয়ৰ ধনৰ পৰিমাণ ১৪০০ টকা হ'বগৈ। গতিকে ইয়াৰ যোগেদি আমাৰ দুখীয়া লোকসকলে যথেষ্ট অৰ্থনৈতিক support পাব।

ইয়াত মুখ্যমন্ত্ৰীৰ আয়ুস্মান কাৰ্ডৰ কথা কোৱা হৈছে। আজি বেমাৰ আজাৰত পৰিলে দুখীয়া লোকসকলৰ কি হাঁহাকাৰ অৱস্থা হয়, আমি যদি মেডিকেল কলেজ সমূহত গৈ অকণমান সময় কটাওঁ, গম পাম যে তেওঁলোকে কিমান কষ্ট পায়। এই আয়ুস্মান ভাৰতৰ কাৰ্ডে দুখীয়া লোকসকলক যথেষ্ট সহায় কৰিব। ৫ লাখ টকাৰ মেডিকেল support কম ডাঙৰ কথা নহয়। গতিকে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত মন্ত্ৰী মহোদয়াক ধন্যবাদ জনাইছো। আমাৰ গাঁও অঞ্চল বা বাগিছা অঞ্চলত বসবাস কৰা যিসকল নিৰনুৱা মহিলা আছে, তেখেতসকলে আত্মসহায়ক গোটৰ যোগেদি জীৱন- জীৱিকা বিচাৰিবলৈ চেষ্টা কৰিছে, তেওঁলোকৰ কাৰণে বাজেটখনত কথা কোৱা হৈছে। Individual Account খুলি প্ৰতিগৰাকী মহিলাৰ Account ত বৰ্তমান ১০০০ টকা আৰু ভৱিষ্যতে performance ৰ ওপৰত ভিত্তি কৰি ১০,০০০ টকাকৈ তেওঁলোকক উদগনি দিয়াৰ কথা কোৱা হৈছে। গতিকে এই কথাবিলাকৰ যোগেদি অসমক অৰ্থনৈতিক, সামাজিক সকলো দিশতে আগুৱাই লৈ যোৱাৰ কাৰণে এই চৰকাৰখনে চিন্তা কৰিছে আৰু তাক সম্পূৰ্ণৰূপে প্ৰতিফলিত কৰিবলৈ চৰকাৰ সক্ষম হৈছে।

এই বাজেটখনত মই আৰু এটা কথাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো। প্ৰায় ১ লাখ ৪০ হাজাৰ কোটি টকাৰ এই বাজেটখন অসমৰ যোৱা ৭৫ বছৰত চাগে প্ৰথমবাৰ ইমান ডাঙৰ বাজেট এই সদনে দাঙি ধৰিছে। তাৰবাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমাৰ সদনত পুনৰ ২ বজাৰ পৰা বহাৰ কথা আছিলে। এতিয়া আমি ইতিমধ্যে আধা ঘন্টা সময় বঢ়ালো। গতিকে এতিয়া সদন পুনৰ আজি দিনৰ ২ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।

**(২.৩০ বজাৰ লগে লগে ইংৰাজী ১৭-০৩-২০২৩ দিনাংকৰ বাজেট অধিবেশনৰ দ্বিতীয় অংশৰ কাৰ্য্যক্ৰমণিকা আৰম্ভ হয়।)**

**মাননীয় উপাধ্যক্ষৰ সদনত প্ৰৱেশ** -

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীভৰত নৰহ ।

**শ্ৰীভৰত নৰহ,(নাওবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যোৱাকালি অসম বাজেট স্পীচ যোৱাকালি দাখিল কৰিছে। ছাৰ, ২০২১- ২০২২ চনৰ বাজেট আৰু ২০২২- ২০২৩ চনৰ বাজেট মই মিলাই চালো । মিলাই চাই দেখিলো যে ২০২২ চনৰ

বাজেটৰ চিক্সটি পাৰ্চেন্ট স্কীম ২০২৩ চনৰ বাজেটত অৰ্ন্তভূক্ত কৰা হৈছে । ফৰ্টি পাচেন্টো নহয় চিক্সটি পাৰ্চেন্ট । আৰু এই আঁচনিবিলাকৰ ফিফ্টি পাৰ্চেন্ট আনপ্ৰডাক্টিভ আছে । ইয়াৰ পৰা কোনো প্ৰডাক্টশ্যন নহয়। ছাৰ, আমাৰ ৰাজ্যত এতিয়া হিতাধিকাৰীৰ সংখ্যা ২৭ লাখ হ'ল। আমাৰ ইয়াত ৰেশ্যন কাৰ্ড থকা মানুহ আছে -৫৪ লাখ ২৯ হাজাৰ ১০৬ জন। ইয়াৰে ৰেশ্যন কাৰ্ডৰ হিতাধিকাৰী আছে ১ কোটি ৯৮ লাখ ১৩ হাজাৰ ১১ জন । তাৰ মানে অসমৰ ৭১ শতাংশ মানুহে বিনামূলীয়া চাউল খায় । অকল ২৮ পাৰ্চেন্ট মানুহে নিজৰ পইচাৰে চাউল কিনে। আগতে এই সংখ্যাটো আছিলে - ২ কোটি ৫ লাখ ৭ ৯৯ জন আছিলে । মাজতে চৰকাৰে ৰেশ্যন কাৰ্ড ঘুৰাই দিবলৈ আবেদন কৰাৰ পিচত এই সংখ্যাটো ক'মি গৈ ২ কোটি ৫ লাখ ৭৯৯ ৰ পৰা ১ কোটি ৯৮ লাখ ১৩ হাজাৰ ১১ জন হৈছেগৈ । ছাৰ যিটো বাজেট ইয়াত দাখিল কৰা হৈছে- যোৱা বাৰৰ চিক্সটি পাৰ্চেন্ট স্কীম ইয়াত উল্লেখ আছে আৰু ফৰ্টি পাৰ্চেন্টহে ইয়াত নতুন আছে । এই কাৰণে ছাৰ মই ক'ব বিচাৰিছো নতুন বটলত পুৰনি মদ । মদখিনি একেই আছে কেৱল বটলটো সলনি হৈছে । তাৰে যেনিবা ফৰ্টি পাৰ্চেন্ট নতুন আহিছে । এই কাৰণে উপাধ্যক্ষ মহোদয় এই বাজেট হৈছে - ভোট বেংক সৃষ্টি কৰা এখন নিৰ্ব্বাচনকেন্দ্ৰীক বাজেট , যাৰ লক্ষ্য হৈছে পঞ্চায়ত আৰু লোকসভা নিৰ্ব্বাচন । গোটেই বাজেটখন হিতাধিকাৰীৰ মকৰা জালেৰে ঢাকি ৰখা হৈছে । মাননীয় মুখ্যমন্ত্ৰীয়ে নিজেও স্বীকাৰ কৰিছে - যে আমাৰ লক্ষ্য হৈছে হিতাধিকাৰী সৃষ্টি কৰা । ছাৰ, ২০২১- ২০২২ ত যিটো আমাৰ বাজেট আছিলে - ১ লাখ ৭ হাজাৰ ৫ ৫৬ কোটি কিন্তু ৰিভাইজড এষ্টিমেটত এইটো হ'লগৈ - ১ লাখ ৩৬ হাজাৰ ৫৮ কোটি । ৰিভাইজড এষ্টিমেটত প্ৰায় ২০ হাজাৰ বাঢ়ি গ'ল । এই নিৰ্ব্বাচনৰ আগতে । এইটো বঢ়াৰ এটাই কাৰণ যে অসম চৰকাৰৰ ২০ হাজাৰ কোটি টকা বিভিন্ন হিতাধিকাৰীক নিৰ্ব্বাচন উপলক্ষ্যে বিতৰণ কৰা হৈছে । তাৰ মানে ২০২১ চনৰ নিৰ্ব্বাচনত -আপোনালোকে যে জিকি আহিলে ২০ হাজাৰ কোটি টকা চৰকাৰী ধন খৰছ কৰি বিজেপিয়ে নিৰ্ব্বাচনত জিকিছে- ২০২১ চনত। কিন্তু ছাৰ, কিছু ভাল ভাল আঁচনিও চৰকাৰে লৈছে এইবাৰ সেইটো আমি অস্বীকাৰ নকৰো। বিশেষকৈ অতিৰিক্ত কৰ আৰোপ কৰা নাই এইটো ভাল হৈছে । কৃষি আয় কৰ তিনি বছৰলৈ ৰেহাই দিয়া এইটো ভাল হৈছে। মুখ্যমন্ত্ৰীৰ স্বনিয়োজন আঁচনি - এক লাখ যুৱক-যুৱতীক দুই লাখকৈ অনুদান , মুখ্যমন্ত্ৰীৰ আয়ুষ্মান আঁচনি এনেকৈ কেইটামান ভাল আঁচনি ইয়াত দিয়া হৈছে । ৩ পাৰ্চেন্ট চাকৰি চাহ জনজাতিৰ বাবে সংৰক্ষণ , দহ হাজাৰ ঘৰ বনোৱা , অৰ্থোডক্স চাউলৰ চাবচিডি ১০ টকা কৰা এনেকুৱা কেইটামান ভাল আঁচনি আছে । কিন্তু এই আঁচনিবিলাক যদি ভালকৈ ইমপ্লিমেন্ট কৰে কিন্তু ছাৰ অসমৰ যিটো বাজেটৰ আকাৰ তাতকৈ ঋণৰ বোজাটো ডাঙৰ হৈছে । বাজেট দিছে- ১ লাখ ৩৯ হাজাৰ ৭৫৫ . ২৯ কোটি কিন্তু ঋণৰ বোজাটো চাওঁক- ১ লাখ ৩৮ হাজাৰ ২৭৩ কোটি টকা, অলমোষ্ট একে । তাৰমানে অসমৰ এনুৱেল বাজেট আৰু টোটেল লায়েব্লিটিছটো প্ৰায় একে হৈছে এইবাৰ । জিডিপিটো ৰাজ্যপালৰ ভাষণত কৈছে অনুমান কৰা হৈছে, একজেক্ট বাঢ়িছে বুলি ক'ব পৰা নাই । বাঢ়িবলগীয়া ৫ . ৫ লাখ জিডিপি যিটো কৈছে এইটো অনুমানহে কৰিছে । ২০২১-২২ চনত ৩ .৯ লাখ জিডিপি আছিল। এইটো একচেপ্টেড আৰু মাননীয় মুখ্যমন্ত্ৰীয়েও কৈছে যে আমি প্ৰথম বাজেট ১ লাখ ৬২ হাজাৰ কোটি টকা খৰছ কৰিছো । চেকেণ্ড বাজেটত ১ লাখ ২২ হাজাৰ এক্সপেণ্ডিচাৰ হ'ব আৰু তৃতীয় বাজেট যেতিয়া দাখিল কৰিব তেতিয়া টাৰগেট লৈছে ১ লাখ ৩৯ হাজাৰ কোটি এক্সপেণ্ডিচাৰ কৰিব। এনেকৈ এক্সপেণ্ডিচাৰটো বাঢ়ি অহা বুলি তেখেতে কৈছে । কিন্তু এই ১ লাখ ৩৯ হাজাৰ ৭৫৫ কোটি টকাৰ যিটো বাজেট এই

গোটেই বাজেটটো কিন্তু ডিভল'মেন্টৰ কাৰণে নহয় । বাজেটটো দেখিলে এনেকুৱা লাগে এই গোটেই বাজেটৰ টকাটোৰে উন্নয়নৰ কাম হ'ব কিন্তু এইটো নহয়। আমাৰ মাননীয় বিত্ত মন্ত্ৰী গৰাকীয়ে যিটো বাজেট দাখিল কৰিছে সেই বাজেটত কমিটিড এক্সপেণ্ডিচাৰ আছে ৬৬ হাজাৰ ৫৪ কোটি কমিটেড এক্সপেণ্ডিচাৰ। ৫৮ পাৰ্চেন্ট । ছাৰ, তাৰমানে দৰমহা- ৩৬ পাৰ্চেন্ট, পেঞ্চনত ১৪ পাৰ্চেন্ট , ইন্টাৰেষ্ট পেমেন্ট ৮ পাৰ্চেন্ট তাৰমানে ডেভল'পমেন্টৰ কাৰণে মাত্ৰ ৪২ পাৰ্চেন্টহে থাকিব । আকৌ ছাৰ, ৪২ পাৰ্চেন্টৰ গোটেইবিলাক কিন্তু কেৱল নতুন স্কীমৰ বাবে নহয় , ইয়াতে ঠিকাদাৰসকলৰ পেণ্ডিং বিল সোমাই আছে । কেপিটেল এক্সপেণ্ডিচাৰ যিটো ৰখা হৈছে বাইশ হাজাৰ কোটি তাতে গোটেই পেণ্ডিং বিল সোমাই আছে । গোটেইখিনি নতুন স্কীম ল'ব নোৱাৰে। পেণ্ডিং বিলত বহুখিনি গুছি যাব। এই কাৰণেই সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষণত কৈছে যে জি এচ ডিবিত আমাৰ লোনৰ পাৰ্চেন্টটেঞ্জটো কিন্তু ২০২৩- ২৪ ৰ বিত্তীয় বৰ্ষৰ শেষত আমাক আউটষ্টেণ্ডিং লায়েব্লিটি হ'বগৈ জিডিপি ২৪.৪ শতাংশ । গতিকে এইটো বাঢ়ি বাঢ়ি গৈ আছে । ঋণৰ ক্ষেত্ৰত যিটো ইন্টাৰেষ্ট পেমেন্ট ৮ পাৰ্চেন্ট আৰু ১৪ ফাইনেন্সে এইটো কৈছে- ৰেভিনিউ ৰিচিভৰ মাত্ৰ টেন পাৰ্চেন্টহে ইন্টাৰেষ্ট পেমেন্ট দিব পাৰিব। অলৰেডী আমি এইট পাৰ্চেন্টত আছো। মাত্ৰ টু পাৰ্চেন্ট বাকী আছে । কিন্তু এইটো ঠিক যিটো আমাৰ চি এমে ডাঙৰীয়াই কৈ থাকে অন্য ৰাজ্যই লোন আমাতকৈ বেছি লৈছে সেইটো হয় । ভাৰতৰ কিছু ৰাজ্যৰ লোন আমাতকৈ বহু বেছি। এতিয়া পঞ্জাৱত ২১.৩ পাৰ্চেন্ট, পশ্চিমঙ্গত ২০ পাৰ্চেন্ট , তামিলনাডুত ২১ পাৰ্চেন্ট , হাৰিয়ানাত ২৯ পাৰ্চেন্ট - এই কাৰণে বিজেপি চৰকাৰৰ মাননীয় মন্ত্ৰীয়ে এইটো কমপ্লিমেন্ট হিচাপে ল'ব নালাগে । সেই ৰাজ্যবিলাকৰ ইন্টাৰেষ্টটো লৈ ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই কেইবাবাৰো তেওঁলোকক ৱাৰ্নিং দিছে যে লিমিট এচিভ কৰাৰ কাৰণে। বিশেষকৈ এই বাজেটত, মই যোৱাবাৰো কৈছিলোঁ, যে ৰাজহ বঢ়াবৰ কাৰণে আমাৰ নিজস্ব কোনো আঁচনি নাই। কোনো পলিচি নাই। আমাৰ অসমৰ অৰ্থনীতিৰ দুৰাৱস্থাৰ মূল কাৰণ এইটোৰে। কাৰণ আমাৰ অসমৰ নিজৰ Revenue Resource মাত্ৰ ২৯ শতাংশ। আমি কেন্দ্ৰৰ পৰা ৭১ শতাংশ dependable কৰিব লাগে। আমাৰ ৩০ শতাংশৰ তলত, কেতিয়াবা ২৫ শতাংশ হয়, কেতিয়াবা ২৭ শতাংশ হয়। গতিকে আমি এতিয়াও below 30%ত আছোঁ। কিন্তু পাঞ্জাৱৰ ৬৬ শতাংশ নিজৰ Revenue Resource আছে, মাত্ৰ ৩৪ শতাংশহে কেন্দ্ৰক dependable কৰে। মহাৰাষ্ট্ৰৰ ৬৩ শতাংশ, হাৰিয়ানাৰ আছে ৬৩ শতাংশ, তামিলনাডু ৬২ শতাংশ, তেওঁলোকৰ নিজৰ Revenue Resource. কিন্তু আমাৰ below 30%। কেৰেলাৰ ৬২ শতাংশ। গতিকে আমাৰ revenue resource যদি বঢ়াব চেষ্টা নকৰো পলিচি নলওঁ তেতিয়াহ'লে আমাৰ ভৱিষ্যৎতো অন্ধকাৰ হ'ব। এই বাজেটত চৰকাৰে যিটো substantial development goals বুলি কোৱা হয়, বহনসম উন্নয়নৰ লক্ষ্য সমূহ বাজেটত প্ৰতিফলিত হোৱা নাই। substantial development goalsৰ যি ১৭ টা পইন্ট আছে আৰু ১৬৯ যি টাৰ্গেত আছে, সেইটো কেনেকৈ প্ৰতিফলিত হ'ব বাজেটত এই বিষয়ে একো বাক্য নাই। যিটো United National ৰ নেতৃত্বত পৃথিৱীৰ প্ৰায় বিলাক দেশত ২০৩০ চনৰ ভিতৰত দৰিদ্ৰতা নিৰ্মূলকৰণ equal justice secure, এই যিটো target লোৱা হৈছে এই টাৰ্গেটৰ সম্পূৰ্ণ মিছুন নাই। যোৱাবাৰ মন্ত্ৰী ডাঙৰীয়াই যিটো ঘোষণা কৰিছিল অষ্টাদশী মুকুতাৰ মালা ২০২২-২৩ত। তাৰ ১৮ টা আঁচনিৰ ভিতৰত ২ টাহে কাৰ্য্যকৰী হৈছে out of 18 Mission Basundhara and Arunodoi হে হৈছে। আৰু major announcement আছিল যোৱাবাৰ বিশেষ আঁচনি আছিল ১৯টা। এই ১৯টাৰ ভিতৰত ২ টাৰহে কাম হৈছে। অসম

আদৰ্শ গাঁও যোজনা আৰু এটা গৰুখুটীৰ প্ৰকল্প। এই গৰুখুটীৰ প্ৰকল্পও কি হৈছে ৩০০ টা ঘুৰাই দিব লগা হ'ল গাই গৰু, ৫৮ টা মৰিছে। এইটোও দুৰাৱস্থা হৈ আছে। কিন্তু এই আঁচনি দুটাহে চৰকাৰে আৰম্ভ কৰিব পাৰিছে ১৯ টাৰ ভিতৰত। Jal Jeevan Missionৰ কামৰ percentage মাত্ৰ 41.50%. মাননীয় মন্ত্ৰী ডাঙৰীয়াই মাজতে কৈছিল যে ৭২ বছৰত ১ শতাংশ আছিল আমি ৬ বছৰ, ২ বছৰত 41.50% কৰিছোঁ। সেইটোত তেনেকুৱা আত্মসন্তুষ্টি ল'ব নালাগে। কাৰণ ২০১৯ ৰ ১৫ আগষ্টত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই লালকিল্লাত ভাষণ দিওতে যেতিয়া Jal Jeevan Mission ৰ কথা ঘোষণা কৰিছিল তেতিয়া গোটেই national wise এটা project হয়। আগতে তেনেকুৱা project লোৱা নাছিল। গোটেই দেশৰ ঘৰে ঘৰে জল।

**মাননীয় উপাধক্ষ্য ঃ** Try to conclude.

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** এতিয়া আপোনাৰ সাতে পাঁচে বাৰ মাহ সময় আছে। এই ১২ মাহত কাম 59% বাকী আছে আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ১৮ লাখ ঘৰ sanction দিছিল, এতিয়ালৈ ৭৬৬১০০ house completed হৈছে, বাকী ১০ লাখ ৩৩ হাজাৰ ৯ শ ঘৰ নিৰ্মাণ কৰিবলৈ এতিয়াও বাকী আছে। সময় হাতত আছে মাত্ৰ ১২ মাহ। ৪২ শতাংশ কাম হৈছে, ৫৮ শতাংশ কাম বাকী আছে। এই Budgetত মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে আমাৰ ফেব্ৰুৱাৰী মাহলৈ কিমান বাজেট clear হৈছে expenditure কিমান হৈছে লিখিলে ভাল আছিলঙ্গ কিন্তু যোৱাবাৰ লিখিছিল। এইবাৰ ডিচেম্বৰলৈ বাজেটৰ খৰচ expenditure মাত্ৰ ৫৬.৩৪ শতাংশ হৈছে। আৰু capital expenditure নামত মাত্ৰ ৩৯.৪ শতাংশ হৈছে। মাত্ৰ সময় আছে আমাৰ হাতত এমাহ বা জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চত এই তিনিমাহত, শেষত খৰখেদাকৈ খেলিমেলিকৈ পইচাবোৰ খৰচ কৰিব লগীয়া হয়। ২০১৬-১৭ ৰ পৰা ২০১৯-২০ৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰত অসম চৰকাৰে ২৯ হাজাৰৰ কোটিৰ হিচাপ দিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰে বাৰে বাৰে নিৰ্দেশ দিছে। এতিয়ালৈ utilisization certificate অসম চৰকাৰে দাখিল কৰিব পৰা নাই। এইটোৰ কাৰণে প্ৰতিবেদনত উল্লেখ আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা লেটাৰ আহি আছে অসম চৰকাৰলৈ। ২০১৬-১৭ বৰ্ষৰ পৰা ২০২০-২১ বিত্তীয় বৰ্ষৰ ভিতৰত পোনপতীয়াকৈ কেন্দ্ৰৰ ২৫৮৬২ কোটি টকা ৰাজ্যিক ৰূপায়ণকাৰীলৈ হস্তান্তৰ কৰিছে। সেইবিলাক এতিয়ালৈকে তাৰ বাজেট ধাৰ্য্য কৰি খৰচ নকৰাকৈ ৰখা সমুদায় পুঁজি কেন্দ্ৰই এতিয়া ঘুৰাই বিচাৰিছে। ২৫৮৬২ কোটি টকা খৰচ কৰা হ'ল নে নাই । যদি হোৱা নাই ঘুৰাই বিচাৰিছে। আৰু চৰকাৰে তাত কৈছে ৰপ্তানীৰ ক্ষেত্ৰত আমি অসম বহুত আগবাঢ়ি গৈছোঁ। অসম আগবঢ়া নাই। কাৰণ ছাৰ, Federation of India export organization ৰ তথ্যমতে ২০২১-২২ বৰ্ষত ৰপ্তানীৰ ক্ষেত্ৰত অসমৰ স্থান ২৫ নম্বৰত। এই ২৫ শতাংশটো আহিছে চাহৰ কাৰণে।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য আপুনি দলৰ পৰা আৰু কিমান সময় ল'ব? আপোনাক দলে দিয়া সময় শেষ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** ছাৰ, দুই তিনি মিনিট। এতিয়া আৰু আঁচনিখিনি ৰূপায়ণ কৰোতে যথেষ্ট সময় হৈছে। গতিকে কিমান শতাংশ কাম হৈছে এতিয়ালৈকে externally এইটো প্ৰজেক্ট ১৪ টা নে ১৫ টা আছে। আৰু list of business to be implemented under Nirbhaya medical college, Engineering college, sports stadium এইবোৰ বাজেটত দিছিল। এইবোৰৰ কিমান শতাংশ কাম হৈছে সেইবোৰ জানিব দিব লাগে বাজেটত। আমাৰ মুখ্যমন্ত্ৰীয়ে হওঁক, মন্ত্ৰীয়ে হওঁক, আমি সকলোৱে এখন গণতান্ত্ৰিক চৰকাৰ। আৰু গণতন্ত্ৰত ৰাইজে নিৰ্বাচিত

কৰিছে। কিন্তু আপোনালোকে কেবিনেট বৈঠকৰ কৰাণে যেনেকৈ পইচা খৰচ কৰিছে সেইটো কোনো মন্ত্ৰীয়ে মুখ্যমন্ত্ৰীয়ে খৰচ কৰা নাই। সেই টকা ৰজা বিলাকে কৰে চুলতান বিলাকে কৰে। ন খন জিলাত কেবিনেটত ব্যয় হৈছে ৩.৪৮ কোটি টকা। যোৰহাটত কেবিনেট মিটিঙৰ কাৰণে ৪৮ হাজাৰ ৪২০০০ খৰচ কৰিছে। শিলচৰৰ কাৰণে ৩ লাখ ৬০ হাজাৰ, হাউলীৰ কাৰণে ১৩ লাখ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** অকল ৰিকমেণ্ডচনৰ বাবে, অকল চাৰ্কিট হাউচৰ কাৰণে।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি তেখেতক ক'বলৈ দিয়ক। আৰু চমু কৰক।

**শ্ৰীভৰত চন্দ্ৰ নৰহ,(নাওবৈচা) ঃ** তেওঁলোকে মিটিং কৰিবলৈ গ'লে আজি কালি পইচা খৰচ কৰে। আৰু এই বাজেটৰ আটাইতকৈ ডাঙৰ অসুবিধা কি কেন্দ্ৰীয় মিটিং পাতিবলৈ নতুনকৈ ৫০০ কোটি টকা ধৰা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** Please. আপোনালোকে উত্তৰত দিব, এইখিনি ক্লিয়াৰ কৰি। আপুনি চমু কৰক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ কিছুমান উৎপাদনমুখী আঁচনি, যদি এই বিলাক ৰূপায়ণ কৰে আমাৰ অসমৰ উপকাৰ হ'ব। বাকী ৪০ শতাংশ নতুন ৬০ শতাংশ পুৰণা। গোটেই বিষয়া পঞ্চায়ত নিৰ্বাচন আৰু লোক নিৰ্বাচনক কেন্দ্ৰ কৰিয়ে এই বাজেটখন প্ৰস্তুত কৰিছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে এখন সুন্দৰ বাজেট দাখিল কৰিছে। ১ লাখ ৩৯ হাজাৰ ৪৪৩.৮৮ লাখ কোটি টকাৰে বাজেট ইয়াত উত্থাপন হৈছে। এই বাজেটৰ যোগেদি অসমীয়া মানুহৰ যিবিলাক BPL পৰিয়াল আছে বা আন্তঃগাঁথনিৰ বাবে যি যি আঁচনি লৈছে, সেই বিলাক সফল ৰূপত ৰূপায়ণ হ'ব। ভৰত নৰহ ডাঙৰীয়াই সুন্দৰ কথা কৈছে, নিশ্চিত ভাবে কংগ্ৰেছে এই বাজেটখনৰ বিৰুদ্ধে ক'ব। সপক্ষে কেতিয়াও নকয়। ২০১৫ চনত ৰাজহ সংগ্ৰহ কৰিছিল ১২ হাজাৰ ৮৯২ কোটি টকা। যোৱাবছৰ ২০২২-২৩ বিত্তীয় বৰ্ষত ৰাজহ সংগ্ৰহ কৰিছে ৩০ হাজাৰ কোটি টকা। এই কথাখিনি মই আপোনালোকক উনুকিয়াই দিছো। আমাক বিৰোধীয়ে যথেষ্ট কটাক্ষ কৰিছে বাজেটখন সন্দৰ্ভত। যি বিলাক আঁচনি ইয়াত অন্তৰ্ভূক্ত হৈছে, সেইবিলাক শাসকীয় দলৰ বিধায়কে পাব নেকি ? ইয়াত বিৰোধীৰো সুবিধা আছে। আজি অৰুণোদয় আঁচনিৰ কথাকে কওঁক, মেডিকেল কলেজ বনোৱাৰ কথাকে কওঁক, মথাউৰি, ব্ৰীজ বনোৱাৰ কথাকে কওঁক বিভিন্ন স্তৰত যিবিলাক আঁচনি বাস্তৱৰ ৰূপায়নৰ সেই বিলাক সকলো বিধায়কৰ মাজতে বিতৰণ কৰা হৈছে। ৰাজহ শিতানৰ খৰচৰ কথা কৈ আছে, Revenue Expenditure বঢ়াৰ লগে লগে আমাৰ GSDP ও আজি বাঢ়িছে। GSDP ৰ সংখ্যা যিটো দিয়া হৈছে, একেবাৰে ২০১৪-১৫ত Capital Expenditure ৩ হাজাৰ কোটি টকা চুব পৰা নাছিল। যোৱাবাৰ ২০ হাজাৰ কোটি টকা লৈকে আমি চুব পৰা হ'লো। এইবাৰ বাজেটত প্ৰায় ৩০ হাজাৰলৈ অতিক্ৰম কৰিবলৈ টাৰ্গেট লৈছো। আমাৰ GSDP কিয় কাৰ্য্যকাৰী হৈছে কাৰণ আমাৰ যেতিয়া Capital Expenditure বোৰ গাওঁলৈ যাব আমাৰ প্ৰত্যকজন মানুহে টকা-পইচা পাব তেতিয়া Capital Expenditure টো বৃদ্ধি হয়। আজি অসমত থকা 'অৰুণোদয়' আঁচনি বিলাক এফালে কৈছে আঁচনি বাস্তৱত ৰূপায়ণ কৰা নাই আনফালেৰে গৈ মুখ্যমন্ত্ৰীৰ টেবুলত আমাক অৰুণোদয় আঁচনি লাগে আমাক ৰাস্তা লাগে, আমাক মথাউৰি লাগে, আমাক মেডিকেল কলেজ লাগে এটা সিদ্ধান্ত লওঁক যে হয় আমি আঁচনি

লম, আঁচনি ল'ব লাগিলেটো লোণ ল'ব লাগিব। FRBM Act. আছে সেইখন চাই ল'ব। তাত আমি ৪০ শতাংশলৈ লোণ ল'ব পাৰো। এতিয়া আমাৰ ২৩ শতাংশলৈ লোন লৈছে। লোন কাক দিব, আজি যদি আমি পৰিশোধ কৰিব নোৱাৰো তেতিয়া লোন নাপাওঁ। ঠিক তেনেদৰে অসম চৰকাৰেও নিশ্চয় লোনৰ ব্যৱস্থাটো খুব সুন্দৰকৈ কৰিছে। কালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, এই আপোনালোকৰ দিনৰ লোণ একে লগে ঘূৰাই দিয়াৰ কথাও আজি এই পবিত্ৰ বিধান সভাত আপোনালোকৰ আগত কৈছে। এইটো অফিচৰ ৰেকৰ্ড। আজি মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ নেতৃত্বত সুন্দৰ এখন বাজেট প্ৰতিষ্ঠা হৈছে। আপোনালোকে কৈছে, এই বাজেটত আঁচনি সঁলনি হোৱা নাই। অসম দৰ্শন আঁচনিখন আমি যদি গুচায় দিব লাগে, অৰুণোদয় আঁচনি গুচাই দিব লাগে, মই আপোনালোকক প্ৰশ্ন কৰিছো আপোনালোকৰ দিনত MGNREGA ৰ আঁচনি হৈছিল। আপোনালোকৰ দিনত IAY আৱাস যোজনা হৈছিল। সেই আঁচনি আজিও আছে। যদি সেই বিলাক আঁচনি আজিও থাকিব পাৰে, এই বিলাক আঁচনি কিয় বন্ধ হৈ যাব। এই আঁচনি কোনো ব্যক্তিগত লাভালাভৰ বাবে নহয়, এই আঁচনি ৰাইজৰ বাবে। আমাৰ মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই কৈছে আমি নিৰ্বাচন কেন্দ্ৰীক কৰিছো। আপোনালোকে ব্যক্তিগত ভাবে কৰিছিল আমি প্ৰধান মন্ত্ৰীৰ নামত কৰিছো আৰু তাতকৈ ডাঙৰ কথা কওঁ যে, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ উপৰিও আমাৰ মুখ্যমন্ত্ৰী আৱাসৰো যোজনা কৰিছে। সেই ব্যৱস্থা আপোনালোকেও পাব। আমিয়ে অকল নাপাও। যোৱাকালি ভৰত নৰহ ডাঙৰীয়াই টিভিত কৈছিল তেখেতে ১০০ ৰ ভিতৰত ৪০ দিলে। ২ ঘন্টাত ১০০ ভিতৰত ৪০ যেতিয়া পাইছো, ১ মাহৰ ভিতৰত আমি ৮০ নম্বৰ পাবলৈ সক্ষম হ্ম। আমাৰ বাজেট দাখিল কৰাৰ পিছত বহুত বুদ্ধিজীৱিয়ে আমাৰ লগত কথা পাতিছে। সকলোৱে ৭০ পৰা ৮০ শতাংশ ভাল হোৱা বুলি কৈছে। নতুন আঁচনি লোৱা হৈছে, এইবাৰ ২ লাখ ল'ৰা-ছোৱালীক স্বয়মৰ যোগেদি আত্মনিৰ্ভৰশীল কৰাৰ সিদ্ধান্ত লৈছে। এই আত্ম সহায়ক গোট বিলাকক ১০ হাজাৰ ১০ হাজাৰ টকা ব্যক্তিগত ভাবে দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি বিৰোধী দলৰ দলপতিয়ে ৰাতিপুৱা কৈছে, আমাৰ ৰাজহ উৎপন্ন হোৱা নাই। আমাৰ Capital Expenditure বৃদ্ধি হ'লে GSDP বৃদ্ধি পাব। মই এই পবিত্ৰ সদনত এইটোৱেই ক'ব বিচাৰিছো এই বাজেটখনত দুখীয়া মানুহখিনিৰ বাবে বাজেট কৰা হৈছে। এই বাজেটত ৰাইজৰ মাজলৈ লৈ যোৱা হৈছে। আপোনালোকে সুতা, ধুতি, লুঙিক লৈ ব্যক্তিগত ৰাজনীতি কৰিছিল। সেই বিলাক কথা আমি ক'বলৈ যোৱা নাই। আমাৰ আঁচনি বিলাক ৰাইজে গ্ৰহণ কৰিছে। আমাৰ বিশ্বাস আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এইখন কেবিনেট আৰু এইখন চৰকাৰে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ভাবে আঁচনি পাবলৈ সক্ষম হ'ব। এই বাজেটত সেইটো প্ৰতিফলিত হৈছে। মই আশা কৰিম ভৱিষ্যতে ৰাইজৰ মাজলৈ লৈ যাব আৰু ৰাইজৰ আৰ্শীবাদ লৈ আকৌ এই চৰকাৰখন আগুৱাই যাবলৈ প্ৰয়াস কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যি বাজেট বিত্ত মন্ত্ৰীয়ে পবিত্ৰ সদনৰ মজিয়াত দাখিল কৰিলে। এই বাজেটখনক বিত্ত মন্ত্ৰী নিজে ক'ৰৱাত কৈছে একত্ৰীকৰণৰ বিষয়, আকৌ কৈছে, সম্প্ৰসাৰণ বাজেট এনেকৈ বিভিন্ন ধৰণে নামাকৰণ কৰিছে। এই বাজেটত ১ লাখ ৩৯ হাজাৰ ৪৪৩.৮৮ কোটি টকা ইয়াত estimation দিয়া হৈছে। তাতে ৰাজহ সংগ্ৰহ কৰা হৈছে, ১ লাখ ১৪ হাজাৰ ৮৪.৬৯ কোটি Capital Expenditure ২৫ হাজাৰ ৩৫৯.১৯ কোটি। আমি বাজেটত চুণশিল আৰু লোৰ আকৰৰ ই জেনেৰেট কৰিলে ১০ হাজাৰ কোটিমান

ৰেভিনিউ এটা বাঢ়িব আমি ইয়াত পালো। কিন্তু বাকী যোৱা বিত্তীয় বছৰত কৈ আৰু যে ৭০ হাজাৰ কোটি টকা বাঢ়িব লাগিব, তাৰ কিন্তু বিস্তাৰিত আভাস ইয়াত দিয়া হোৱা নাই। গতিকে এইটো এটা কাল্পনিক বাজেট হ'ল নে বাস্তৱসন্মত হ'ব সেইটো সময়তহে ক'ব পৰা যাব। উপাধ্যক্ষ মহোদয় আৰু এটা কথা মই ক'ব বিচাৰো, যে বাজেটত আমি দেখো বহু সময়ত যে বাজেটত যিটো estimation কৰা হয় পৰৱৰ্তী পৰ্য্যায়ত সেই টো বছৰৰ শেষত গৈবাজেটৰ ওপৰত এটা পৰ্য্যালোচনা নহয় মাত্ৰ বাজেট দাখিলৰ সময়তহে আলোচনা হয়। গতিকে আমি ভাবো সেই পৰৱৰ্তী সময়ত বছৰৰ শেষত যদি বাজেট কিমান সফল হ'ল আৰু বিফল হ'ল সেই আলোচনাটো শেষত ৰাখিলেহে আচলতে প্ৰকৃত ছবিটো জনসাধাৰণে জানিব পাৰিলে হয়। বাজেট বক্তব্য মানে বাজেট নহয়, ভাষাৰ চাকচিক্যই উন্নয়ন নহয়, আবেগ সৰ্বস্ব বাক্যবিলাকেই সৰ্বস্ব নহয়, কৌশলী প্ৰকাশভংগীয়েই কাম্য নহয়। উপাধ্যক্ষ মহোদয় ৰংচঙীয়া বাজেটৰ হাতপুথিখনেই আৰ্থিক সংস্কাৰ নুবুজাই, চলাহী কথাৰে মন জয় কৰিব পাৰি কিন্তু লাখ লাখ নিবনুৱাক সংস্থাপন দিব নোৱাৰি। উপাধ্যক্ষ মহোদয় ধৰ্মগ্ৰন্থ সাহিত্যিকৰ উদ্ধৃতিয়ে ভাষাক সাৱলীকতা দান কৰে। কিন্তু ধাৰত কক বকাই থকা ৰাজ্যৰ অৰ্থনীতিৰ সংস্কাৰ সাধন নকৰে। উপাধ্যক্ষ মহোদয় ভোটাৰৰ মন জয় কৰাই যদি উদ্যেশ্য হয়, ৰাজ্যৰ উন্নয়ন তেন্তে স্থবিৰ হৈ ৰয়। তেন্তে বাস্তৱ সন্মত যদি নাথাকে ভিজন, কল্যাণকামী বাজেট নাপায় জনগনে। এই কথাখিনি উপাধ্যক্ষ মহোদয় আমাৰ বিত্ত মন্ত্ৰীয়ে পাহৰি গলে নহ'ব। আৰু তাৰ লগতে মই এটা কথা ক'ব বিচাৰিছো যে এইখন বাজেটত আটাইতকৈ দুখ লগা কথাটো হ'ল নতুন শিক্ষানুষ্ঠান স্থাপনৰ পৰিকল্পনা নাই, আৰু শৈক্ষিক জৰীপৰ কথাটো ইয়াত উল্লেখ নাই। এইখন অসমত right to Education Act ২০০৯ অনুসৰি কিমান বিদ্যালয় কিমান এলেকাত স্থাপন কৰিব লগা হৈছিল । ক'ত ক'ত কিমান কিঃমিঃ এখন প্ৰাথমিক বিদ্যালয় নাই, কিমান স্থানত ৩ কিঃ মিঃ এখন উচ্চ প্ৰাথমিক বিদ্যালয় নাই, ক'ত ক'ত right to Education Act , ভায়লেট হৈছে ক'ত কিতাপৰ সমস্যা আছে তাৰ এখন বাস্তৱসন্মত আলোচনা থাকিব লাগিছিল। শিক্ষা ক্ষেত্ৰত সৰ্বাধিকাৰ আৰু দি আটাইতকৈ বেছি অগ্ৰাধিকাৰ ফালে বাজেটত সেই মতে এটা বিজ্ঞানসন্মত ভাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল, সেইটো দুখ লগা ভাবে আমি এই বাজেটত দেখা নাপালো উপাধ্যক্ষ মহোদয়, তাৰ পাছত কোৱা হ'ল স্বাস্থ্যখণ্ডত কোৱা হৈছে মেডিকেল কলেজ প্ৰত্যেক বছৰ বাজেটত কৈ থকাৰ দৰে মেডিকেল কলেজকেইখনৰ নাম প্ৰত্যেক বছৰে লৈ থকা হয়, নতুনকৈ আকৌ লয় পিছৰ বছৰত আকৌ বেলেগ ধৰণে কথা বিলাক কয়, সেই জিলাকেইখনৰ নাম প্ৰত্যেক বছৰে আহি থাকে। মেডিকেল কলেজ কেইখনৰ নাম কেইটা বাৰে বাৰে গাই থাকক, ভাল কথা আমি বিচাৰো কিন্তু এই খন অসমত যিটো স্বাস্থ্যৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাৰণে যিখিনি নিম্নতম লেবৰেটৰী, লেবৰেটৰী টেকনিচিয়ান আৰু সকলো ৰোগীৰ পৰীক্ষা নিৰীক্ষা কৰিবৰ পৰাকৈ লেবৰেটৰী এতিয়ালৈকে আমি স্বয়ং সম্পুৰ্ণ কৈ ৰাজ্যখনত গঢ় দিব পৰা নাই। উদাহৰণ স্বৰূপে ক'ব বিচাৰিছো, উপাধ্যক্ষ মহোদয় আজি যদি এটা biopsy report ৰ কাৰণে কোনো এজন ৰোগীক সন্দেহজনক কেন্সাৰ বুলি biopsy ৰ sample টো পঠাব লাগে মোম্বাইলৈ। মোম্বাইৰ পৰা biopsy ৰ report টো আহোতে তাত ৭ দিন ১০ দিন ১৫ দিন যদি সময় যায়, সেই দিনালৈকে ডাক্তৰেও confirm ক'ব নোৱাৰে যে বেমাৰীজনৰ কেন্সাৰ হৈছে নে নাই। আৰু সেই report টো আহি কেন্সাৰ confirm হওঁতে হওঁতে বেমাৰীজনৰ অৱস্থা শোচনীয় হৈ পৰে। যদি এইখন অসমত আমি স্বাস্থ্যখণ্ডত প্ৰত্যেক বছৰে মেডিকেল কলেজ যেনেকৈ শ্ৰুতলিপিৰ নেওঁতাৰ নিচিনাকৈ নাম বিলাক গাই থাকো, যদি আন্তঃগাঁথনি উন্নয়নৰ কাৰণে আমি

স্বয়ং সম্পুৰ্ণভাৱে লেবৰেটৰী আৰু পৰীক্ষা নিৰীক্ষাৰ কাৰণে আমি ৰাজ্যক যদি আমি স্বাবলম্বী কৰিব পাৰিলেহেতেন তেনেহ'লে হয়তো biopsy report ৰ কাৰণে ১৫ দিন অপেক্ষা কৰিব নালাগিলহেতেন, কেন্সাৰ লগে লগে ধৰা পৰিলহেতেন আৰু তেওঁ সময়ত তেতিয়া চিকিৎসা পালেহেতেন। বহু বেমাৰীৰ হয়তো জীৱন ৰক্ষা কৰাটো সম্ভৱপৰ হ'লহেতেন। গতিকে কেৱল আমি মেডিকেল কলেজৰ নাম গালে নহ'ব স্বাস্থ্যখণ্ডত আমাৰ ক'ত কি বেমাৰ আছে, সেইখিনিও কিন্তু আমি এই বাজেটত আশা কৰিছিলো কিন্তু আমি তাৰ প্ৰতিশ্ৰুতি নাপালো। উপাধ্যক্ষ মহোদয় মেডিকেল স্নাতকৰ আসনৰ সংখ্যা ১৫ শ লৈ বৃদ্ধি হোৱাটো ভাল কথা আমি আদৰণি জনাইছো। কিন্তু বিভিন্ন বিভাগৰ স্পেচিয়েলিষ্ট এতিয়ালৈকে আমি জন্ম দিব পৰা নাই। আৰু অসমৰ মেডিকেল কলেজ সমূহত সকলো বিভাগৰ স্পেচিয়েলিষ্ট জন্ম দিব পৰাকৈ ফেকালটি নিয়োগ কৰিব লাগে, সেই কথাটো আমি বাজেটত নাপালো, আমি বৰ দুখ পাইছো। আমি কিমান দিন আৰু অন্য ৰাজ্যলৈ নিৰ্ভৰ কৰি থাকিম আমাৰ বাজেটে কিয় আমাক সেই প্ৰতিশ্ৰুতি নিদিয়ে? অসমৰ ৰাইজৰ এই অধিকাৰ নাই নেকি? যে আমাৰ ৰাজ্য স্বয়ংসম্পুৰ্ণ হ'ব আমি বায়'পচিৰ কাৰণে মোম্বাইলৈ পঠাব লাগে, বিভিন্ন বিভাগৰ স্পেচিয়েলিষ্টৰ কাৰণে আমি বাহিৰৰ অনুষ্ঠানৰ ওপৰত নিৰ্ভৰ কৰিব লাগে এই কথাবিলাক বাজেটত কিয় নাহিল? আমি ইয়াৰ লগতে আৰু এটা কথা ক'ব বিচাৰিম যে স্মাৰ্ট চিটিৰ এটা সপোন আমি ২০১৬ চনৰ পৰাই দেখি আহিছো। স্মাৰ্ট চিটিৰ সপোন চাই চাই সপোনে দিঠকে আমি এইবোৰ চাই আছো। এইবাৰ আমি দেখিছো স্মাৰ্ট চিটিৰ নাম মাত্ৰ ২০০ কোটি টকা চি চি টি ভি ৰ কেমেৰা হ'ব আৰু বাকী স্মাৰ্ট চিটিৰ উন্নতি এইখিনিয়েই। তাৰ ওপৰত আমি অন্য একো নাপালো। উপাধ্যক্ষ মহোদয়, কেবিনেট outreach ৰ কাৰণে ৫০০ কোটি টকা, মানে কেবিনেটক ৰাইজৰ মাজলৈ লৈ যোৱাৰ বাবে ৫০০ কোটি টকা এই বাজেটত ধৰিছে। যিটো কথা ইতিমধ্যে এগৰাকী সদস্যই কৈছে, যে লাহবিলাসৰ কাৰণে? কিন্তু তাতকৈ আৰু বহুত গুৰুত্বপুৰ্ণ খণ্ড আছে। যিবিলাক গুৰুত্ব পূৰ্ণ খণ্ড, সাংঘাটিকভাবে সেইখিনিক উপেক্ষিত কৰা হৈছে।

..................(সদনত হুলস্থুল)............

আৰু এটা কথা এইখন যে নিৰ্বাচনকেন্দ্ৰীক, ভোটাৰকেন্দ্ৰিক বাজেট বুলি কিয় কোৱা হয়? ইয়াত দিছে আত্মসহায়ক গোটৰ প্ৰতিগৰাকী মহিলাৰ একাউন্টত ১ হাজাৰ টকাকৈ সোমাব। আত্মসহায়ক গোটৰ প্ৰতিগৰাকী মহিলাৰ একাউন্টত ১ হাজাৰ টকাকৈ নিদি আত্মসহায়ক গোটটোক ১ লাখ টকাকৈ দি দিলে হয়। সেই গোটে ১লাখ টকাৰে এটা ব্যৱসায় কৰক, কিবা এটা কুটীৰ শিল্প কৰক। তেতিয়া ১০ গৰাকী মহিলাই এটা শিল্প আৰম্ভ কৰিব পাৰে। কিন্তু নিজাববীয়াকৈ প্ৰত্যেকৰে একাউন্টত১ হাজাৰ টকাকৈ দিব। এই ১ হাজাৰ টকা উলিয়াই আনিটো তেওঁলোকে জমা নকৰে। যাৰ একাউন্টত ১ হাজাৰ গৈ আছে, সেইটো এই কাৰণে কৰা হৈছে যাতে ভোটৰ সময়ত ক'ব পাৰে যে আমাৰ পৰা তুমি কি পাইছা? তুমি পাইচা নহয় ১ হাজাৰ টকাকৈ। কাৰোবাক ক'ব তুমি ১২ শ পাইচা, এই যে ১হাজাৰ টকাটো গাইগুটীয়াকৈ একাউন্টক দিয়াতকৈ গোটক যদি ৫০ হাজাৰ বা ১ লাখ দিলে হয়, তেতিয়া হলে তেওঁলোকে সন্মিলিতভাবে এটা ব্যৱসায় কৰিব পাৰিলে হয় গতিকে এই কথাটোৰে বুজা গ'ল যে ভিজন নাই, বাজেট আছে , ভোটাৰক আৰ্কষণ কৰাৰ কৌশল আছে। দীৰ্ঘম্যাদি পৰিকল্পনা নাই। জনসাধাৰণৰ উন্নতিৰ কাৰণে ইয়াত কিন্তু চৰকাৰ বাস্তৱ, বিজ্ঞানসন্মত, কোনো দৃষ্টিভঙ্গী নাই এই কথাবিলাকে ইয়াত প্ৰমাণ হৈছে। উপাধ্যক্ষ মহোদয়, এটা কথা চাওঁক যে ৰাজহ গাঁৱৰ ক্ষেত্ৰত ২০১৬-১৭ বৰ্ষৰ বাজেটত আছিল যে ২৬ হাজাৰ গাওঁক তেওঁলোকে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত পৰ্য্যায়ক্ৰমে ১ কোটি ২০ লাখ টকাকৈ

দিব। প্ৰথম বছৰত ৬ হাজাৰ ৫ শ গাঁৱক টাৰগেট কৰিছিল। দ্বিতীয় বছৰ, ১৭-১৮ ত আকৌ ৬ হাজাৰ ৫ শ গাওঁক ১৮-১৯ ত আকৌ ৬ হাজাৰ ৫ শ গাওঁক, ১৯-২০ তআকৌ৬ হাজাৰ ৫ শ গাওঁক। যেনেকৈ চাৰিটা ষ্টেপত ২৫ হাজাৰ গাঁৱক মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত পৰ্য্যায়ক্ৰমে ১ কোটি ২০ লাখ টকাকৈ দিয়াৰ কথা। য'ত ক্ৰীড়াঙ্গন, মন্দিৰ, মছজিদ, গীৰ্জা উন্নয়ন, পুখুৰী বা ৰাজহুৱা কিছুমান কামত ১ কোটি ২০ লাখকৈ প্ৰত্যেক গাঁৱত দিয়াৰ কথা আছিল আৰু এই কথাটো ৭ বছৰ ঘুৰাই পকাই এইবাৰ আহি গাঁৱৰ প্ৰতিষ্ঠা দিৱসৰ নামত ৫ হাজাৰ আৰু ক্ৰীড়া মহাৰনৰ নামত ১০ হাজাৰ, সাংস্কৃতিৰ নামত ১০, এই ২৫ হাজাৰকৈ দিয়া হৈছিল। সেই যে ২০১৬-১৭ বাজেটত কোৱা হৈছিল যে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত প্ৰত্যেক গাঁৱতে ১ কোটি ২০ লাখ টকাকৈ দিব। এতিয়া ৭ বছৰ পিছত আহি মুঠ ২৫ হাজাৰকৈ দি আছে। মানে ইমান প্ৰতাৰনা, ৰাইজক ইমান আভুৱা ভাৰিব নালাগে। মই বিত্তমন্ত্ৰীক এই কথাটো কম। আপোনালোকে প্ৰতিশ্ৰুতি বিলাক পাহৰি নাযাব। ৰাইজক এনেকুৱা ভাবে আভুৱা নভৰাব। অন্ততঃ ১ কোটি ২০ লাখ যি আপোনালোকে কৈছিল, তাৰ আধা হলেওঁ দিব লাগিছিল। কিন্তু ৫ হাজাৰ, ১০ হাজাৰ কৈ ভিক্ষাৰ নিচিনা দিব নালাগিছিল। এই কথাবিলাক মই বিত্তমন্ত্ৰীৰ দৃষ্টি আৰ্কষণ কৰিলো। তাৰ পাছত উপাধ্যক্ষ মহোদয়, কৃষকৰ পৰা ধান ক্ৰয়, কৰাৰ যিটো সংখ্যা ইয়াত দিয়া হৈছে, আমি দেখিছো, বেছিভাগ দালালৰ পৰাই ধান ক্ৰয় কৰা হৈছে। প্ৰকৃত খেতিয়কে কিন্তু ধানবিলাক বেচিব পৰা নাই। ২০১৭-১৮ ৰ বাজেটত গাওঁবুঢ়া সকলক বৰ্তমান মুখ্যমন্ত্ৰী তদানীন্তন বিত্তমন্ত্ৰীয়ে কৈছিল যে গাওঁবুঢ়াসকলক যেতিয়া মোবাইল ফোন দিয়া হৈছিল তেতিয়া, কৈছিল গাওঁবুঢ়া এটা অনুষ্ঠান। গতিকে সেই অনুষ্ঠানটোক এটা গ্ৰাম্যঅনুষ্ঠানলৈ ৰূপান্তৰ কৰিম। গাওঁবুঢ়া সকলে এটা কাৰ্য্যভাৰ বিচাৰিছে, আজিলৈকে দিয়া নাই, তেওঁলোকে পেঞ্চন বিচাৰিছে। তেওঁলোকে এটা পৰ্য্যাপ্ত দৰমহা বিচাৰিছে, তেওঁলোকৰ কিছু সমস্যা আছে ২০১৭-১৮ ৰ বাজেটৰ প্ৰতিশ্ৰুতিত মোবাইল দিয়াৰ বাহিৰে আজিলৈকে বাকীখিনি পুৰণ হোৱা নাই। এইবাৰ বাজেটত তাৰ কিন্তু প্ৰতিফলন দেখা নাপালো। ঠিক সেই দৰে ভি ডি পি সকলৰ কাৰণে, ভিডিপিসকলে গাঁৱত আইন শৃঙ্খলা পৰিস্থিতি ৰক্ষা কৰে। সেই কাৰণে ভি ডি পি সকলক সক্ৰিয় নকৰিলে আমাৰ আইন শংখলা পৰিস্থিতি ইয়াত উন্নত নহ'ব। এ ডি ইউ বি, চিভিল ডিফেঞ্চত যিসকল চিলেক্টেড হৈছিল ৪১৪ জন কেণ্ডিডেটে তেওঁলোকৰ কম্পিউটাৰ চাৰ্টিফিকেটৰ তদন্ত চি আই ডি য়ে কৰিছিল সেইটো আজিলৈকে ৰিজাল্ট নিদিলে, তেওঁলোকক চাকৰিও নিদিলে। ঠিক সেইদৰে ১ লাখ চাকৰিৰ সৃষ্টিৰ যিটো প্ৰয়াসৰ কথা কৈছে তাত ইমান দিন ভেকেণ্ট হৈ থকা পোষ্ট বিলাকেই জমা কৰি কৰি অলপ দি আছে। নতুনকৈ কিমান সৃষ্টি কৰিছে সেই কথাটোৰ প্ৰতিফলন আমি বাজেটত নাপালো। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথা আটাইতকৈ দুৰ্ভাগ্যজনক যে সংখ্যালঘু কল্যাণৰ কাৰণে মাত্ৰ ১৬২ কোটি টকা ধাৰ্য্য কৰা হৈছে য'ত কেৱল মুছলমানেই নহয় ইয়াত আমি দেখিছো বৌদ্ধ, খ্ৰীষ্টান, জৈন, শিখ আদি অন্যান্য সকলো ধৰ্ম মিলাই সংখ্যালঘু ডেৰ কোটিত কৈ ওপৰত আমাৰ অসমত আছে। ইমান দুৰ্বল যে গড়ে প্ৰায় ১৭ টকা মানকৈ এজনৰ ভাগত পৰিব আৰু ইয়াত আটাইতকৈ দূৰ্ভাগ্যজনক কথাটো হ'ল সংখ্যালঘু কল্যাণৰ বিভাগত বাজেট বক্তব্যত যিটো কৈছে যে তাত (সৰ্বাঙ্গীন বিকাশ, সৰ্বাঙ্গীন সমাজ নিৰ্মাণ) সংখ্যালঘু কল্যাণ বিভাগ সৰ্বাঙ্গীন বিকাশ, সৰ্বাঙ্গীন সমাজ নিৰ্মাণ, কিন্তু ভিতৰত যিবিলাক কথা কৈছে তাত কৈছে যে ইয়াত গৰিয়া-মৰিয়া, দেশী, জুলাহা এই কেইটাৰ কাৰণে আমি আলাপ আলোচনা কৰিছো। তাৰমানে সংখ্যালঘু বুলি কৈও বৌদ্ধ, খ্ৰীষ্টান, জৈন, শিখ আদিক বাদ দি মুছলমানৰ এটা লাৰজাৰ অংশক বাদ দি ২-৩ টা

কমিউনিটি গেপ বা বিভাজন কৰি পেলাই এটা সাম্প্ৰতিক মনোবৃত্তিৰে সংখ্যলঘু কল্যাণ বিভাগটোক আজি এই বাজেটত যি দৰে প্ৰতিফলন কৰিছে তাক আমি প্ৰতিবাদ কৰিছো আৰু ইয়াত সংখ্যালঘু বুলি কৈ এটা সাম্প্ৰদায়িক মনোবৃত্তিৰে এনেদৰে বিভাজন কৰিব নালাগিছিল আৰু ইয়াত যিদৰে কণা হাঁহক পতান দিয়াৰ নিচিনা কেইটামান টকা বাজেটত ধৰিছে। জলসম্পদ বিভাগত কমেও ২০০০ কোটি টকা দিব লাগে বুলি আমি দাবী জনাইছো আৰু আমি পৰ্য্যটনৰ ক্ষেত্ৰত দেখিছো যে ইয়াত একেবাৰে কম বাজেট দিয়া হৈছে। ইয়াত মাত্ৰ ৪২ কোটি টকা ৰেভিনিউ আৰু কেপিটেলৰ মাত্ৰ ৫৭ কোটি। এইখন অসমত কেৰেলা, মধ্যপ্ৰদেশৰ নিচিনা যদি আমি উদ্যোগ গঢ়িব পাৰো, আমি ভাবো পৰ্য্যটন উদ্যোগত আৰু গুৰুত্ব দিয়া উচিত। পৰ্য্যটনৰ ক্ষেত্ৰত কমেও ৫০০ কোটি টকা দিয়া উচিত। আমি আপোনালোকৰ ফালে চাই কোৰা নাই। আমি অসমৰ জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ বাবে কৈ আছো। আৰু এটা কথা হ'ল অসমত শুশ্ৰুষা নামৰ কিডনি ট্ৰান্সপ্লাণ্টৰ এটা আঁচনি আছিল। এই কিডনি ট্ৰান্সপ্লাণ্টেশ্যৈনৰ এই আঁচনিটো ২০১৬-১৭ বৰ্ষত বন্ধ কৰি দিয়া হ'ল। আমি এই বাজেটত দেখা নাই। পুনৰ প্ৰবৰ্তনৰ বাবে আমি দাবী জনাইছো। তাৰ লগতে হেণ্ডলুম এণ্ড টেক্সটাইলত আমি দেখিছো ইয়াত ৪ লাখ ৮০ হাজাৰ শিপিনীক ৰেজিষ্টাৰ কৰাৰ কথা কোৰা হৈছে। কিন্তু মাৰ্কেট লিকেজটো চৰকাৰে দিব পৰা নাই। যেতিয়া লৈকে মাৰ্কেট লিংকেজ দিব নোৱাৰিব তেতিয়ালৈকে শিপিনীসকলে কেতিয়াও হেণ্ডলুমত কাম নকৰে। গতিকে বাজেটত মাৰ্কেট লিংকেজৰ কোনো প্ৰতিশ্ৰুতি আমি দেখা নাই। বাহিৰৰ পৰা যিবিলাক গামোচা আহে তাৰ বিৰুদ্ধে অভিযান চলিব বুলি কৈছিল। পিছত দেখিলো যেতিয়া গুজৰাটৰ কোনোবা বণিয়াৰ গামোচা আহি গ'ল লগে লগে স্থবিৰ হৈ গ'ল। গতিকে বাহিৰৰ গামোচা বিলাক বন্ধ কৰি অসমৰ শিপিনীসকলক উৎসাহিত কৰা ৰ প্ৰতিফলন বাজেটত দেখা নাই। আটাইতকৈ ডাঙৰ কথাটো হ'ল উচ্ছেদিত যিসকল লোক, তেওঁলোকে মুকলি আকাশৰ তলত জীৱ-জন্তুৰ দৰে জীৱন-নিৰ্বাহ কৰি আছে। ল'ৰা-ছোৱালীৰ শিক্ষাৰ পৰা বঞ্চিত হৈছে। তেওঁলোকক আশ্ৰয় দিয়াৰ কাৰণে এই বাজেটত কিন্তু কোনো বাজেটৰ উল্লেখ নাই। সেই লোকসকলৰ কল্যাণৰ কাৰণে এই বাজেটত উল্লেখ নাই। তেওঁলোকো মানুহ, তেওঁলোকৰ দুখ-দুৰ্দশা দেখা পাই যদি বিত্ত মন্ত্ৰীৰ বুকু নকঁপে, যদি বিত্ত মন্ত্ৰীৰ সামান্য মানৱতা থাকে মানুহৰ দূৰ্দশা দেখি বিত্ত মন্ত্ৰীৰ বুকু কপিব লাগিছিল। এই লোকসকলৰ কল্যাণৰ কাৰণে কিছু হ'লেও ইয়াত অন্তৰ্ভুক্ত কৰিব লাগিছিল। এই যিসকল উচ্ছেদিত লোক আজি মুকলি আকাশৰ তলত এইদৰে ৰ'দে-বৰষুণে আছে। তেওঁলোকক সংস্থাপনৰ কাৰণে বাজেটত কিয় ১০০ কোটি টকাও ধৰা নহ'ল। তাৰ সদুত্তৰ আমাক দিব লাগিব। সেই লোকসকলে ইয়াৰ উত্তৰৰ বাবে অপেক্ষা কৰি আছে। এই বাজেটখন all inclusive বাজেট আমি আশা কৰিছিলো। এইখন কিয় এখন discrematic বাজেট হ'ল, কাৰণটো আমি বিচাৰি নাপালো। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই কথাখিনি ক'লো আৰু বহুত কথা ক'বলৈ আছিল। এই বাজেটখনত হয়তো ২-৪ টা ভাল কথা আছে। এইবিলাক শাসকীয় দলৰ সদস্যসকলে কৈ থাকিব। পাৰ কেপিটা ইনকামৰ যিটো কথা Economic Servey of India ত দিছে, ইয়াত বৰ্তমানৰ পাৰ কেপিটা ইনকামৰ GSDP যিটো দেখাই আছে যে ৫,৫০,০০০ লাখ ১,৩৬,৮৮৯ ত এইটো মূল্যবৃদ্ধিৰ কাৰণে নহয়। স্থিৰ মূল্য ধৰিলে ৮০,২৩১ হ'ব। চাৰ, মূল্য কিয় নিয়ন্ত্ৰণ নকৰে জানে? যাতে GSDP টো বেছিকৈ দেখাব পাৰে। মূল্য যিমানেই বৃদ্ধি হ'ব GSDP যি সিমানেই বেছি হৈ থাকিব। সেইকাৰণে চৰকাৰে মূল্য নিয়ন্ত্ৰণ নকৰে। সেইটোৰ স্থিৰ মূল্যৰ আধা যিটো আমাৰ

Economic Servey of India ই দিছে। সেইকাৰণে মই চৰকাৰক কৈছো যে GSDP বেছি দেখুৱাতকৈ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰক। এইখিনি কৈ মই মোৰ বক্তব্য সামৰনি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী অজয় ৰয়।

**শ্ৰী অজয় ৰয়, (বিজনী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ বিত্তমন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট প্ৰস্তুত কৰি সদনত উত্থাপন কৰিলে, তাৰ কাৰণে আমি চিৰ কৃতজ্ঞ আৰু ধন্যবাদ দিছো। কাৰণ আমি দেখা পাইছো যে এতিয়ালৈকে আটাইতকৈ শক্তিশালী বাজেট প্ৰস্তুত কৰা হৈছে যদি এই বছৰেই এখন শক্তিশালী বাজেট প্ৰস্তুত কৰা হৈছে। যদিও বিৰোধীয়ে শিক্ষাৰ ক্ষেত্ৰত বিৰোধ কৰিছে কিন্তু মই ভাবো শিক্ষাৰ ক্ষেত্ৰত এই চৰকাৰখনে আটাইতকৈ বেছি গুৰুত্ব দিয়া দেখা গৈছে। অসমৰ বিভিন্ন জিলাত স্কুল, কলেজ, মহাবিদ্যালয়, মেডিকেল কলেজ আদি স্থাপন কৰিছে। আমাৰ মাননীয় বিত্ত মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দুৰদৰ্শী চিন্তা-ধাৰণাৰে এই বাজেটখন প্ৰস্তুত কৰি উলিওৱা হৈছে। তেনেক্ষেত্ৰত আমি এই বাজেটত দেখা পাইছো যে এই চৰকাৰখনে শিক্ষা আৰু মেডিকেলৰ ক্ষেত্ৰত কিদৰে আগুৱাই লৈ যাব পাৰে তাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। সেয়েহে শিক্ষাৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীবোৰক কিদৰে উৎসাহিত কৰিব পাৰি তাৰকাৰণে এই চৰকাৰখনে বাজেটত শিক্ষাৰ বিভিন্ন আঁচনি সমূহ ধৰিছে। এই আঁচনিবোৰৰ জৰিয়তে যাতে ছাত্ৰ-ছাত্ৰী সকলে ভাল শিক্ষা লৈ ভৱিষ্যতে অসম আৰু ভাৰতবৰ্ষক নেতৃত্ব দিব পাৰে তাৰ ওপৰত এই চৰকাৰখনে চিন্তা কৰিছে। বিভিন্ন সময়ত আমাৰ বিৰোধী সকলে এটাই কথা কৈ আহিছে যে এক লাখ চাকৰি। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি এক লাখ চাকৰিৰ কথা কৈছিল সেই এক লাখ চাকৰি সম্পূৰ্ণ হ'বলৈ গৈ আছে। ইতিমধ্যে ৪২ হাজাৰ চাকৰি দিছে আৰু বাকী থকা চাকৰি খিনি মুখ্যমন্ত্ৰী মহোদয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি তেওঁ পালন কৰিব। কিন্তু এক লাখ চাকৰি দিলেই জানো আমাৰ অসমৰ নিবনুৱা সমস্যাৰ সমাধান হ'ব? তেনেক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব দিছে যে সংস্থাপনৰ কাৰণে যাতে আমি সৰু সৰু উদ্যোগবোৰ গঢ় দি তাত সংস্থাপনৰ সুবিধা কৰি দিব পাৰো। আমি কেৱল চতুৰ্থ বৰ্গৰ চাকৰিৰ কথা কওঁ। কিন্তু আমাৰ মাননীয় বিত্তমন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চিন্তা কৰি আছে কিদৰে অসমৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰথম শ্ৰেণীৰ চাকৰি লাভ কৰিব পাৰে। সেইকাৰণে আমাৰ এই শিক্ষাখণ্ডক অধিক শক্তিশালী কৰি কিদৰে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক আই এচ আৰু আই পি এচ হিচাপে তৈয়াৰ কৰিব পাৰি তাৰ ওপৰত এই চৰকাৰখনে গুৰুত্ব দিছে। কিন্তু আমাৰ ৮০ শতাংশ আই এচ আৰু আই পি এচ লোক অসমৰ বাহিৰৰ লোক। যদি আমি আমাৰ চিকিৎসা খণ্ডৰ কথা কওঁ, তেতিয়াহ'লে এই চৰকাৰখনে চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ওপৰত গুৰুত্ব দিছে যাতে অসমৰ ছাত্ৰ-ছাত্ৰী সকলে চিকিৎসা শিক্ষা ইয়াতেই লাভ কৰিব পাৰে আৰু ডাক্তৰৰ অভাৱত চিকিৎসাৰ বাবে বাহিৰলৈ যাবলগীয়া নহয়। যিটো যোৱা ৭০ টা বছৰত হৈ নুঠিল। এইবাৰ আমাৰ মুখমন্ত্ৰী ডাঙৰীয়াই সেই পদক্ষেপ লৈছে যে আমাৰ অসমৰ চিকিৎসা বিজ্ঞানত অতি সফল্য যাতে পায় বা অসমৰ ৰাইজে অসমতে যাতে চিকিৎসা গ্ৰহণ কৰিব পাৰে, বহি ৰাজ্যলৈ যাতে যাবলৈ নালাগে, তাৰ কাৰণেও এটা সুব্যৱস্থা আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে লৈছে। সেই কাৰণে ধন্যবাদ দিব লাগিব আমাৰ বিৰোধী সকলেও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বা বিত্তমন্ত্ৰী ডাঙৰীয়নিক বাইদেউক এই পদক্ষেপ লোৱাৰ কাৰণে। ধন্যবাদ দিব লাগিব অসম আৰক্ষীৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি ব্যৱস্থা লৈছে। ধন্যবাদ দিব লাগিব এই কাৰণে যে বিৰোধীয়ে বিভিন্ন সময়ত অসম পুলিচৰ ওপৰত বিভিন্ন ভাৱে বিভিন্ন কথাৰে সমালোচনা কৰিছে। কিন্তু এজন বিধায়ক নাই, যে তেখেতৰ নিজৰ সুৰক্ষাৰ

কাৰণে অসম পুলিচ লোৱা নাই। সেই কাৰণে ধন্যবাদ দিব লাগিব মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যে সকলোৱে যুটীয়াভাৱে সমালোচনা কৰিছে সদনত, কিন্তু বিশ্বাস ৰাখিছে অসম পুলিচৰ ওপৰত। সেই কাৰণে সকলোৱে অসম পুলিচৰ ওপৰত বিশ্বাস ৰাখিয়ে প্ৰতিজনৰ দেহৰক্ষী হিচাপে অসমৰ পুলিচৰ জোৱানক লৈছে। মুখ্যমন্ত্ৰী মহোদয়ে গৃহ বিভাগ শক্তিশালী কৰাৰ কাৰণে বাজেটত কিছু আঁচনি ধৰিছে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগিব যে শিশু সকলৰ কাৰণে, মহিলা সকলৰ কাৰণে যি চিন্তা কৰিছে। ইয়াৰ ক্ষেত্ৰত ইতিমধ্যে ১ হাজাৰ অঙ্গনবাডী কেন্দ্ৰ সম্পূৰ্ণ কৰিছে আৰু ৩ হাজাৰ অঙ্গনবাডী কেন্দ্ৰ শিশু সকলৰ কাৰণে দিবলৈ ওলাইছে। আমাৰ শিশু সকল হ'ল দেশৰ ভৱিষ্যত। এই চিন্তা ধাৰা আগত ৰাখিয়ে অঙ্গনবাডী কেন্দ্ৰ উন্নত কৰি মডেল অঙ্গনবাডী ৰূপ দি শিশু সকলৰ মানসিকতা যাতে তাৰ পৰাই সুন্দৰ ৰূপ লৈ উঠে, সুন্দৰভাৱে গঢ়ি উঠিব পাৰে বা সুন্দৰ শিক্ষা গ্ৰহণ কৰিব পাৰে, পুষ্টিকৰ আহাৰ পায়, সেই কাৰণে বিত্তমন্ত্ৰী ডাঙৰিয়নীয়ে এই ব্যৱস্থা কৰিছে।

আমি ধন্যবাদ দিছো বিশেষকৈ মহিলাসকলৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰিয়নীয়ে যি অৰুনোদয় আঁচনি লৈছে। আটাইতকৈ ডাঙৰ আঁচনি বুলি কলেও ভূল নহয়। প্ৰতিজন মহিলাৰ সপোন যে তেওঁ ঘৰত থাকি অলপ হলেও আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰে। আমি দেখিছিলো বিভিন্ন সময়ত অৰুনোদয় আঁচনি দিয়াৰ আগত যিবিলাক সুৰু সুৰা পৰিয়াল আছিল, বিভিন্ন পৰিয়ালৰ টকাৰ অভাৱত মহিলা সকলে অভিভাৱক (পুৰুষৰ) হাতত হাত পাতিব লগীয়া হৈছিল। কিন্তু অৰুণোদয় আঁচনি পোৱাৰ পিছত মহিলা সকলে হাত পাতিব লগীয়া হোৱা নাই। আজি এই আঁচনি ১ হাজাৰ পৰা ১৪ শ হ'বলৈ গৈ আছে। ধন্যবাদ দিছো মন্ত্ৰী মহোদয় ডাঙৰীয়াক কাৰণ মহিলা সকলৰ কাৰণে এই চিন্তা কৰিছে। যিসকল দুখীয়া সেই সকলৰ কাৰণে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাহিৰেও মুখ্যমন্ত্ৰী আৱাস যোজানাৰ কথা চিন্তা কৰিছে। সেই কাৰণে আমি ধন্যবাদ দিব লাগিব মানুহৰ সপোন বাস্তৱ ৰূপ দিয়াৰ কাৰণে । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি পদক্ষেপ লৈছে তাৰ কাৰণে আমি অসমবাসীয়ে কৃতজ্ঞতা স্বীকাৰ কৰিব লাগিব । এই বাজেটখনত অসমৰ প্ৰতিজন দুখীয়াৰ পৰা আদি কৰি ধনী শ্ৰেণীক আদি কৰি গোটেই খিনি সাঙুৰি লৈছে, তাৰ কাৰণে ধন্যবাদ দিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী পৃথিৰাজ ৰাভা।

**শ্ৰী পৃথিৰাজ ৰাভা, (তেজপুৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা কালি এই পবিত্ৰ সদনত আমাৰ আগন্তুক বছৰৰ কাৰণে অসমৰ বিত্তমন্ত্ৰী ডাঙৰিয়নীয়ে যি বাজেট পাঠ কৰিলে। এই বাজেট প্ৰস্তুষ্ট কৰাৰ পিছত, এই বাজেটৰ সপক্ষে বিপক্ষে যি আলোচনা আৰম্ভ কৰিছে, মোক সপক্ষে দুষাৰ কব দিয়াৰ কাৰণে মই আপোনাক অভিনন্দন জনাইছোঁ।

যোৱা কালি যিখন বাজেট মাননীয়া বিত্তমন্ত্ৰী ডাঙৰিয়নীয়ে পাঠ কৰিছিল। তাত এটা কথা কোৱা হৈছিল এখন উৎজীৱিত অসমৰ বাবে শক্তিশালী ভেটি নিৰ্মাণ বুলি কৈ এই বাজেটখন আৰম্ভ কৰিছে। কোৱা হৈছিল একত্ৰিত বা সুদৃঢ় শব্দৰ দ্বাৰা সুফলসমূহ একত্ৰিত কৰাটোৱে বুজাইছে। এই কথাকে বুজাইছে যে উৎজীৱিত অসম গঢ়িবৰ কাৰণে এইখন চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তত্বাবধনত আৰু বিত্তমন্ত্ৰী ডাঙৰিয়নীৰ যি বাজেট প্ৰস্তুতি, এই বাজেট প্ৰস্তুতি উৎজীৱিত কৰাৰ কাৰণে এইখন প্ৰস্তুত কৰা হৈছে।

অসমৰ গাঁৱত বসবাস কৰা, নগৰত বসবাস কৰা দুখীয়া যিসকল মানুহ আছে, এই সকলক

কেনেকৈ আৰ্থিকভাৱে আগবঢ়াই নিব পাৰে, এই কথা চিন্তা কৰিয়ে, এই বাজেট তৈয়াৰ কৰা হৈছে।

এই বাজেটখন তৈয়াৰ কৰিবলৈ যাওঁতে কেইটামান কথা পৰিলক্ষিত হৈছে যে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন GSPD 3.93 crore টকাৰ বিপৰীতে 5.50 crore টকালৈ সীমা অতিক্ৰম কৰিবলৈ গৈ আছো। এইখিনি আমি অতিক্ৰম কৰিবই লাগিব।

ঋণ সম্প্ৰসাৰণ বৃদ্ধি, ২০২১ ডিচেম্বৰত যি আছিল, তাৰ তুলনাত এতিয়া আমি কৰিবলৈ গৈ আছো ৫৭.৫ শতাংশ বৃদ্ধি কৰিবলৈ গৈ আছো। এই যে আমাৰ যি বাজেট এইখনত যি ধন আৱন্টন দিয়া হৈছে বিভিন্ন বিভাগক । এই ধন আৱন্টনৰ জৰিয়তে মই ভাৱো যি সকল বিভাগে যিমান ধন পাইছে, এই ধনেৰে গোটেই বছৰটো সুন্দৰকৈ পাৰ কৰি নিব পাৰিব।

ধান ক্ৰয়ৰ ক্ষেত্ৰত ২০১২-২২ বৰ্ষত আৰম্ভ কৰা আঁচনিৰ দ্বাৰা ৪৩৯৮৭ জন কৃষিকে উপকৃত হৈছে। ১০৯৭ কোটি টকা উপাৰ্জন হৈছে। এই বৰ্ষত প্ৰতি কুইন্টলত ২০৪০ টকাৰ বৰ্দ্ধিত ১ লাখ মেট্ৰিকটন সংগ্ৰহৰ লক্ষ্য কৰা হৈছে। যাৰ দ্বাৰা এতিয়ালৈকে ৩.৪৩ লাখ মেট্ৰিকটন ধান সংগ্ৰহ কৰা হৈছে। মই আশা কৰিছো যে আগন্তুক দিনত বা বছৰত আমি ১০ লাখ মেট্ৰিকটন ধান গোটাব পাৰিম। তাৰ দ্বাৰা অসমৰ কৃষকে উপকৃত হ'ব পাৰিব। য'ত দালাল সকলে ইমান দিনে হাত বজাৰ পোৱাৰ আগতে গাঁৱলীয়া কৃষকে যিবিলাক লৈ আহে, এই সকলক ঠগাই মিলি কম টকাতে বস্তুবোৰ ক্ৰয় কৰে। তাৰ কাৰণে এখন চৰকাৰে ধান ক্ৰয়ৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে paddy procurement centre যি গঠন কৰিছে, তাৰ কাৰণে আজি আমাৰ কৃষক সকল যি উপকৃত হৈছে। তাক আমি কেতিয়াও নুই কৰিব নোৱাৰো।

ঠিক তেনেকৈ পৰ্য্যটকৰ ক্ষেত্ৰত দেখা যায়, নতুন পৰ্য্যটন নীতিৰ দ্বাৰা আশা কৰা হৈছে যে আগন্তুক বছৰত অসমত পৰ্য্যটকৰ বৃদ্ধি হ'ব আৰু পৰ্য্যটক আহিবৰ কাৰণে পৰ্য্যটকক আকৰ্ষণ কৰিবৰ কাৰণে যি ব্যৱস্থা কৰিব লাগে, যি ধন আৱন্টন কৰা হৈছে, এই ধনৰ দ্বাৰা নতুন প্ৰকল্প গঢ়ি তোলা হ'ব আৰু এই project গঢ়ি তোলাৰ লগে লগে পৰ্য্যটকৰ ভিৰ বাঢ়িব। ভিৰ বঢ়াৰ লগে লগে আমাৰ ধন বৃদ্ধি হ'ব।

ঠিক তেনেকৈ চৰকাৰী চাকৰি দিয়াৰ ক্ষেত্ৰত কৈছে যে ১ লাখ চাকৰি দিয়া হ'ব। বহুতে সমালোচনা কৰিছে যে ১ লাখ চাকৰি দিম বুলি কথা দিছিলে, কিন্তু দিয়া নাই। কিন্তু আমি ১ লাখ চাকৰি দিবলৈ গৈ আছো। আগন্তুক দিনত আমি ১ লাখ চাকৰি দিয়া কামটো সম্পুৰ্ণ কৰিম। বৰ্তমানলৈ ৪১৯২০ পাৰ্থীক ইতিমধ্যে নিযুক্তি দিয়া হৈছে আৰু অতি সোনকালে আন ৪০ হাজাৰ পাৰ্থীক নিযুক্তি দিয়া হ'ব। এই প্ৰক্ৰিয়া ইতিমধ্যে চলি আছে।

অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত আপোনালোকে লক্ষ্য কৰিব যে ভাৰতৰ ভিতৰত সৰ্ব শ্ৰেষ্ঠ আঁচনি হৈছে অৰুণোদয় আঁচনি। এই সৰ্ব শ্ৰেষ্ঠ আঁচনিৰ ভিতৰত কি কোৱা হৈছে, তাত কোৱো হৈছে যি দুখীয়া দৰিদ্ৰ মহিলা.

**(সদনত উপবিষ্ট মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন)**

**শ্ৰীপৃথ্বিৰাজ ৰাভা, (তেজপুৰ) ঃ** ভাৰতৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আঁচনিত কি কোৱা হৈছে, ইয়াত কোৱা হৈছে যি দুখীয়া দৰিদ্ৰ মহিলা, এই দুখীয়া দৰিদ্ৰ মহিলাসকল চহৰৰে হওঁক বা নগৰৰে হওঁক দুখীয়া দৰিদ্ৰ মহিলাই এই আঁচনিৰ সুযোগ লাভ কৰিব। ইতিমধ্যে সুযোগ লাভ কৰিছে আৰু এইবছৰো এই প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু এই আগন্তুক বাজেটত দিনত এই অৰুণোদয় আঁচনিত আমি যি ধন ধাৰ্য্য কৰিছিলো এই ধন এতিয়া ১২ শ ৫০ টকালৈ বৃদ্ধি কৰা হৈছে আৰু অতিশীঘ্ৰে অৰুণোদয় আঁচনি সম্পূৰ্ণ হ'ব। যাতায়াতৰ ক্ষেত্ৰত দেখা গৈছে যে বিৰোধী পক্ষই

স্বীকাৰ কৰিব লাগিব যে মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণকে ধৰি আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে প্ৰতিজন বিধায়কে প্ৰতিবছৰে মাননীয় মুখ্যমন্ত্ৰীৰ পকীপথ আঁচনিৰ ২৫ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ কৰিব পাৰিব। এইটো বিৰোধী পক্ষৰ বিধায়ক সকলেও পাব আৰু বিৰোধী আৰু শাসক বিৰোধী এই দুইটাই বিধায়কে এই সুবিধা গ্ৰহণ কৰিব পাৰিব। তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে tender call কৰা হৈছে। Tender call কৰাৰ পিছত আগন্তুক দিনত ৰাস্তা-ঘাটবিলাক নিৰ্মাণ কৰাৰ কামবোৰ আৰম্ভ কৰিম। শিক্ষাৰ ক্ষেত্ৰত উচ্চ মাধ্যমিকৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষা প্ৰতিষ্ঠান ২১৪ খন ইতিমধ্যে উচ্চ মাধ্যমিকৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় লোৱা হৈছে আৰু ৭১৬ খনৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে আৰু অতি সোনকালে ৭১৬ খন আমাৰ হাইয়াৰ চেকেণ্ডাৰী স্কুল আমি লবলৈ গৈ আছো। ইয়াৰ দ্বাৰা কি হ'ব যে চৰকাৰৰ যিটো নতুন শিক্ষানীতিত কোৱা হৈছে যে কলেজ বিলাকত ডিগ্ৰী পদ থাকিব আৰু হাইস্কুল বিলাকত হাইয়াৰ চেকেণ্ডাৰীৰ course থাকিব। এই হাইয়াৰ চেকেণ্ডাৰী course কৰিবৰ কাৰণে এতিয়া চৰকাৰে নতুন এই নীতিত গ্ৰহণ কৰিছে যে অতি সোনকালে হাইয়াৰ চেকেণ্ডাৰী স্কুলবিলাক fulfill কৰিবৰ কাৰণে আন্তঃগাঁথনিবোৰ উন্নত কৰিব লাগিব। হাইয়াৰ চেকেণ্ডাৰী স্কুল গঢ় দিব লাগিব। তাত আমাৰ ল'ৰা-ছোৱালী শিক্ষা গ্ৰহণ কৰিব। আপোনালোকে জানে প্ৰতিখন এল. পি. স্কুলত দুটাকৈ additional room বনাবলৈ দিয়া হৈছে। ইতিমধ্যে বহুত স্কুলত দুটাকৈ additional room পাইছে। তাত বিৰোধী পক্ষৰ মানুহেও পাই আছে, বিধায়কেও পাইছে আৰু আমাৰ দৰে শাসকগোষ্ঠীৰ বিধায়ক সকলেও এই সুবিধা লাভ কৰিছে। ইতিমধ্যে বিভিন্নি ঠাইত এই ধৰণৰ additional room বনাই থকা হৈছে আৰু এই room ৰ দ্বাৰা আমাৰ যিসকল সৰু সৰু কণ কণ ছাত্ৰ-ছাত্ৰীয়ে য'ত শিক্ষা লাভ কৰে একেলগে এখন বেঞ্চত ৯-১০ জন ছাত্ৰ-ছাত্ৰী বহিবলগীয়া হৈছিল এই দুটা ৰুম বনাই দিয়াৰ পাছত, আমাৰ ল'ৰা-ছোৱালীয়ে বহাৰ সুবিধাখিনি অন্ততঃ লাভ কৰিব পাৰিব আৰু কোৱা হৈছে মুখ্যমন্ত্ৰী পকীকৰণ আঁচনি নিৰ্মাণ আঁচনিৰ লগত আগুৱাই এতিয়া আগন্তুক বাজেটত কোৱা হৈছে যে পৌৰসভাৰ অধীনত থকা যিকোনো সৰু-বৰ পথ যিমান আছে, নলা-নৰ্দমা আছে, সকলো বিলাক এতিয়া নিৰ্মাণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু আগন্তুক দিনত অসমৰ প্ৰতিটো পৌৰসভাৰ বিপক্ষৰ বিধায়কে হওঁক, সপক্ষৰ বিধায়কে হওঁক, সকলো বিধায়কে নিজৰ নিজৰ পৌৰসভাত তেনে পথ নৰ্দমা আদি সুবিধা লাভ কৰিব। আপোনালোকে লক্ষ্য কৰিব যে, যি বসুন্ধৰা আঁচনি গ্ৰহণ কৰা হৈছে, দ্বিতীয় পৰ্য্যায়ৰ বসুন্ধৰা আঁচনি চলি আছে আৰু বসুন্ধৰা আঁচনিৰ দ্বাৰা বহু মানুহ উপকৃত হৈছে। যিবোৰ মানুহে আজি বছৰ বছৰ ধৰি চাৰ্কোল অফিচত গৈ নিজৰ মাটিখিনি নিজৰ কৰি ল'ব পৰা নাছিল, নামজাৰি কৰিব পৰা নাছিল, পট্টা পোৱা নাছিল, আজি সেই পাট্টা, নামজাৰি ম্যাদি কৰিবলৈ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে আৰু আগন্তুক দিনত আকৌ ধন ধাৰ্য্য কৰা হৈছে যাতে বসুন্ধৰা আঁচনিখন, বসুন্ধৰা এই দ্বিতীয় বা তৃতীয়খন আহিব পাৰে, তাৰ কাৰণে ধন আৱণ্টন দিয়া হৈছে যাতে আমাৰ দুখীয়া, গাওঁলীয়া, চহৰীয়া মানুহ আছে, তেখেত সকলে ঘৰতে বহি কম্পিউটাৰৰ জৰিয়তে অনলাইন যোগে এই ব্যৱস্থা লাভ কৰিব পাৰিব। ঠিক সেইদৰে দেখা গৈছে যে ক্ৰীড়া আৰু যুৱকল্যাণত ধন আৱণ্টন কৰা হৈছে। এই ধন ২৫৭.৩৭ কোটি আৱণ্টন কৰা হৈছে, চাহ জনজাতি কল্যাণ বিভাগক ৪২৯.৩৮ কোটি টকা ধাৰ্য্য কৰা হৈছে, পৰ্য্যটন বিভাগক ১০০.০২ কোটি টকা ধাৰ্য্য কৰা হৈছে। পৰিবহণৰ ৮১৯.৩১ কোটি টকা ধাৰ্য্য কৰা হৈছে, জলসম্পদত ১৪৬৪.৯৭ কোটি টকা ধাৰ্য্য কৰা হৈছে, তেনেকৈ বিভিন্ন বিভাগত ধন আৱণ্টন কৰা হৈছে। এই ধন আৱণ্টন কৰাৰ যোগেদি মই ভাৱো এইখন এখন সুস্থ, সৰল, শক্তিশালী বাজেট

নিৰ্মাণ কৰা হৈছে যি বাজেটৰ দ্বাৰা আগন্তুক দিনত অসমে আকৌ হাঁহিব, অসমে আকৌ সুবিধা পাব। অসমৰ গাঁৱলীয়া নগৰীয়া জনজীৱন খেতিয়কৰ পৰা শিক্ষিত মানুহলৈকে বাজেটত দ্বাৰা উপকৃত হ'ব বুলি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ অসম চৰকাৰৰ সন্মানীয়া বিত্তমন্ত্ৰী মহোদয়াই যিখন ২০২৩-২৪ বৰ্ষৰ পূৰ্ণাংগ বাজেট উত্থাপন কৰিলে, এই বাজেটে অসমৰ সকলো জনসাধাৰণৰ লগতে সকলো ধৰ্মালম্বী লোকক সাঙুৰি এক বৃহৎ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰখনক সাঙুৰি লৈ যি বাজেট উত্থাপন কৰিলে তাৰ কাৰণে পোনপ্ৰথমে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে আমাৰ মাননীয়া বিত্ত মন্ত্ৰী গৰাকীক মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। যিহেতু অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত মাননীয় ড°হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰ খনৰ তৃতীয় বৰ্ষৰ পূৰ্ণাঙ্গ বাজেটখন হৈছে এখন আত্মনিৰ্ভৰশীল অসম গঢ়াৰ নজিৰবিহীন বাজেট। প্ৰথমবাৰৰ বাবে আমাৰ বাজেটত ১ লাখ ৩৯ হাজাৰ কোটি টকাৰ এক বৃহৎ ধনৰাশি বাজেট দাখিল কৰা হৈছে, যিখন বাজেটত পোনপ্ৰথমবাৰৰ বাবে তিনিবছৰৰ বাবে কৃষি আয়কৰ ৰেহাই দিয়া হৈছে। সমান্তৰালভাৱে মূলধনজনিত ব্যয় ২৮ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। মূলধনজনিত ব্যয় বৃদ্ধিয়ে ঘৰুৱা উৎপাদন নিশ্চিতভাৱে বৃদ্ধি কৰিব, যিমানে উৎপাদন বৃদ্ধি পাব সিমানে জনমুৰি আয়ৰ পৰিমাণ বাঢ়িব। জনমুৰি আয় বৃদ্ধি পালে কৃষক সকলৰ ক্ৰয় ক্ষমতা বৃদ্ধি পাব, যিমানে ক্ৰয় ক্ষমতা বৃদ্ধি পাব সিমানে অসমৰ অৰ্থনৈতিক টনকীয়াল হ'ব। অসমৰ মানুহৰ ধাৰণৰ মানদণ্ড উন্নত হ'ব। অসমৰ গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ ক্ষেত্ৰত এই বিত্তীয় বাজেটখন যথেষ্ট সহায়ক হ'ব। কিয়নো এই বাজেটখন সমাজৰ আটাইতকৈ অৰ্থনৈতিকভাৱে পিছপৰা লোকসকলৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিবলৈ সক্ষম হ'ব। আমাৰ ৰাজ্যৰ আৰ্থিকভাৱে কম স্বচ্ছল লোক সকলক অৰ্থনৈতিক সকাহ দিয়াৰ উদ্দেশ্যেৰে বহুকেইখন জনহিতকৰ আঁচনি ৰূপায়ণত অধিক গুৰুত্ব প্ৰদান কৰিছে। সেই আঁচনিৰ সমূহে আৰ্থিকভাৱে দুৰ্বল লোকসকলৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিবলৈ সক্ষম হ'ব। উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি, বাজেটৰ অৰুণোদয় আঁচনিৰ জৰিয়তে ২৭ লাখ ৫০ হাজাৰ পৰিয়ালে মাহে ১৪ হাজাৰ টকাকৈ পাবলৈ সক্ষম হ'ব। মাননীয় অধ্যক্ষ মহোদয়, ১৭ লাখ ৯ হাজাৰ ২৬ গৰাকী লোকক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ আৱণ্টন, জলজীৱন মিছনৰ জৰিয়তে খোৱা পানী ঘৰে ঘৰে সংযোগ, সৌভাগ্যৰ আঁচনিৰ জৰিয়তে বিদ্যুৎ সংযোগ, উজ্বলা আঁচনিৰ অধীনত ৰন্ধন গেছৰ সংযোগ ইত্যাদি মৌলিক প্ৰয়োজন সমূহ পূৰণ কৰাত অধিক গুৰুত্ব প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী স্বনিয়োজন আঁচনিৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগ উন্নয়নৰ বাবে আঁচনি যুগুত কৰিছে। এই আঁচনিখনে বাণিজ্য উৎপাদন খণ্ড সেৱাক, খাদ্য, সংশোধন মীন আৰু দুগ্ধ উৎপাদন আদিৰ দৰে উপাৰ্জন সৃষ্টিকাৰী শিতানত উদ্যোগ স্থাপনৰ বাবে ১ লাখ যুৱক-যুৱতীক ২ লাখ টকাকৈ পুঁজি আৱণ্টন আগবঢ়োৱাৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে বাজেটত ১ হাজাৰ কোটি টকা আৱণ্টন দিছে। তাৰবাবে মই আমাৰ এই চৰকাৰখনক বিশেষভাৱে মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী গৰাকীক পুনৰবাৰ ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ১ লাখ শিক্ষিত যুৱক-যুৱতীক চাকৰি দিয়াৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল, সেইখিনি সম্পূৰ্ণ হোৱাৰ অন্তিম পৰ্য্যায়ত উপনীত হৈছে। সু-পৰিকল্পিত বাজেটৰ বাবে এই বৃহৎ নিযুক্তি সম্ভৱ হৈছে। অৰ্থনৈতিক উন্নয়নৰ অন্তৰায় সমূহ বিশ্লেষণ কৰি এই অন্তৰায় সমূহ দূৰ কৰিবলৈ এই বিত্তীয় বাজেটত বলিষ্ঠভাৱে আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। যেনে দৰিদ্ৰতা নিৰ্মূল, বানপানী

গঢ়াখহনীয়া ৰোধ, স্বাস্থ্য সজাগতা, বাল্যবিবাহ ৰোধ, খাদ্য সুৰক্ষা আঁচনিৰ অধীনত নতুনকৈ ৰাজ্যৰ ৪০ লাখ ব্যক্তিক ৰেচন কাৰ্ড প্ৰদানত ৪.৯৪ কোটি টকা ধাৰ্য্য কৰিব পৰাটো বাজেটৰ এটা ইতিবাচক দিশ বুলি মই অভিহীত কৰিব বিচাৰো, লগতে উল্লেখ কৰিব বিচাৰো মুখ্যমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে ১ লাখ পৰিয়ালক গৃহ আৱণ্টন দিয়া হ'ব আৰু ইয়াৰ বাবে আঠ শ কোটি টকা আবণ্টন দিয়া হৈছে আৰু ইয়াক মই আদৰণি জনাইছো। মুখ্যমন্ত্ৰী আৱাস যোজনাৰ অধীনত চাহ বগিচাৰ লাইনত দহ হাজাৰ টা মুখ্যমন্ত্ৰী আৱাস গৃহ নিৰ্মাণৰ কথা উল্লেখ কৰিছে। তাক মই পুনৰ আদৰণি জনাইছো। যিহেতু মুখ্যমন্ত্ৰীয়ে সকলো জনসাধাৰণক সামৰি লোৱাৰ যি পৰিকল্পনা সেই পৰিকল্পনাক আজি আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে এই বাজেটত উল্লেখ কৰিছে। জলসিঞ্চনৰ বাবে এই বাজেটত ৮৫৩.৫৭ কোটি টকা আবণ্টন দিয়া হৈছে। মই ভাৱো এইয়া কল্পনাতীত। আগতে জলসিঞ্চনৰ বাবে ইমান বৃহৎ পুঁজি আবণ্টন দিয়া কেতিয়াওঁ সম্ভৱ হোৱা নাছিল। ইয়াৰ দ্বাৰা কৃষক সকলৰ নিশ্চিতভাৱে যথেষ্ট সহায় হ'ব। নতুন অৰ্থনৈতিক সম্ভাৱনা আৰু ক্ষেত্ৰ নিৰ্বাচনৰ বাবে জল পৰিবহনত উপযুক্ত পৰিকল্পনাৰ জৰিয়তে Assam Inland Water Ways Company Ltd.গঠনত এই বিত্তীয় বৰ্ষত অনুমোদন দিয়াৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। ঠিক তেনেদৰে বাজেটৰ ১৯৯ কলমত সন্নিবিষ্ট Act East নীতিৰ পৰিকল্পনা বিভাগৰ জৰিয়তে চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে অৰ্থনৈতিকভাৱে একেলগে আগবঢ়াৰ বাবে অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰ পৰিকল্পনা এই বাজেটত সামৰি লোৱাৰ বাবে মই পুনৰবাৰ ধন্যবাদ জনাইছো। পৰিকল্পিত অৰ্থনৈতিক নীতিৰ আধাৰত প্ৰতিষ্ঠিত বিত্তীয় বাজেটৰ ফলতহে উন্নয়ন সম্ভৱ। অসমৰ ৰাইজে এতিয়া উন্নয়ন বিচাৰে, শান্তি আৰু প্ৰগতি বিচাৰে। অসমৰ সকলো ৰাইজে এতিয়া উন্নয়নৰ গতি দেখিবলৈ পাইছে আৰু ইয়াৰ সম্ভৱ হৈছে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এক সুস্থ-সৰল আৰু দূৰদৰ্শী অৰ্থনৈতিক বিচাৰ ধাৰাৰ বাবে। গতিকে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীক পুনৰবাৰ ধন্যবাদ জনাই মোৰ এই চমু বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া জিৰণ বসুমতাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী জিৰণ বসুমতাৰী, (গোসাইগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমতে মই আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো । ২০২৩-২৪ বৰ্ষত তেওঁৰ যিখন বাজেট আমাৰ সদনত প্লেচ কৰিলে, এই বাজেটখন পঢ়িচোৱাত দেখিবলৈ পাইছো যে এই বাজেটখনত সৰ্বাঙ্গীন উন্নয়নৰ আৰু জনপ্ৰিয় বাজেট বুলি ক'ব লাগিব। কাৰণ এই বাজেটখনে প্ৰতিটো দিশতে বলিষ্ঠ পদক্ষেপ লৈ কাম কৰি যাব পৰা এটা চালিকা শক্তিৰ নিচিনা ইয়াক দেখিবলৈ পাইছো আৰু বিভিন্ন শিতানত বিভিন্ন ধৰণে প্ৰতিফলিত হোৱা দেখিবলৈ পাইছো। ইয়াৰ লগতে মই বিশেষকৈ ফ'কাচ কৰিব বিচাৰিছো যে এই বাজেটে বি টি আৰ অঞ্চলত বসবাস কৰা বিভিন্ন জাতি-গোষ্ঠী আৰু আমাৰ সাধাৰণ ৰাইজ উপকৃত হ'ব। এই বাজেটৰ যোগেদি স্বায়িত্ব শাসনৰ প্ৰতি সন্মান জনাই বড়োলেণ্ড কল্যাণ বিভাগক ৩৮৬৩.৭০ কোটি টকাৰ আবণ্টন দিয়া হৈছে। এই টকাই বড়োলেণ্ড স্ব-নিয়োজন যোজনা, বড়োলেণ্ড আত্মনিৰ্ভৰশীল যোজনা, বড়োলেণ্ড যুৱ বিকাশ, বড়োলেণ্ড হস্ততাঁত মিশ্যন, বড়োলেণ্ড ৰেচম মিশ্যন, বড়োলেণ্ড দক্ষতা আৰু অধ্যুমিত মিশ্যন আদিত আবণ্টিত ধনৰ যোগেদি কামবোৰ কৰিবলৈ সক্ষম হ'ব আৰু নিশ্চয়কৈ এই যোজনাবোৰ যদি আমি এই বাজেটৰ জৰিয়তে কৰিব পাৰো তেন্তে নিশ্চয়কৈ আমাৰ অঞ্চলবোৰ অৰ্থনৈতিক দিশত এটা সৰল স্থিতিত ভৰি দিব বুলি আমি ভাৱো। ইয়াৰ লগতে উল্লেখ কৰিব লাগিব যে সেই যোজনাৰ লগত সংগতি ৰাখি আমি আমাৰ বি টি আৰ অঞ্চলত বসবাস কৰা বিভিন্ন জাতি-গোষ্ঠীৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ

যিসকল মেধাৱী ছাত্ৰ-ছাত্ৰী আছে আৰু যিসকল অৰ্থনৈতিকভাৱে পিচপৰা তেওঁলোকক মিশ্যন তৃপ্তিৰ দ্বাৰা ইউ পি এচ চি পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ ইতিমধ্যে দিল্লীত ক'চিং দি থকা হৈছে। গতিকে এই আবণ্টিত ধনেৰে এই মিশ্যন লোৱা হৈছে আৰু সেই মিশ্যন সফল হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। মই ভাৱো কেৱল আমাৰ বি টি আৰ অঞ্চল নহয়, গোটেই অসমৰ কাৰণে এখন জনপ্ৰিয় বাজেট। যি বাজেটে আমাক উন্নতিৰ পথলৈ লৈ যাব পাৰিব। ইয়াৰ লগতে মই ক'ব বিচাৰিছো যে আমি সচাঁ-সঁচিকৈ গোটেই অসমখন হিংসাৰে জৰ্জৰিত হৈ থকা দেখিবলৈ পাইছিলো। কিন্তু ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিসকল বিদ্ৰোহী যুৱক চামে আত্মপ্ৰকাশ কৰি বিভিন্ন দাবীৰে অসমখন জৰ্জৰিত কৰি তুলিছিল, সেই বিদ্ৰোহী গোটসমূহৰ লগত আলোচনা-বিলোচনাৰ মাধ্যমেৰে যি শান্তি-চুক্তি কৰিলে, সেইটো এটা অতি উল্লেখেনীয় দিশ বুলি আমি ক'ব পাৰো। ইয়াত উনুকিয়াব পাৰো যে বড়ো শান্তি চুক্তি, কাৰ্বি শান্তি চুক্তি আৰু আদিবাসী শান্তি চুক্তি। এই তিনিখন শান্তি চুক্তিয়ে বিশেষকৈ আমাৰ যিখিনি হিংসাৰে জৰ্জৰিত অঞ্চল সেইখিনিত বহুতো সহায় কৰিছে আৰু আমি শান্তিত আছো বুলি ক'ব লাগিব। ইয়াৰ লগতে মই উনুকিয়াব বিচাৰিছো যে এই শান্তি চুক্তিৰ যোগেদি যিসকল আমাৰ কেডাৰ আছিল সেই কেডাৰ সকলক পুনৰ সংস্থাপনৰ বাবে চাৰি লাখ টকাকৈ অসম চৰকাৰৰ ফালৰ পৰা আৰ্থিক সাহাৰ্য্য দিয়া হৈছে। এই কাম প্ৰায় সম্পূৰ্ণ হোৱা বুলি ক'ব লাগিব আৰু যি অলপ ৰৈ গৈছে সেইখিনি চৰকাৰে অতি সোনকালে নিষ্পত্তি কৰিব বুলি মোৰ দৃঢ় বিশ্বাস। এই শান্তি চুক্তিৰ লগতে এটা কথা উল্লেখ কৰিব লাগিব আৰু আমাৰ বাবে ভাল বাৰ্তা বুলি ক'ব লাগিব যে অলপ দিন আগত আদিবাসী শান্তি চুক্তি হৈছিল। দফা নং-৩.১ অনুসৰি ইয়াত পৰ্য্যাপ্ত পুঁজিৰ আবণ্টনেৰে এখন আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদ গঠন কৰিবৰ বাবে এই বাজেটক উল্লেখ কৰাটো জাতিটোৰ বাবে এক বিশেষ সাফল্য বুলি ক'ব লাগিব। এই পৰিষদখন যেতিয়া গঠন কৰা হ'ব নিশ্চয়কৈ আদিবাসী সকলে দ্ৰুত গতিত আগবাঢ়ি যাবৰ বাবে বাট মুকলি হ'ব। মই ভাৱো আমাৰ বাবে এক বৃহৎ সাফল্য। ইয়াৰ লগতে মই ক'ব বিচাৰিছো স্বাস্থ্যৰ ক্ষেত্ৰত অসম চৰকাৰে বাজেটত যি প্ৰতিফলন ঘটাইছে তাৰ যোগেদি আমাৰ স্বাস্থ্য ক্ষেত্ৰত যথেষ্ট উন্নয়ন হ'ব। কাৰণ ইয়াত দেখিবলৈ পাইছো যে এক হাজাৰ খন নতুন এম্বুলেঞ্চ ৰাজ্যৰ চিকিৎসালয়লৈ যোগান ধৰা হ'ব। ইয়াৰ দ্বাৰা সাধাৰণ ৰাইজে যথেষ্ট সকাহ পাব বুলি মই ভাৱো। লগতে কোকৰাঝাৰকে আদি কৰি আমাৰ যি ন খন মেডিকেল কলেজ স্থাপন কৰা হৈছিল, সেই মেডিকেল কলেজ সমূহত নতুনকৈ বি এচ চি নাৰ্চিং স্থাপন কৰিবৰ বাবে এই বাজেটত যিটো প্ৰতিফলন ঘটোৱা হৈছে নিশ্চয়কৈ কেৱল আদৰণীয়ই নহয়, ই আমাৰ সাধাৰণ ৰাইজক যথেষ্ট সকাহ দিব বুলি মই ভাৱো। ইয়াৰ লগতে মই আৰু এটা কথা ক'ব বিচাৰিছো এই বাজেটৰ যোগেদি ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণী কল্যাণ বিভাগত প্ৰধানমন্ত্ৰী আদৰ্শ গ্ৰাম য়োজনাৰ অধীনত আদৰ্শ গাওঁলৈ ৰূপান্তৰৰ বাবে আমাৰ চৰাকৰে কমেও ৫০ শতাংশ জনজাতি লোক আৰু ৫০০ গৰাকী অনুসূচীত জনজাতি থকা লোক ১৭০০ খন গাওঁ চিনাক্ত কৰাটো অতিকৈ প্ৰশংসনীয় বিষয়। নিশ্চয়কৈ ইয়াৰ দ্বাৰা আমি ক'ব পাৰো যে আমাৰ গাওঁখনকো যদি এটাৰ পিছত আনটো পৰ্য্যায় ক্ৰমে আদৰ্শ গাওঁত পৰিণত কৰিব পাৰো নিশ্চয়কৈ আমাৰ অসমখন এটা সময়ত আদৰ্শ ৰাজ্য হিচাপে স্থাপন হ'ব। আমাৰ সন্মানীয় অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া হিমন্ত বিশ্ব শৰ্মা দেৱে কোৱাৰ দৰে এদিন ভাৰতবৰ্ষৰ পাঁচখন উন্নত ৰাজ্য হিচাবে পৰিগণিত হ'ব। সেই কাৰণে এইখিনি ক'ব সুযোগ দিয়াৰ বাবে মই সন্মানীয় অধ্যক্ষ মহোদয়ক আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক আৰু এবাৰ ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সমৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)ঃ** অধ্যক্ষ মহোদয়, এইবাৰৰ বাজেটখনত বিশেষ নতুনত্ব নাই, গতানুগতিক বাজেট বুলিয়েই ক'ব লাগিব। তথাপিও যোৱা বছৰৰ এটা পৰিসংখ্যা আহিছে যে ২০২২-২৩ বৰ্ষৰ বাজেটত ডিচেম্বৰলৈকে মুঠ ধাৰ্য্য পুঁজিৰ খৰচ কৰিছিল ৫৬.৩৪%। গতিকে, এইবাৰ সঠিক সময়ত পুঁজিখিনি ব্যয় কৰি ৰাজ্যৰ কল্যাণাৰ্থে যাতে কাম কৰিব পাৰে তাৰ বাবে আবেদন মই প্ৰথমতে কৰিলো। আমি জানো যে অসম কৃষি প্ৰধান ৰাজ্য। ইয়াৰ প্ৰায় ৭৫% মানুহ কৃষিৰ ওপৰত প্ৰত্যক্ষ, পৰোক্ষভাৱে নিৰ্ভৰশীল। কিন্তু, দেখা যায় মুঠ কৰ্ম সংস্থাপনৰ ৯৩% ই আহে কৃষি আৰু তাৰ সৈতে জড়িত ক্ষেত্ৰবোৰৰ পৰা। কিন্তু, কৃষি উৎপাদনৰ বৃদ্ধিৰ হাৰ অসমত অতি নগণ্য। গড়ে দুই-বা তিনি শতাংশ। ৰাজ্যত মুঠ ঘৰুৱা উৎপাদনত কৃষিৰ অৰিহণা ২১-২২ বৰ্ষৰ ১৯.৮৯% ৰ পৰা হ্ৰাস পাই ১৮.৮৯% হৈছিল। স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পিছতো অসমৰ মুঠ কৃষি ভূমিৰ মাত্ৰ ১০%তহে জলসিঞ্চনৰ ব্যৱস্থা আছে। পঞ্জাৱত আছে ৯২.০২%। সৰ্বভাৰতীয় হাৰ হৈছে ৩৫% ৰ ওপৰত। প্ৰতি হেক্টৰ কৃষি ভূমিত সাৰৰ ব্যৱহাৰ আমাৰ ৰাজ্যখনত হৈছে ৬৭.৫১ কিঃগ্ৰাঃ। ইয়াৰ সৰ্বভাৰতীয় হাৰ হৈছে হেক্টৰে প্ৰতি ২০৯.০৪ কিঃগ্ৰাঃ। এনে তথ্যই আমাৰ ৰাজ্যৰ কৃষি খণ্ডৰ পঁয়ালগা অৱস্থাৰ কথা কিন্তু ইংগিত কৰে। আমাৰ কৃষিখণ্ডত দেখা পাওঁ কেৱল বীজৰ নামত পইচা ধাৰ্য্য কৰি জিলাই জিলাই পঠাই দিয়া হয়। কিন্তু গাই পতি কিমান কিঃগ্ৰাঃকৈ বীজ পৰে তাৰ হিচাপ আপোনালোকে ল'লে অৱগত হ'ব। এনেকুৱা পদ্ধতিৰে খেতি কৰাতকৈ বৈজ্ঞানিক পদ্ধতিত যদি কৃষি ক্ষেত্ৰত আমি মনোনিবেশ নকৰো, নিবনুৱা সমস্যা সমাধানৰ বাবে আমি কৃষি খণ্ডক যদি বাচনি কৰি নলওঁ তেন্তে ১৬% তকৈ অধিক যি নিবনুৱাৰ সমস্যা আছে, সেইয়া আমি সমাধান কৰিব নোৱাৰিম। আজি উদ্যোগ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে 'Advantage Assam' ত অসমৰ হুলস্থুল স্বত্বেও কোনো উল্লেখযোগ্য বিনিয়োগ নহ'ল। বৰঞ্চ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ অধিকাংশই বন্ধ হৈ গ'ল। ৰাজ্যত কেন্দ্ৰৰ ৰাজহুৱা খণ্ডৰ দুটা বৃহৎ উদ্যোগ জাগীৰোডকাগজ-কল আৰু পাচগ্ৰাম কাগজ-কল বন্ধ হ'ল। এইবোৰক পুনৰুজ্জীৱিত কৰাৰ ব্যৱস্থা এইবাৰৰ বাজেটত নাই। বেচৰকাৰী খণ্ডৰ হাতত বিক্ৰী কৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে কাগজ কল দুটা চলি আছে। ৰাজ্য চৰকাৰৰ অধীনত থকা ৰাজহুৱা খণ্ডৰ ৫১ টা উদ্যোগৰ বিপৰীতে ৩৫ টাহে কাৰ্য্যক্ষম হৈ আছে। এইবিলাকত কৰ্মৰত শ্ৰমিকৰ সংখ্যা প্ৰায় ৩৪ হাজাৰ। ইয়াৰে অধিকাংশই লোকচানত চলি আছে। সেইবোৰক পুনৰুজ্জীৱিত আৰু লাভজনক কৰি তুলিবলৈ যি ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা ল'ব লাগিছিল, এই বাজেটত সেই কথাটো নাই। অধ্যক্ষ মহোদয়, মই এটা পৰিসংখ্যা ক'ম। কেৰেলা ৰাজ্য চৰকাৰৰ অধীনত থকা ৰাজহুৱা খণ্ডৰ লোকচানৰ সংখ্যাত লোকচানত থকা ১২১ টা উদ্যোগৰ ৬০ টাই তাৰে চৰকাৰৰ লাভজনক হিচাপে গঢ়ি তুলিছে আৰু ৬১ টাৰো অধিকে লোকচানৰ পৰিমাণ কমাইছে। গতিকে, এনে পৰ্যায়ত অসমে সেই আৰ্হিটো নিশ্চয় গ্ৰহণ কৰা উচিত বুলি মই ভাৱো। ২০১৬ চনত কৰ্মসংস্থাপনৰ কথা কৈছিল আৰু মুখ্যমন্ত্ৰী মহোদয়ে ১ লাখ চাকৰি দিব বুলিও কৈছিল। কিন্তু, ২০১৬ চনত যেতিয়া বিজেপি চৰকাৰ ক্ষমতাত আহিছিল তেতিয়া তেওঁলোকে Vision Document ত ২৩ লাখ নতুন কৰ্ম সংস্থাপন সৃষ্টি কৰিব বুলি কৈছিল। কিন্তু, এতিয়ালৈ ১ লাখ চাকৰিয়েই সম্পূৰ্ণ কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, নতুন মেডিকেল কলেজ দি আছে, আমি ভাল পাইছো। কিন্তু, চলি থকা মেডিকেল কলেজ সমূহৰ বিভিন্ন বিভাগত এতিয়াও শিক্ষক নাই। যদি ভাল শিক্ষক, স্পেচিয়েলিষ্ট নাথাকে, তেন্তে কি শিক্ষা গ্ৰহণ কৰি নতুন চাম ডাক্তৰ হৈ ওলাই আহিব। আপুনি জানিলে আচৰিত হ'ব যে দিনক দিনে

আমাৰ ব্যক্তিগত খণ্ডৰ নাৰ্চিংহোম বাঢ়ি আছে আৰু ব্যক্তিগত নাৰ্চিংহোমবোৰত দুখীয়া বেমাৰীবোৰ যাবলৈ বাধ্য হৈছে। কাৰণ ডিব্ৰুগড় মেডিকেল কলেজখন ইমান ডাঙৰ মেডিকেল কলেজ, কিন্তু তাত এতিয়াও Neurology বিভাগ নাই। ঠিক তেনেকৈ বৰপেটাতো বহুত বিভাগ নাই.....interruptions.............

**শ্ৰী পোনাকন বৰুৱা, (লাহোৱাল)ঃ** অধ্যক্ষ মহোদয়, ভুল তথ্য কৈছে, Neurology বিভাগ আছে......

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)ঃ** আমি বিধায়কৰ টিম যেতিয়া ডিব্ৰুগড়ত গৈছিলো, তাত কোনোবা এটা বিভাগ নাছিল। মই বিভাগটোৰ নাম পাহৰিলো .....interruptions.......

**মাননীয় অধ্যক্ষঃ** হ'ব। তৰ্ক কৰিব নালাগে........interruptions........

**শ্ৰীআমিনুল ইছলাম, (ধিং)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ মন্ত্ৰীয়ে দিব লাগে।........interruptions........

**মাননীয় অধ্যক্ষঃ** হ'ব। মাননীয় সদস্য আপুনি কৈ যাওঁক।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)ঃ** চাৰ, যোৱাকালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে হিতাধিকাৰী আঁচনিৰ কথা। আজি বৰ পৰিতাপৰ বিষয় যে ১৫ হাজাৰ ভেঞ্চাৰ শিক্ষকৰ কোনো কথা বাজেটত উল্লেখ কৰা নহ'ল। চৰকাৰে নিজেই অনুমতি দিছে স্কুলবিলাক খোলাৰ কাৰণে। তেওঁলোকে ইমান কষ্ট কৰি, ইমান দিনে বিনা বেতনে কাম-কাজ কৰিলে, কিন্তু তেওঁলোকক আজি চাকৰি দিয়াৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আৰু যি সকলক লোৱা হ'ল, দিন হাজিৰা কৰা মানুহতকৈ তেওঁলোকৰ মজুৰি কম। আজি দিন-হাজিৰা কৰিও দৈনিক ৫০০-৭০০ টকা পায়। কিন্তু, শিক্ষকে ৮-৯ হাজাৰ**হে** মাহে income কৰিব লাগে। সংখ্যালঘু উন্নয়নৰ কাৰণে কোনো ধৰণৰ বিশেষ, আজি বাল্য বিবাহ আৰু ..interruptions .. চাৰ, বাল্য বিবাহৰ ক্ষেত্ৰত ইয়াত বাৰম্বাৰ কোৱা হৈছে যে এইবিলাক নিয়ন্ত্ৰণ কৰিব লাগে, কঠোৰ আইন প্ৰণয়ন কৰিব লাগে। কিন্তু, বাল্য বিবাহ তেতিয়া নিয়ন্ত্ৰণ হ'ব যেতিয়া আমি এই পিছপৰা দৰিদ্ৰ, অনুন্নত মানুহখিনিক আৰ্থিকভাৱে সহায় কৰিম, বিভিন্ন আঁচনি দিম, তেওঁলোকৰ উত্তৰণৰ কাৰণে চেষ্টা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী ফণীধৰ তালুকদাৰ।

(Hon'ble Chairman Shri Ramendra Narayan Kalita in the Chair)

**শ্ৰী ফণীধৰ তালুকদাৰ, (ভৱানীপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ মাননীয় বিত্ত মন্ত্ৰী অজন্তা নেওঁগদেৱে আমাৰ ২০২৩-২৪ বৰ্ষৰ যি বাজেট দাখিল কৰিলে, এইখন আমাৰ অসমৰ বাবে অসমৰ জনগণৰ বাবে ঐতিহাসিক বাজেট। ইয়াত আমাৰ মহাত্মা গান্ধীৰ সপোন- 'গাঁৱলৈ ঘূৰি চাওঁক' আৰু আমাৰ আজিৰ বাস্তৱৰ নগৰীয়া মানুহৰ সপোন- এই গোটেইখিনিক বাস্তৱ ৰূপ দিবলৈ এই বাজেটখনে সক্ষম হৈছে। আজি আচৰিত ধৰণে ১,৩৯,৪৩৩.৮৪ কোটি টকা এই বাজেটত সন্নিবিষ্ট কৰিবলৈ সক্ষম হৈছে। এইটো অসমৰ বাবে ঐতিহাসিক ঘটনা। আজি আমাৰ বাজেটে আমাৰ নৰেন্দ্ৰ মোডীজীয়ে অষ্টলক্ষ্মী বুলি কৰা ঘোষণাক পূৰ্ণাংগ ৰূপ দিবলৈ আগবাঢ়ি আহিছে। ইয়াত আমাৰ ঘৰুৱা উৎপাদন (GSDP ) ৫.৫০ লৈ বঢ়াই দিবলৈ সক্ষম হৈছে আৰু ইয়াত, প্ৰত্যেকটো দিশতে, প্ৰত্যেকটো আঁচনিক পূৰ্ণাংগ ৰূপে দিবলৈ এই বাজেটখনেৰে চেষ্টা কৰা হৈছে। যেনে-মহিলা সৱলীকৰণ আঁচনি আমাৰ চলি আছে। প্ৰত্যেকটো side ত, প্ৰত্যেকটো scheme ত ইয়াত পূৰ্ণাঙ্গ ৰূপ দিবলৈ এই বাজেটখনে চেষ্টা চলোৱা হৈছে। যেনে-মহিলা সৱলীকৰণ আঁচনি আমাৰ চলি আছে। এই মহিলা সৱলীকৰণ আঁচনিৰ যোগেদি আমাৰ

প্ৰথমতে মহিলা সকলক Handloom Textile ৰ যোগেদি তেওঁলোকৰ পৰা গামোছা, আৰনাই আদি ক্ৰয় কৰে আৰু আজি তেওঁলোকক উৎসাহিত কৰিবলৈ বাজেটত ধন ধাৰ্য্য কৰা হৈছে। আনফালে, যিসকল বিধৱা মহিলা আছে বা যিসকল মহিলাৰ বিবাহ বিচ্ছেদ হৈছে আৰু দুখীয়া মহিলা সকল যিসকলে গাওঁত থাকে, তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা সচাঁকৈ বেয়া। তেওঁলোকে কোনো এটা কামত হাত দিবলৈ হ'লে দুটকা, ১০ বা ২০ টকাৰ কাৰণে ভাৱিবলগা হয়। যোৱা ২০২১ চনৰ পৰা তেওঁলোকক সাঙুৰি লেৱা হৈছে আৰু এই বাজেটে প্ৰথমতে তেওঁলোকক ১০০০ টকা দিছিলে, এবিাৰ তেওঁলোকক ১২৫০ টকালৈ উন্নীত কৰিছে আৰু এই বাজেটে তেওঁলোকক ১৪০০ টকা দিবলৈ ধাৰ্য্য কৰিছে আৰু আচৰিত কথা আমাৰ ৭০ লাখ এনেকুৱা মহিলাক অৰুণোদয় আঁচনিৰ যোগেদি সকাহ দিছিলে। এইবাৰ ঘোষণা কৰিছে যে ১০ লাখ মহিলাক পুনৰ সংস্থাপিত কৰি তেওঁলোকক সকাহ দিব এইটো আচৰিত আৰু মহিলা সকলৰ বাবে উৎসাহিত খবৰ। এই বাজেটখনে অতি উৎসাহজনকভাৱে এটা ঘোষণা কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে unemployment ক্ষেত্ৰত আমি সদনে দুবছৰৰ পৰা চিঞৰি আছিলো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে ১ লাখ নিৰনুৱাক চাকৰি দিব মে' মাহৰ ভিতৰত কিন্তু এইবাৰ বাজেটত আকৌ উল্লেখ কৰিছে যে আমি ২ লাখ নিৰনুৱাক পুনৰ সমস্থাপন দিম। আমাৰ যোৱা Covid-19 পৰিস্থিতিয়ে নিৰনুৱা সকলক লঘু উদ্যোগী সকলৰ মন ভাঙি পেলাইছিল, কৰ্মবিমুখ কৰি পেলাইছিল আৰু তেওঁলোকে পুনৰ কৰ্ম সংস্থাপন বিচাৰি কিবা এটা কৰিবলৈ হাবুডাবু খাই আছিল আৰু সেই সময়তে আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে এই সকাহটো দিয়াৰ লগে-লগে ২ লাখ টকা তেওঁলোকক ৰাজ সাহাৰ্য্য দিব আৰু তেওঁলোকে আচলতে ২ লাখ পালে উৎসাহিত হ'ব। তেওঁলোকে পুনৰ কৰ্মোদ্যমেৰে আগবাঢ়ি যাব, এইটো আমাৰ কাৰণে অতি উৎসাহজনক ঘটনা।

(Hon'ble Member Shri Ramendra Narayan Kalita on the Chair)

তাৰ পিছতে আমাৰ এটি সপোন আছিল, সকলো বিধায়কে ভাৰি থাকে যে নিজৰ সমষ্টিত স্কুল কেইখন অলপ ধুনীয় হ'ব, লৰা-ছোৱালীয়ে ভালকৈ পঢ়াশুনা কৰক কাৰণ আমি যদি ৰাতিপুৱা নিজৰ সমষ্টিত গাওঁ অঞ্চলত এটা ঠাইত থিয় হৈ থাকো, মোৰ ঘৰ বৰপেটাৰ বজালীত । বজালী জিলাৰ ভৱানীপুৰ সমষ্টিত থিয় হৈ থাকিলে দেখো যে তাৰ পৰা হাজাৰ হাজাৰ গাড়ী Private School ত আহে। তেওঁলোকে english পঢ়িবলৈ আহে আৰু আমাৰ স্কুল কেইখন দিনে দিনে খালী গৈ আছে। স্কুল সমূহ amalgamation কৰিবলগা হৈছে। এতিয়া কথাটো হ'ল আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে উপলব্ধি কৰিছে, আমি স্কুলবিলাক ধুনীয়া কৰিছো। কিন্তু আটকধুনীয়া কৰিব লাগিব। প্ৰত্যেক সমষ্টিত ৩ টা কৈ স্কুলৰ বাবে ৫ কোটি টকা ঘোষণা কৰিছে। এইটো আমাৰ সকলো বিধায়কৰ কাৰণে, সকলো অঞ্চলৰ কাৰণে ঐতিহাসিক ঘোষণা। তাৰ পাছত আকৌ কৈছে যে ১ কোটি টকা

------interruption-----------

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ** আপোনাৰ সময় শেষ হ'ল।

**শ্ৰী ফণীধৰ তালুকদাৰ, (ভৱানীপুৰ) ঃ** মোৰ ক'বলগা বহুত আছিল। কিন্তু সময় শেষ হ'ল। আজি এই সুযোগতে আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক এই ঐতিহাসিক বাজেটৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন

ডাঙৰীয়া। আপোনাক ১০ মিনিট সময় দিয়া হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় সভাপতি মহোদয়, মই আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে দায়িত্ব লোৱাৰ পিছত যি তিনিখন বাজেট place কৰিছিল। মই সেই তিনিওখনে লৈ আহিছো। বাজেট এখনতকৈ আনখনৰ আকাৰত ডাঙৰ হৈছে কিন্তু ভিতৰত ইমান ডাঙৰ হোৱা দেখা নাই। আপুনি যদি ২০২২-২৩ চনৰ বাজেট ৰ Revise Estimate চায়,তাতকৈ আমাৰ বাজেটটো এতিয়াও সৰু। মহোদয়াই এই বাজেটৰ আৰম্ভণিতে এজন বিখ্যাৎ অৰ্থনীতিবিদৰ উক্তিৰে আৰম্ভ কৰিছিল, সেই তিনিটা পইন্টতে আমাৰ বক্তব্য সীমাবদ্ধ ৰাখিম। তেখেতে যি উক্তি উল্লেখ কৰিছিলে সেইটো দৰিদ্ৰতা, নিৰনুৱা সমস্যা আৰু অসমতা। এই তিনিটা বিষয়ত তেখেতে গুৰুত্ব আৰোপ কৰিছিল। কিন্তু মহোদয়, সেই বিষয়লৈ যোৱাৰ পূৰ্বে এই বাজেটৰ যিখিনি পৰিসাংখ্যিক বিশ্লেষণ তাৰ এটা সাম্যক বিশ্লেষণ সদনত দাঙি ধৰিব বিচাৰিছো যে Fiscal deficit ৰ ক্ষেত্ৰত Article -293 ৰ Clause-3 of the Constitution of India ই কৈছে যে ভাৰত চৰকাৰক সকলো ক্ষমতা দিছে যে Fiscal deficit ৰ উচ্চসীমা কিমান হ'ব তাক নিৰ্দ্ধাৰণ কৰিব আৰু সেই অনুযায়ী আমাৰ অসমত ২০২২ আৰু ২০২৩ এই দুটা বিত্তীয় বৰ্ষত Fiscal deficit ৰ উচ্চসীমা ৪ শতাংশ ধাৰ্য্য কৰা হৈছিল। কিন্তু দেখা গ'ল ২০২২ আৰু ২০২৩ চনৰ Revise Estimate ত এই Fiscal deficit গৈ ৮.১ শতাংশ পাইছে। তেনেহ'লে এই মাৰ্চ মাহৰ শেষত এতিয়া আহি দেখা যাব যে আমাৰ বাজেটটো যেতিয়া ১,৫২,০০০ কোটি টকাৰ হ'ল, তেতিয়া আমি ৰাইজক দেখুওৱা অনেক সপোন, ৰাইজক কৈ থোৱা অনেক কাম আমি কৰিব নোৱাৰিম কাৰণ Fiscal deficit টো আমি মিলাব নোৱাৰিম। এই Fiscal deficit ৰ ক্ষেত্ৰত দেখিছো অসমে ৰেকৰ্ড কৰিছে প্ৰতিবছৰে। কেইবাটাও বাজেট প্ৰতিবেদন যদি আপুনি তুলি লয়, দেখিব যে অসমে ৰেকৰ্ড কৰিছে আৰু এই ৰেকৰ্ডৰ competition ত ১ নম্বৰত বিহাৰ থাকিব নে অসম থাকিব তাক লৈ competition হৈ থাকে। আমি ভাৱো যে যিটো বাজেট projection কৰা হয়, সেই বাজেটটো এনেকুৱা হ'ব লাগে যে আমি ৰাইজক যিটো দেখুৱাইছো শেষলৈকে সেইটো হ'ব লাগে। আজিৰ বাজেটটোও শেষত গৈ এইটোৱে হ'ব যে আমি ৰাইজক যিমানখিনি কৈছিলো, সিমানখিনি কাম আমি কৰিব নোৱাৰিলো আৰু তাৰ পিছতো বৰঞ্চ নতুন নতুন কাম কিছুমান আমি সাঙুৰি ল'বলগা হয়।

মহোদয়, ঋণ আৰু ধাৰৰ কথাটো খুৱ চলি আছে। গতিকে ঋণ আৰু ধাৰৰ অলপমান পৰিসাংখ্যিক বিশ্লেষণটো কৰি ল'ব বিচাৰিছো যে অসমে Budget estimate 2022-23 লৈকে ১,২৪,০০০ কোটি টকা লৈকে ধাৰ ল'ব, সেইটোৱে কৈছিল আৰু ২০২৩ আৰু ২০২৪ চনত একেলগে ১,৩৮,০০০ কোটি টকা হ'ব। আমাৰ চৰকাৰে কয় যে আমি লোণ লৈছো, Asset বনাইছো, আমি Capital Expenditure বঢ়াইছো। কিন্তু প্ৰকৃতাৰ্থত তথ্যই কি কয়। প্ৰকৃতাৰ্থত তথ্যই এইটোকে কয় যে ২০২১ আৰু ২০২২ চনত Revenue Deficit আছিল minus 959 crore. গতিকে মহোদয়, ইনফ্ৰাচষ্ট্ৰাকচাৰ ডেভল'পমেন্টৰ কাৰণে কিছু কিছু ক্ষেত্ৰত সমৰ্থন কৰিলেও কিন্তু সমূলি ৰাজ্য চৰকাৰে যিমান ঋণৰ বোজা লৈ আগবাঢ়ি আছে, আজি যিজনে চৰকাৰ চলাইছে কথা নাই কিন্তু দহ বছৰ পিচত যিজনে চৰকাৰ চলাবলৈ আহিব তেখেত সকলে বুলেট পেমেন্টটো কেনেকৈ কৰিব এইক্ষেত্ৰত আমাৰ ভাবিলগীয়া আছে । হয় ঠিক আছে আমি জি এচ ডি পি লিমিটৰ ভিতৰত এফ আৰ পি এম এক্টিভ হোৱা পাৰমিটৰ ভিতৰতে লৈছো। তাৰ ভিতৰতো আমি যিমান পাৰো ক'ম সময়ত যিমান ভালকৈ কৰিব পাৰো সেইখিনি কৰা

প্ৰয়োজন । এইখিনিতে মই এটা ক্লেৰিফিকেশ্যন বিত্তমন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিম যে ২০২১ আৰু ২০২২ চনৰ বাজেটত যি ঋণৰ পৰিমান কোৱা হৈছে ফাইনেন্সিয়েল ইয়েৰ বুকত কোৱা হৈছে যে, ১৪৮৯৬ কোটি কিন্তু সেইদিনা তৰাবিহীন ৯২ নং প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে ২০২১ আৰু ২০২২ চনৰ ঋণৰ পৰিমান ১৭,১৪৮ কোটি । আচলতে মই প্ৰকৃত তথ্যটো ধৰিব পৰা নাই যে এই দুই ধৰণৰ তথ্য কেনেকৈ হ'ল ? বিত্ত বিভাগৰ তথ্যত সাধাৰণতে এনেকুৱা হ'ব নালাগে যিটো ইয়াতে হৈছে । আমি আচলতে এই যে ঋণ লৈছো তাৰ পৰিৱৰ্ত্তে আমি প্ৰতিবছৰে কিমান সংখ্যক সুত দি গৈছো । মই কেৱল শতাংশিক দিশত কৈছো। ২০১৯- ২০ ত আমি ৬.৮৮ শতাংশ ইন্টাৰেষ্ট দিব লগা হৈছিল ৰেভিনিউ এক্সপেণ্ডিচাৰত আৰু ২০২০-২১ ত ৭.৮৯ শতাংশ, ২০২১ -২২ ত ৭.৪২ শতাংশ , ২০২২-২৩ ত ৬.৭৫ শতাংশ আৰু ২০২৩ - ২৪ ত এয়া গৈ হ'বলৈ ৭.৭৩ শতাংশ হ'ব । গতিকে অসমৰ ৰাইজে নিশ্চিতভাবে বুজি ল'ব যে চৰকাৰখনৰ বিত্তীয় অৱস্থা কেনেকুৱা । আৰু চৰকাৰখনে আচলতে কি কৰিব লগা আছে, কি কৰিব লগা নাই । এয়া অসমৰ ৰাইজে জানি বুজি সিদ্ধান্ত ল'ব আৰু বিৰোধীও এই তথ্যৰ পৰা বুজি ল'ব। বিত্ত মন্ত্ৰী মহোদয়াই ভাষণত কৈছে যিহেতু সমতা, অসমতাৰ কথা আহিলে নিশ্চিতভাবে আঁচনি সমূহ বা কাম - কাজসমূহ সমভাবে অসমৰ প্ৰতিটো ঠাইলৈ বা চুকে কোণে পচাই দিয়াটোকে কিজানি বুজায় আৰু সেইটো যদি নহয় তেনেহ'লে সমতা প্ৰতিষ্ঠাৰ কোনো কথা আহিব নোৱাৰে । আজি যদি আপুনি চায় বাইদেউৰ বিভাগতেই আজি অংগনবাদীৰ কেন্দ্ৰসমূহৰ কথা আমি সকলোৱে জানো । মডেল অংগনবাদী কেন্দ্ৰ ক'ত কেনেকৈ, কিমান সংখ্যক বনোৱা হ'ল । আমি আশা কৰিম যে অহা দিনতো থল আছে, স্কোপ আছে সেইটোত অকণমান সমতা প্ৰতিষ্ঠা কৰিব । আপুনি যদি পাৱলিক ৱৰ্কচ ডিপাৰ্টমেন্টত চায় ২০১৯-২০ আৰু ২০২০ -২১ ত মই দুটা সমষ্টিৰ কথা ক'ম, চেঙা সমষ্টিত ২০১৯-২০ত ১২.৪৭ কি.মি ৰাস্তা বনোৱা হৈছে। আৰু ২০২০ -২১ ত ১৭ কি.মি । ধিং সমষ্টিত ২০১৯-২০ত ১২.৩৯ কি.মি আৰু ২০২০-২১ ত শূন্য কি.মি কিন্তু সেই একেটা বিত্তীয় বৰ্ষত মই সমষ্টিৰ নাম নকওঁ, এটা সমষ্টিত ১৭৯ কি.মি ৰাস্তা বনোৱা হৈছে । এটা সমষ্টিত ৩০৪ কি.মি ৰাস্তা বনোৱা হৈছে । এটা সমষ্টিত ১৬১ কি.মি বনোৱা হৈছে । শাসকীয় আৰু বিৰোধীৰ এই পাৰ্থক্যটো বাট- পথ নিৰ্মাণৰ ক্ষেত্ৰত মই পি ডব্লিউ ডিয়ে দিয়া তথ্যৰ আধাৰত কৈছো। মই এই কাৰণে নাম ক'ব বিচৰা নাই যে আমিও বিচাৰো তাতেও উন্নয়ন হওঁক, সকলোতে উন্নয়ন হওঁক। নলবাৰীতো উন্নয়ন হওঁক, মৰাণতো উন্নয়ন হওঁক লক্ষিমপুৰতো উন্নয়ন হওক। কিন্তু চেঙা বা ধিং এই অঞ্চলৰ মানুহে পাপ কৰা নাই । এই অঞ্চলৰ মানুহৰো জাতীয় অৰ্থনীতি আগবঢ়াই নিয়াৰ অৰিহনা আছে । তেওঁলোকেও জি এচ ডিপি বৃদ্ধিৰ ক্ষেত্ৰত অৰিহনা আগবঢ়াই আহিছে ।তেওলোকেও কৃষি কাৰ্যত জড়িত। গতিকে উৎপাদিত কৃষি সামগ্ৰীসমূহ বজাৰ ঘাটলৈ নিবলৈ বাট পথৰ প্ৰয়োজন আছে । এইবাৰ বাজেটত নাৰী সবলীকৰণৰ কথা কোৱা হৈছে আৰু এই ক্ষেত্ৰত এক হাজাৰ টকাকৈ এইচ এচ জিৰ মেম্বাৰসকলক তেওঁলোকৰ বেংক একাউন্টটো জীৱিত ৰখাৰ বাবে দিয়া হয় । অৰ্থাৎ আমাৰ এইটো মিনিমাম ফাইনেন্সিয়েল লিটাৰেচী। যিটো জন ধন যোজনা আৰম্ভ কৰিছিল সেই কাম ফেৰা এতিয়ালৈকে হৈ উঠা নাই। যাৰ ফলত আমি মহিলাসকলক একাউন্টত দিব লগা হৈছে। সভাপতি মহোদয় আজি অসমত হাজাৰ হাজাৰ আত্ম সহায়ক গোট আছে । তাৰে সৰহখিনিয়ে মহিলা । মহিলাসকলক যেতিয়ালৈকে আমি উৎপাদনমুখী কৰিব নোৱাৰো, যেতিয়ালৈকে মহিলাসকলে উৎপাদনমূলক কাৰ্য্যত নিজৰে স্বনিয়োজন কৰিব নোৱাৰে তেনেহ'লৈ বহু বেছি আশা কৰি লাভ নাই । গতিকে আমি বিচাৰো যে,

প্ৰকৃতাৰ্থত মহিলা সবলীকৰণৰ জৰিয়তে উদ্যোগিক ক্ষেত্ৰত উদ্যমীসকলক নিজৰ ভৰিৰ ওপৰত থিয় হোৱাৰ ব্যৱস্থা কৰাৰ কাৰণে বাস্তৱসন্মত দিশত অনাগত দিনত যাতে ব্যৱস্থা কৰা হয় । তাৰ কাৰণেহে আশা কৰিছো । অসমত আৰু এটা বিভাগ আছে যিটো হৈছে মাইনোৰিটি ডেভ'ল'পমেন্ট সেই বিভাগত পুঁজি সদায়ে কমকৈ দিয়া হয় সেইটো মই নকও কিন্তু যোৱা ২০২১- ২২ বিত্তীয় বৰ্ষত যিমান সংখ্যক পুঁজি আছিল সেইখিনি মাত্ৰ দুখন জিলাত দি শেষ কৰিলে। যোৱা কালি সদনত এই বিভাগৰ বাবে মন্ত্ৰীয়ে প্ৰশ্ন নং - ১৫৮ ৰ ওপৰত উত্তৰ দিছিল সেই উত্তৰত চাব কি কি কাম কৰিছে । যদি সচাকৈয়ে এইবিলাক মাইনোৰিটি ডেভ'ল'পমেন্টে কৰা কাম তেন্তে কৰক । বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীয়ে - বা মাইনোৰিটি বিভাগৰ মন্ত্ৰীয়ে চাব লাগে যে, এনেধৰনৰ স্কীম এই বিভাগত থাকে নেকি ? মহোদয় বেছি দিঘলীয়া কৰিব বিচৰা নাই । শেষত মই এগ্ৰিকালচাৰৰ ওপৰত ক'ব বিচাৰিছো । আমি দহ লাখ মেট্ৰিকটন ধান কিনা কথা কৈছিলো আৰু কিছু সৰিয়হ আৰু মিলেট কিনিম বুলি কোৱা হৈছিল । যাতে কৃষকে নাৰ্য্য দাম পায় আমি ও ভাল পাম কৃষকৰ পকেটালৈ পইচা যাব । কিন্তু এইবাৰ ক'বাত নহয় ক'বাত কিবা ভুলৰ বাবে দহ লাখ মেট্ৰিকটন ধান কিনাৰ পৰিৱৰ্ত্তে আমি তিনি দশমিক চাৰি তিনি লাখ মেট্ৰিকটনত সীমিত হ'ব লগা হ'ল । অৰ্থাৎ ৩৪ পাচেন্ট হে এচীভ কৰিব পাৰিছো । কিন্তু গ্ৰেছ মাৰ্ক লৈও পাছ কৰিব পৰা নাই গতিকে মহোদয় এগ্ৰিকালচাৰৰ এই বিষয়টো অধিক গুৰুত্ব দিব লাগে । আপোনালোকে জানে বৰপেটাত আলু অধিক উৎপাদন হৈছে কিন্তু আলুৰ মূল্য পোৱা নাই । আজি আমি কও যে চৰকাৰে কল্ড ষ্ট'ৰেজ বনাব লাগে যদি বনাব লাগে তেন্তে পি পি পি মোডত ক'ল্ড ষ্ট'ৰেজ বনাব লাগিব। ভিতৰুৱা গাওসমূহত কোটি কোটি টকা খৰছ কৰি ক'ল্ড ষ্ট'ৰেজ বনাই চলাবলৈ হয়তো মানুহ নাই । গতিকে বিত্ত মন্ত্ৰীৰ জৰিয়তে আমি চৰকাৰক জনাম যে আগন্তুক সময়ত যি ঠাইত বিশেষ বিশেষ শস্য খুব বৈছি উৎপাদন হয় সেই ঠাইবিলাকত কল্ড ষ্টৰেজ সম্পূৰ্ণ চৰকাৰী খৰছত যাতে বনোৱা হয় তাৰ বাবে আহ্বান থাকিল । শেষত - অৰুণোদয় - এটা ফ্লেগশ্বিপ প্ৰগ্ৰেম বুলি চৰকাৰে কৈ আছে । হাজাৰ হাজাৰ মহিলাই নিজৰ একাউন্টত পইচা পাব ১২৫০ টকা । আগতে যিটো এক হাজাৰ আছিল। যিসময়ত অত্যাধিক হাৰত মুল্যবৃদ্ধিয়ে এইখন সমাজক কোঙা কৰিছে সেই সময়ত কৈছে যে, বিদ্যুতৰ আৰু গেছৰ দাম বৃদ্ধি হলেও অৰুণোদয় বঢ়াই দিছে ২৫০ টকা । ২৫০ টকাত ৫০ ইউনিট বিদ্যুৎ পায় নেকি? চাৰিওফালে মুল্যবৃদ্ধি চলি থকা সময়ত এনেকুৱা এটা দৰিদ্ৰতাৰ জাল বনাই লৈছে। আৰু সেই জালত হিতাধিকাৰীৰ সৃষ্টি কৰি কৰি চৰকাৰে নিজেই চক্ৰবেহুত পৰিছে । এই কথাটো খুব স্পষ্টভাবে আছে গতিকে মহোদয় এইখন বাজেট কেৱল গতানুগতিকে নহয় কিছু বেনেফিচিয়াৰী সৃষ্টি কৰা আৰু ভোট বেংক সৃষ্টি কৰি অহা পঞ্চায়ত নিৰ্ব্বাচন আৰু লোকসভা নিৰ্ব্বাচনক টাৰগেট কৰি কৰা বাজেট । এই কথাটো হয়তো অসমৰ ৰাইজে নিশ্চিতভাবে পতিয়ন যাব ।

**শ্ৰী বিজয় মালাকার, (রাতাবাড়ি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ স্যার, আমি প্রথমেই মাননীয় মুখ্যমন্ত্রী এবং মাননীয় বিত্তমন্ত্রী মহোদয়কে অশেষ অশেষ ধন্যবাদ জ্ঞাপন করছি। কারন এই প্রথম বারের মত সর্বব্যাপী সর্বদর্শী বাজেট পেশ করার জন্য। কারন, আমরা যদি দেখি ভারতীয় জনতা পার্টির নেতৃত্বে যেদিন থেকে সরকার এসেছে তার পরদিন থেকে ড০ হিমন্ত বিশ্বশর্মার নেতৃত্বে সর্ব সমাজের বিকাশের জন্য কাজ করে যাচ্ছেন আমাদের মাননীয় মুখ্যমন্ত্রী। এখানে অনেক বক্তারা বলেছেন যে অরুণোদায় প্রকল্পের কথা। এই প্রকল্পের মাধ্যমে এখানে আমাদের গরীব দুঃখী

মা-বোনদের মুখের হাসি ফুটিয়ে দিয়েছেন। তাই বিশেষ ভাবে আমাদের বিত্তমন্ত্রী মহোদয়াকে ধন্যবাদ জানাব। এই অরুনোদয় প্রকল্প ১২৫০টাকা থেকে ১৪০০ টাকা করার জন্য। আমি যেহেতু বরাক ভ্যালির বিধায়ক, এবার বাজেটে মাননীয় মুখ্যমন্ত্রী এবং বিত্তমন্ত্রী মহোদয় বরাক ভ্যালির জন্য অনেক কিছু দিয়েছেন। বিশেষ করে আমাদের স্বপ্ন ছিল, বরাক ভ্যালির করিমগঞ্জ জেলার মানুষের স্বপ্ন ছিল মেডিক্যাল কলেজ। আর এই মেডিক্যাল কলেজের সেংশন মাননীয় মুখ্যমন্ত্রী করিমগঞ্জ জেলার রামকৃষ্ণনগরে দিয়েছেন। মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানাচ্ছি। মাননীয় মুখ্যমন্ত্রী, এশিয়ার দ্বিতীয় বৃহত্তম বিল শনবিল। দীর্ঘদিন থেকে কংগ্রেসের সরকার ছিল আর এই রাতাবাড়ি অঞ্চলে গিয়ে কংগ্রেসের নেতা বারবার বলত যে স্পপ্নের রাতাবাড়ি বানাবেন। আর এই স্বপ্নের রাতাবাড়িকে বারবার স্বপ্ন দেখিয়ে কংগ্রেস বিধায়ক বিজয়ী হয়ে আসত। আর সত্যিকার অর্থে কোন কেংগ্রেস নেতা কোন কাজ করেননি। এই প্রথমবার স্বাধীনতার ৭৫ বছর পর কোন মুখ্যমন্ত্রী যে রাতাবাড়ি এবং শনবিল অঞ্চলের জন্য ৫০০ কোটি টাকা ব্যয় করে সলার প্রজেক্টের স্কিম দিয়েছেন। কদিন আগে অধ্যক্ষ মহোদয় স্যারও গিয়েছিলেন শনবিলে। গিয়ে বলেছিলেন যে এই আসামের এত বড় একটা সম্পদ। এখানে বিরোধী দলের আরেক দাদা আছেন উনিও গিয়েছিলেন। এই সম্পদটি একবারের জন্য কংগ্রেস দেখেনি। এখানে বসে আছেন করিমগঞ্জ জেলার বিধায়ক ভাই কমলাক্ষ দে পুরকায়স্থ মহাশয়, আজকেও দেখেছি উনি মেডিক্যাল কলেজের বিরোধীতা করছেন। আর ইলেকশনের সময় ২০১৯ সালে যখন আমি প্রার্থী ছিলাম তখন উনি বিধায়ক কংগ্রেসের নেতৃত্ব দিচ্ছিলেন রাতাবাড়ি সমষ্টিতে এবং জায়গায় জায়গায় গিয়ে ক্যম্পিংএ বলেছিলেন যে বিজেপি সরকার বলেছিল করিমগঞ্জ জেলায় রাতাবাড়িতে মেডিক্যাল কলেজ দেবে। কেন মেডিক্যাল কলেজ হয়নি ? কংগ্রেস বারবার সোনার রাতাবাড়ি বলেও সত্তিকার অর্থে সোনার রাতাবাড়ি হয়নি। যখন আমাদের মুখ্যমন্ত্রীকে দিয়ে সোনার রাতাবাড়ি হচ্ছে,তখন এই মাননীয় বিধায়ক রাতাবাড়ি মেডিক্যাল কলেজের বিরোধীতা করছেন। আমি মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানাব যে মাননীয় মুখ্যমন্ত্রী শুধু শহরের বিকাশ করলে হবে না এই ভেবে চিন্তা করে মাননীয় মুখ্যমন্ত্রী রাতাবাড়িতে মেডিক্যাল কলেজের কথা বলেছেন। করিমগঞ্জ শহরের উন্নয়ন হোক। করিমগঞ্জ শহরের উন্নয়নের বিরোধীতা আমরা করিনা। কিন্তু করিমগঞ্জ জেলায় মেডিক্যাল কলেজ হবে আর উনি তার বিরোধীতা করবেন সেটা খুব লজ্জাজনক বিষয়। মাননীয় অধ্যক্ষ মহোদয়, কংগ্রেসের আসল রূপ তখনই ধরা যায়। উনি ইলেকশ্যনের সময় এবং এই সদনে তিনি বলছেন যে রাতাবাড়িতে মেডিক্যাল কলেজ শনবিলে হোক আমি চাই। আর যখন মাননীয় মুখ্যমন্ত্রী সোনার রাতাবাড়ি বানানোর জন্য রাতাবাড়ি রামকৃষ্ণনগরে মেডিক্যাল কলেজর কথা ঘোষনা করেছেন, তখন উনি বিরোধীতা করছেন। উনি ভেবেছেন কংগ্রেস ইলেকশ্যানের আগে প্রতিস্তুতি যেভাবে শিলান্যাশ করে ইলেকশ্যানের পর শিলান্যশ তুলে নেয় প্রতিস্তুতি ধ্বংশ তরে দেয়। উনি ভেবেছেন আমাদের মাননীয় মুখ্যমন্ত্রীও এরকম করবেন। যে পলিটিক্যাল ফায়দা আমি নিয়ে নেই সদনে বলে এবং পাবলিক মিটিংএ বলে। আমাদর মাননীয় মুখ্যমন্ত্রীকে এই কারনে আমরা গর্ব করি যে স্বাধীনতার ৭৫ বছর পর এই প্রথম কোন মুখ্যমন্ত্রী যে মুখ্যমন্ত্রী বরাক ভ্যালির কথা ভেবে কাজ করে । এর আগে আমরা স্বাধীনতার ৭৫ বছরের ভিতরে কোন মুখ্যমন্ত্রীকে দেখিনি বকার ভ্যালির কথা ভেবে কাজ করতে। আপনারা দেখেছেন ২০২২ সালে এতবড় লেন্ড্সলাইড এর আগে কখনো হয়নি। এখানে হাফলং এর মন্ত্রী মহোদয় আছেন। হাফলং এর চিত্র বদলে গিয়েছিল, নকসা বদলে গিয়েছিল। বরাক ভ্যালির সঙ্গে যোগাযোগ ব্যবস্থা সম্পূর্ণ বন্ধ হয়ে গিয়েছিল। কিন্তু আমাদের মাননীয় মুখ্যমন্ত্রী চার পাঁচ বার করে

হেলিক্যাপ্টারে বরাক ভ্যালিতে গিয়েছিলেন। এবং বরাক ভ্যালির মানুষ ভেবেছিল যেভাবে রেললাইনের অবস্থা হয়েছিল হাফলং , মেঘালয়ের অবস্থা হয়েছিল, এক বছরের আগে হয়তো বরাক ভ্যালির সঙ্গে যোগাযোগ ব্যবস্থা থাকবে না। আমরা দেখেছি মাননীয় মুখ্যমন্ত্রী রোজ ভিডিও কমফারেন্সে কথা বলেছেন, দিল্লি গিয়েছেন, প্রধানমন্ত্রীর সঙ্গে বসেছেন, মাননীয় রেল মন্ত্রীর সঙ্গে বসেছেন। যে বরাক ভ্যালির মানুষ ভেবেছিল যে এক থেকে দেড় বছর সময় লাগবে গুয়াহাটির সঙ্গে যোগা যোগ ব্যবস্থা করতে। কিন্তু এই যোগাযোগ ব্যবস্থা এক মাসে কমপ্লিট করে বারাক ভ্যালিকে আবার গুয়াহাটির সঙ্গে জোড়ে দিয়েছেন।

এই প্রথম কোন মুখ্যমন্ত্রী আমরা আগে এরকম কোনদিন দেখিনি। আমাদের এই শনবিলের কথা অনেক বলেন। এই শনবিলে স্বাধীনতার পর প্রথম কোন মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্বশর্মা এই শনবিলে গিয়েছেন। আমরা দেখেছি বরাক ভ্যালিতে আগে অনেক বার বন্যা হয়েছে। কিন্তু এই প্রথম কোন বন্যা ,যে বন্যা র সময় একই জেলায় একই সমষ্টিতে ৪-৫ জন করে মন্ত্রী গিয়েছেন গুয়াহাটি থেকে। আমাদের অঞ্চলের মানুষ জিজ্ঞেস করেছে এই কি সরকার রে ভাই আগে বন্যা হলে এমএলএ খোঁজে পাওয়া যেত না আর এখন বন্যা হওয়াতে দুদিন পর পর দেখছি মন্ত্রী আসছেন। এটাকে বলে পরিবর্তন ।

**শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা, (সভাপতি) ঃ** আপানার ৭ মিনিট হল ৫ মিনিট সময় আছিলে।

**শ্রী বিজয় মালাকার, (রাতাবাড়ি)ঃ** মাননীয় স্পীকার স্যাব, আজ বিশেষ ভাবে মাননীয় মুখ্যমন্ত্রী এবং মাননীয় বিত্তমন্ত্রীকে এর জন্য ধন্যবাদ জানাচ্ছি এবং ধন্যবাদ জানাচ্ছি আমাদের মাননীয় মন্ত্রী এখানে বসে আছেন পিযুষ হাজারিকা মহাশয়কে। আমি আমার সমষ্টির কথা বলব। আমি যে সমষ্টি থেকে বিধায়ক হয়েছি স্বাধীনতার ৭৫ বছর পর এই প্রথম কোন মন্ত্রী একসঙ্গে ৩৫ থেকে ৪০ কোটি টাকার ফ্লাড কন্ট্রলে সেংশন দিয়েছেন। এর আগে ফ্লাড কন্ট্রল বলে কোন বিভাগ রাতাবাড়িতে ছিল এর আগে রাতাবাড়ির মানুষ দেখতে পায়নি। আমি ধন্যবাদ জানাব মাননীয় বিত্তমন্ত্রী মহাদয়াকে এই প্রথম কোন মুখ্যমন্ত্রী, যে মুখ্যমন্ত্রী স্বাধীনতার ৭৫ বছর পর এই প্রথম কোন মহিলাকে বিত্তমন্ত্রীর দায়িত্ব দিয়েছেন। আর এই মহিলাকে বিত্তমন্ত্রী দায়িত্ব দেওয়ায় কি ফায়দা হয়েছে, আমরা এই বাজেটের মাধ্যমে দেখতে পারছি। আমরা এই বাজেট যদি স্টাডি করি এই বাজেটের মধ্যে আমাদের জনসাধারণের ৫০ শতাংশ হচ্ছে নারী মানে মা। ওনাদের জন্য আমাদের বিত্তমন্ত্রী সবচেয়ে গুরুত্ব দিয়েছেন এবং দিয়ে অরুণোদয় আগে ছিল

**শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা, (সভাপতি) ঃ** মাননীয় সদস্য এতিয়া আপোনাৰ ৮ মিনিট ২৩ চেকেণ্ড হইছে। ৫ মিনিট আছিলে।

**শ্রী বিজয় মালাকার, (রাতাবাড়ি)ঃ** আমি দেখেছি এই বিত্তমন্ত্রী মহোদয়, এই প্রথমবার কোন বিত্তমন্ত্রী যে আমাদের মা-বোনদের কথা চিন্তা করেছেন। আমরা দেখেছি বাজেটে ভারতীয় জনতা পার্টির নেতৃত্বে আমরা যারা আছি, আমাদের মাননীয় মুখ্যন্ত্রী সবার বিকাশের কথা চিন্তা করে এই প্রথম কোন মুখ্যমন্ত্রী সর্বজাতি সর্বধর্ম মানুষের জন্য বিকাশ করেছেন। আমি যে অঞ্চল থেকে বিধায়ক,সেখানে অনেক চা বাগানের ভাই বোনরা বসবাস করে। এই প্রথম কোন বাজেট দেখলাম যে বাজেটে চা বাগান থেকে ধরে সর্বশ্রেণীর মানুষের বিকাশের কথা চিন্তা করেছেন। তাই সময় না থাকার জন্য এবং আপনি আমাকে এটুকু সময় দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাচ্ছি কারন এই মাননীয় মুখ্যমন্ত্রী কি ভাষায় ধন্যবাদ দেব ধন্যবাদের ভাষা খোঁজে পাচ্ছি না। কারন এই রাতাবাড়ি অঞ্চলের মানুষ আগে চেরাগী রংপুর থেকে করিমগঞ্জ যেতে হলে ৩ দিন সময় লাগত।

কিন্তু আজকের দিনে ১ ঘন্টায় পৌছানো যায় এই মুখ্যমন্ত্রীর আশির্বাদে। তাই কি ভাষায় মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ দেব আমি ধন্যবাদ খোঁজে পাচ্ছিনা। আর কংগ্রেসের বিরোধীতা দেখে আমার এক সময় মনে হয় ওনারা যেভাবে রাহুল গান্ধীর পর সোনিয়া গান্ধী, সোনিয়া গান্ধীর পর ইন্দিরা গান্ধী এভাবে যেমন বিকাশ, বিকাশ শুধু শহরে হবে গ্রামের হবে না।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ** মাননীয় সদস্য অলপ সৰ্ট করক।

**শ্রী বিজয় মালাকার, (রাতাবাড়ি)ঃ** আমার সরকার, আমার মাননীয় মুখ্যমন্ত্রী মনে করেন শহরের সঙ্গে গ্রামেরও বিকাশ হতে হবে। তাই মাননীয় মুখ্যমন্ত্রী রিজার্ভ সমষ্টি থেকে যে মেডিক্যাল কলেজের যে উদ্দ্যোগ নিয়েছেন তাই আমি মাননীয় মুখ্যমন্ত্রীকে আবারও ধন্যবাদ দিয়ে আমি আমার বক্তব্য শেষ করছি। নমস্কার, বন্দে ভারত, ভারত মাতা কি জয়।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ** এতিয়া মাননীয় সদস্য, শ্ৰী জলেন দৈমাৰী।

**শ্ৰী জলেন দৈমাৰী, (কোকৰাঝাৰ)** ঃ মাননীয় সভাপতি মহোদয়, যোৱাকালি সন্মানীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে অসমৰ কাৰণে ২০২৩-২৪ বৰ্ষৰ বাজেট দাখিল কৰিলে, এই বাজেটে অসমত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠী একেলগে উন্নয়নৰ দিশত লৈ যোৱা বাজেট। ইয়াৰ কাৰণে মই প্ৰথমে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক অশেষ ধন্যবাদ জনাইছো। অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছো। যোৱাকালিৰ বাজেটৰ ওপৰত মই দুষাৰ ক'ব বিচাৰিছো। আমাৰ চৰকাৰৰ তৰফৰ পৰা বাজেটত অসমৰ যুৱ প্ৰজন্মক ১ লাখ চাকৰি দিয়া প্ৰতিশ্ৰুতি আছিল, সেই প্ৰতিশ্ৰুতি অহা মে' মাহত সম্পূৰ্ণ কৰিম বুলি আমাক আশ্বাস দিয়াৰ বাবে আকৌ ধন্যবাদ জনাইছো। আমি দেখিছো ১ লাখ চাকৰি দিয়াৰ যিটো প্ৰচেষ্ট অসমত হয়টো প্ৰথমবাৰৰ বাবে হৈছে। য'ত আমি এক পইচা নোলোৱাকৈ অসমৰ যুৱ প্ৰজন্মক চাকৰি দিব পাৰিছো। অসমৰ বাবে গৌৰৱৰ বিষয় কেৱল আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কাৰণে সম্ভৱ হৈছে। আমাৰ BTR ৰ পৰা যিমান চাকৰি ওলাইছে, অসমৰ দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাইছে। বহুত ল'ৰাই মেঘালয়ত কয়লা খান্দি আছিল যেতিয়া চাকৰিৰ নিযুক্তি পালে, তেতিয়া তেওঁলোকৰ গুৱাহাটীলৈ আহিবৰ কাৰণে পইচা নাছিল আৰু তেওঁলোকক পইচাৰ ক্ষেত্ৰত মই সহায় কৰিছো। আগন্তুক দিনত আমাৰ চৰকাৰৰ নিয়োগ প্ৰতিশ্ৰুতি সদায় অটল থাকিব। আমাৰ অসম আৰু আমাৰ BTR অঞ্চল কৃষিৰ ওপৰত নিৰ্ভৰ কৰি চলে। এইবাৰ বাজেটত জলসিঞ্চন বিভাগত বিভিন্ন অঞ্চলত পানী যোগানৰ বাবে যি ব্যৱস্থা লৈছে। ইয়াৰ কাৰেণ মই বিত্তমন্ত্ৰীক ধন্যবাদ জনাইছো। আমাৰ অসম আৰু আমাৰ BTR অঞ্চল যি আমাৰ বিভিন্ন ক্ষেত্ৰত মজলীয়া আৰু বৃহৎ জলসিঞ্চন প্ৰকল্প, যিহেতু বাজেটত ধৰা হৈছে। ইয়াৰ কাৰণে আমি বিচাৰো BTR অঞ্চলতো যিখিনি মজলীয়া বা জলসিঞ্চন প্ৰকল্প, সেইখিনিযে যাতে আমাক বিশেষ ভাবে নজৰ দিয়ে, সেইটো অনুৰোধ জনাইছো। কৃষিৰ ক্ষেত্ৰত প্ৰথমবাৰৰ বাবে অসমত আমি খেতিয়ক সকলৰ পৰা ধান ক্ৰয় কৰি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা প্ৰশংসা লাভ কৰিছো। খেতিয়ক সকলে বহুত আশাৰে বাট চাই আছে। আমাৰ পশু পালন আৰু পশু চিকিৎসা বিভাগৰ ফালৰ পৰা আমাৰ গাহৰি পালনৰ বাবে বাজেটত ধৰা হৈছে। আমিও BTR চৰকাৰৰ তৰফৰ পৰা BTR কাউন্সিলত শেষ লক্ষ্য হিচাবে আৰম্ভ কৰিছো। BTR প্ৰধান প্ৰমোদ বড়োৰ নেতৃত্বত। গাহৰি পালন বা প্ৰডাকশ্যনৰ বাবে যিহেতু চৰকাৰে বাজেট ধৰিছে, এইটোও চাবৰ বাবে অনুৰোধ কৰিছো। গাহৰি পালন কৰি বিভিন্ন অঞ্চলত আৰ্থিক ভাবে স্বাৱলম্বী হৈছে। গতিকে এয়া আমাৰ চৰকাৰৰ ভাল সিদ্ধান্ত। শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে বিভিন্ন দিশত আগবঢ়াই লৈ যোৱাৰ কাৰণে কাম কৰিছে গতিকে প্ৰজ্ঞান ভাৰতৰ যি আমাৰ প্ৰচেষ্টাৰে

শিক্ষাৰ দিশত উন্নয়নৰ দিশত, উচ্চ শিক্ষা বা বিভিন্ন বিভাগত কলেজ বা Poly-technic নতুনকৈ খোলাৰ কাৰণে চিন্তা-চৰ্চা কৰিছে আৰু বাজেট ধৰা হৈছে। আমাৰ বিটিআৰ অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত এতিয়াও বহুত পিছপৰি আছে। আমাৰ বাজেটত নতুনকৈ ১৬ খন Poly-technic স্থাপন কৰাৰ বাবে যিহেতু বিত্ত মন্ত্ৰী ডাঙৰীয়াই ঠিক কৰিছে। ইয়াক মই স্বাগতম জনাইছো। মই তামুলপুৰত এখন নতুন Poly-technic খোলাৰ বাবে মই মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো। অসম আন্দোলনৰ শ্বহীদ সকলক সন্মান জনাই ইয়াত বিভিন্ন উচ্চ শিক্ষাত আমাৰ ভাট্টা বা এৱাৰ্ড দিয়াৰ কাৰণে যি বাজেট ধাৰ্য্য কৰিছে ইয়াৰ বাবে ধন্যবাদ জনাইছো। আমাৰ বড়োলেণ্ড আন্দোলনত শ্বহীদ হোৱা যি ব্যক্তি সকল আছে, তেখেত সকলৰ প্ৰতিও আমাৰ যোৱা চৰকাৰৰ দিনত সন্মান জনাইছে তাৰ বাবেও আৰু আগন্তুক দিনত সন্মান একে থাকিব বুলি আশা ৰাখিলো। কুমাৰীকাটাৰ পৰা নয়াবস্তি সংযোগী পাগলাদিয়াৰ ওপৰত যি নতুনকৈ দলং নিৰ্মাণ কৰাৰ বাবে যি আৰম্ভ হৈছে ইয়াৰ বাবে মই মুখ্যমন্ত্ৰী, বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ** এতিয়া মাননীয় সদস্য, শ্ৰী আব্দুল বতিৰ খণ্ডকাৰ।

**শ্ৰী আব্দুল বতিন খণ্ডকাৰ, ঃ** মাননীয় সভাপতি মহোদয়, ২০২৩-২৪ বৰ্ষৰ বাজেটখনত অসমৰ মূল সমস্যাসমূহত গুৰুত্ব নিদি, আন কিছুমান বিষয়ত গুৰুত্ব দিয়া হৈছে। যি বিলাক বিষয়ত গুৰুত্ব দিলে ৰাজনৈতিক উদ্দেশ্য, সিদ্ধি সাধন হ'ব। তাৰ কাৰণে গুৰুত্ব দিয়া যেন অনুভৱ হৈছে। প্ৰথম সমস্যাটো হৈছে নিবনুৱা সমস্যা। ২২ লাখ যুৱক-যুৱতী নিবনুৱা হৈ আছে। আমি যদি তেওঁলোকক সংস্থাপিত কৰিবলগীয়া হয়, তেতিয়া হ'লে আমি নতুন উদ্যোগ তথা অন্যান্য বাণিজ্যিক প্ৰতিষ্ঠান অসমত প্ৰতিষ্ঠিত কৰিব লাগিব। উদ্যোগ, বাণিজ্য প্ৰতিষ্ঠানসমূহত মাত্ৰ ৮১৩ কোটি ধন আৱন্টন দিয়া হৈছে। আনহাতে আপোনাৰ হিতাধিকাৰী সৃষ্টি কৰা অৰুণোদয় আঁচনি ৩হাজাৰ ৪২০ কোটি টকা আৱন্টন দিয়া হৈছে। প্ৰকৃত কৰ্ম সংস্থাপনৰ যোগেদি উন্নত মানদণ্ডৰ জীৱন যাপন কৰাৰ বাবে যুৱক-যুৱতীসকলক সকাহ হিতাধিকাৰীৰ ওপৰত এটা পৰজীৱি হিচাপত জীয়াই ৰখাৰ কাৰণে এক ব্যৱস্থা এই চৰকাৰে কৰিছে যেন অনুভৱ হৈছে। আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয় আছে, মই এই সমস্যাৰ যি গভীৰতা কোনো দিনেই এই সমস্যাৰ গভীৰতা অনুভৱ কৰি কোনো পদক্ষেপ লোৱা হোৱা নাই। অসমত ৩৯.৫ শতাংশ এৰিয়া, প্ৰায় ৪০ শতাংশ এৰিয়া, বানপানীত আক্ৰান্ত হয়। ইয়াত ৫০ খনৰো অধিক উপনৈ আছে, বৰাক আৰু ব্ৰহ্মপুত্ৰৰ বাহিৰে । ই ৰাষ্ট্ৰীয় বানপানী গড়তকৈ ৪ গুণ বেছি। কিন্তু আমাৰ বাজেটত যিবিলাক ধন দিয়া হয়, তাত যথেষ্ট কম। ইয়াত আৰু এটা উল্লেখনীয় দিশ আছে, আমাৰ ভূমি সম্পদ লৈ পেলাই বিভিন্ন ইছু সৃষ্টি কৰা হয়। উচ্ছেদো তাৰ মাজত এটা, কিন্তু এই ভূমি সম্পদৰ ৪.২ লাখ হেক্টৰ ভূমি ইতিমধ্যে গৰাখহনীয়াই খহাই লৈ গৈছে। গতিকে ৰাজ্যত প্ৰায় ৮ শতাংশ ভূমি খহাই লৈ গৈছে। বছৰি ৮ হেজাৰ হেক্টৰ আজিৰ তাৰিখটো ভূমি খহাই লৈ যায়। গতিকে এই বিভাগত আমি অতিকৈ গুৰুত্ব দিয়াৰ প্ৰয়োজন আছিল । কিন্তু ইয়াত ১৪৬৫ কোটি টকা এলোকেশ্যন দিয়া হৈছে। ইয়াত অতি কমেও ১০ -২০ গুণ মান বঢ়াই দিব লাগ। ২০, ২৫ হাজাৰ কোটি টকা এলোকেশ্যন দি এই বিভাগত আমি গৰাখহনীয়া সমস্যা সমাধান কৰিব লাগে। গৰাখহনীয়াৰ সমস্যা সমাধান কৰাৰ লগে লগে দুটা কাম হ'ব যিটো internal migration হয়,৩ হাজাৰতকৈ অধিক গাঁও ইতিমধ্যে গৰাখহনীয়াত জাহ গৈছে। ৩০ লাখৰ সমান মানুহ ইতিমধ্যে internal displace হৈছে। এই বেদখল সমস্যা সমাধান কৰিবলৈ এই মানুহখিনি অনাই বনাই ঘুৰি বিভিন্ন ঠাইত গৈ ভূমি বেদখল কৰিব লগা হৈছে। এই বেদখল সমস্যা সমাধান কৰিবলৈ ইয়াৰ গুৰিত আমি ধৰিব লাগিব। গুৰি হৈছে গৰাখহনীয়াৰ সমস্যা

আমি সমাধান কৰিব লাগিব। এই গৰাখহনীয়াৰ সমস্যা আমি সমাধান কৰাৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ক মই এইবাৰ ধন্যবাদ দিছো, আই আৰু বুঢ়ীদিহিং নদীৰ গড়াখহনীয়াৰ পাৰ ৰক্ষা কৰাৰ কাৰণে যথেষ্ট তেখেতে আঁচনি আনিছে। প্ৰায় হাজাৰ কোটিৰো অধিক টকা। তাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো। ঠিক তেনেকৈ আৰু ২৫ খন মান উপ নদীত যিবিলাকত গৰাখহনীয়াই বেছিকৈ প্ৰভাৱিত কৰে, সেই অঞ্চল বিলাকত গৰাখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে সংহত আঁচনি লোৱাটো খুব প্ৰয়োজনীয় বুলি মই ভাবো। আৰু এটা কথা মই কৈছো মাননীয় মুখ্যমন্ত্ৰী মহোদেয়ে সপোন দেখে যে আমাৰ ৰাজ্যখন ৫ খন উন্নত ৰাজ্যৰ মাজত স্থাপিত কৰিব পাৰে। আমি এই সপোনক পূৰ্ণ সমৰ্থন জনাওঁ। কিন্তু এই সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ হ'লে, অসমৰ পৰা এটা বস্তু দূৰ কৰিব লাগিব। সেইটো হ'ল regional development disparity, আঞ্চলিক উন্নয়নৰ বৈষম্যটো দূৰ কৰাটো অতিকৈ প্ৰয়োজন। আঞ্চলিক বৈষম্যতা দূৰীকৰণ আমাৰ অকল পাহাৰীয়া অঞ্চলৰ কাৰণে চৰকাৰে অলপ যি প্ৰচেষ্টা হাতত লৈছে তাৰ বাবে আমি ধন্যবাদ জনাইছো। বিটিআৰ অঞ্চলৰ কাৰণে যি প্ৰচেষ্টা হাতত লৈছে তাৰ বাবে আমি ধন্যবাদ জনাইছো। কিন্তু ২২৫১ খন গাঁৱত থকা আৰু ৩০ লাখ জনসংখ্যা থকা চৰ অঞ্চলত সমুলি উপেক্ষা কৰা হৈছে, এই বাজেটত যদি এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰ উদাহৰণ চাওঁ, কিন্তু আমাৰ উত্তৰ পূৰ্বাঞ্চলটো ভাৰতৰ সাপেক্ষে যথেষ্ট অনুন্নত। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰ NLCPR আঁচনি ৰূপায়ণ কৰিছিল। এটা সময়ত আকৌ ড'নাৰ মিনিষ্ট্ৰি গঠন কৰিছিল, Act East Policy ৰূপায়ণ কৰি আছে। গতিকে চৰ অঞ্চলৰ উন্নতি আমি কৰিব নোৱাৰো, বিশেষভাৱে আঁচনি ঘোষণা কৰি তেনেহলে এচডিজিৰ বিভিন্ন সূচাঙ্কত আমি পিছ পৰি থাকিম। যদি আমাৰ ৰাজ্যখনৰ বেলেগ বেলেগ অংশ যদি উন্নত হয়, এই অঞ্চলৰ দৰিদ্ৰতা, নিৰক্ষৰতাৰ কাৰণে অসাৰ ৰাজ্যখন সেই ৫খন উন্নত ৰাজ্যৰ মাজত স্থান পাবলৈ সক্ষম নহ'ব। গতিকে চৰ অঞ্চলৰ উন্নতিৰ কাৰণে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হওঁক। এই আহ্বান ৰাখি, এই বাজেট বিৰ্তকত অংশগ্ৰহণ কৰাৰ সুযোগ দিয়াৰ বাবে দল তথা সভাপতি মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্য ইয়াতে সামৰিছো।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)**ঃ মাননীয় সভাপতি মহোদয়, মই যোৱা কালি আমাৰ অসম চৰকাৰৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্থাপন কৰা যি বাজেট, সেই বাজেট সৰ্ম্পকত একাষাৰ ক'বৰ কাৰণে থিয় হৈছো আৰু আপোনাক ধন্যবাদ জনাইছো। সভাপতি মহোদয়, বাজেটখনৰ ওপৰত ইতিমধ্যে বিৰোধীয়ে বিভিন্ন ধৰণে বাক্যবাণ নিক্ষেপ কৰিছে। কোনোবাই কৈছে, Old wine in a new bottle কোনোবাই কৈছে beneficiary centric বুলি কোৱা হৈছে। আকৌ এগৰাকী সন্মানীয় সদস্যই ক'লে যে ইয়াত কোনোধৰণৰ SDG ৰ যি লক্ষ্য আছিল, সেই লক্ষ্য ইয়াতে প্ৰতিফলিত হোৱা নাই বুলিও তেখেতসকলে কৈছে। কিন্তু আমি যদি বাজেটখন অধ্যয়ন কৰো এটা কথা আমি বুজিব লাগিব যে বাজেট বুলি ক'লে, কেৱল চৰকাৰী ধনৰ হিচাপ দিয়া, লোৱা বা পোৱা নোপোৱাৰ , এইটোৱেই কেৱল এখন বাজেট হ'ব নোৱাৰে, বা কেৱল এটা জমাখৰচৰ হিচাপ হ'ব নোৱাৰে। বাজেট বুলি কলে, এখন চৰকাৰৰ এখন ৰাষ্ট্ৰৰ আগন্তুক দিনৰ উন্নয়নমূলক কামকাজ আৰু চৰকাৰখনৰ কল্যাণকামী যিটো চৰিত্ৰ সেইখিনি ইয়াত প্ৰকাশ পায় আৰু আমি কালি বাজেটখন অধ্যয়ন কৰি দেখিছো যে মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখনৰ যিটো কল্যাণকামী চৰিত্ৰ সেই চৰিত্ৰটো তাত সুন্দৰ ভাবে প্ৰকাশ পাইছে। লগতে এই বাজেটত দৰিদ্ৰ পীড়িত কৃষক শ্ৰমিক সকলৰ মঙ্গলৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। এইখন সৰ্বকালৰ এখন শক্তিশালী বাজেট দিয়া বুলি আমি ইতিমধ্যে অনুভৱ কৰিছো।

কাৰণ ১৩৯৪৪৩.৮৮ কোটি টকাৰ এখন বাজেট কালি ইয়াত উপস্থাপন হৈছে। গতিকে বাজেটখন অধ্যয়ন কৰিলে আমি এটা কথা দেখা পাওঁ যে বাজেটত বিভিন্ন ধৰণৰ কল্যাণকামী আঁচনি লোৱা হৈছে, যদিও বা beneficiary centric বুলি কোৱা হৈছে। আমি এটা কথা বুজিব লাগিব যে আমি যিমান কাম কৰো আমাৰ সমাজৰ নাগৰিক সকলৰ উন্নয়নৰ বাবে কাম কৰো। আমি ইয়াত কেৱল ভোটৰ দৃষ্টিৰে, নিৰ্বাচনৰ প্ৰতি হাবিয়াস কৰি থকা মানুহেহে এই কথাবিলাক দেখে। আমি কিন্তু দেশৰ নাগৰিক হিচাবে এই লোক সকলৰ কল্যাণ কেনেকৈ সাধিব পাৰো সেই কথাটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিহে এখন চৰকাৰে বাজেট নিৰ্দ্ধাৰণ কৰে, আৰু আমাৰ বাজেটত বিভিন্ন আঁচনি বিলাক তাতে প্ৰস্তুত কৰে। বাজেটত যিখিনি আঁচনি লোৱা হৈছে, আজিৰ অসম দৰ্শন আঁচনিৰ যোগেদি আমাৰ অসমীয়া সমাজৰ দুজনা গুৰুৰ আদৰ্শ নামঘৰ যি প্ৰতিষ্ঠা হৈ আছে। এই নামঘৰ বিলাক সুন্দৰ ভাবে নিৰ্মাণ কৰি আগুৱাই নিবৰ বাবে, আজি অসম দৰ্শন আঁচনিৰ জৰিয়তে ৮০০০ নামঘৰলৈ আকৌ পইচা দিবৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি আপোনালোকে আমাক কয় যে আমি ধৰ্ম নিৰপেক্ষ নহয়, আমি ধৰ্মীয় ভাৱনাৰে কাম কৰো বুলি আপোনালোকে আমাক দোষাৰোপ কৰে। কিন্তু আজি আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব লাগিব আজি বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাব লাগিব যে মন্দিৰ, মছজিদ, গীৰ্জা সকলোৰে বাবে ১৫ লাখকৈ টকা দিয়ে যিয়ে ১০০ বছৰ সম্পূৰ্ণ কৰিছে, সকলোৰে বাবে ১৫ লাখকৈ টকা দিয়াৰ বাবে এই আঁচনিত সিদ্ধান্ত লোৱা হৈছে। এয়া কি ধৰ্ম নিৰপেক্ষ আমাৰ চৰিত্ৰ নহয় ? এই কথাবিলাক আমি কিন্তু অলপ আন্তৰিকতাৰে ল'ব লাগিব আজি আমাৰ দেশৰ, ৰাজ্যৰ জি ডি পি বৃদ্ধি কৰিবৰ কাৰণে আৰু আত্মনিৰ্ভৰ এখন সমাজ গঠন কৰিবৰ কাৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে এই যে ৩৬.৫ লাখ মহিলালৈ তেখেতসকলক কুটীৰ শিল্প নিৰ্মাণৰ কাৰণে আগন্তুক বৰ্ষত ১০ হাজাৰকৈ টকা দিবৰ কাৰণে যি ব্যৱস্থা কৰিছে এইটো beneficiary centric কথা নেকি? এইটো আমাৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ কথা, ইয়াত গ্ৰাম্য সমাজখনৰ উন্নয়নৰ কথা জড়িত হৈ আছে। আজি দেশৰ যদি ৩৬ লাখ মহিলা আত্মনিৰ্ভৰশীল হয়, আজি আমাৰ সমাজখন আত্মনিৰ্ভৰ হব। সেই কাৰণে মই ক'ব বিচাৰো আমাৰ চৰকাৰে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদায়ে কথাটো কৈ আহিছে যে স্বনিৰ্ভৰ নাৰী, আত্মনিৰ্ভৰ অসম। নাৰী যেতিয়া স্বনিৰ্ভৰশীল হ'ব আমাৰ অসম নিজে নিজে আত্মনিৰ্ভৰশীল হ'ব। গতিকে এই কথা বিলাক আমি মন কৰিব লাগিব। আমি বিৰোধীত বহিব পাৰো, বিৰোধীত বহিলো বুলিয়েই যে প্ৰত্যেকটো বিষয়ে আমি ৰাজনৈতিক দৃষ্টিৰে চাম এনেকুৱা ধৰণৰ কেতিয়াও হ'ব নালাগে। আজি আমাৰ অসম চৰকাৰখনে আমাৰ দুখীয়া মানুহৰ কাৰণে, গাঁৱৰ একেবাৰে ভঙা চিঙা ঘৰত বাস কৰা লোক বা বাগিচাৰ লাইনত যদি তেনেকুৱা মানুহ বাস কৰি আছে, সেইসকল লোকৰ ভঙা ঘৰটোত পানী নপৰা কৰিবৰ কাৰণে আজি আকৌ এখন নতুন আঁচনি প্ৰৱৰ্তন কৰিবৰ কাৰণে অসম চৰকাৰে আগবাঢ়ি গৈছো আমি ধন্যবাদ জনাইছো মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত মন্ত্ৰী মহোদয়ানীক কাৰণ চি এম এচ ৱাই। অৰ্থাৎ মুখ্যমন্ত্ৰীৰ আবাস যোজনা। এই চিফ মিনিষ্টাৰ আবাস যোজনাৰ জৰিয়তে আকৌ ১ লাখ মানুহক ঘৰ দিবৰ কাৰণে ব্যৱস্থা কৰিছে। গতিকে এনেধৰণৰ সুন্দৰ সুন্দৰ আঁচনি লৈ আমাৰ চৰকাৰখন আগবাঢ়ি গৈছে। গতিকে আপোনালোকে অন্ততঃ উৎসাহ জনোৱা উচিত আৰু কেৱল বিৰোধিতাৰ নামত বিৰোধ নকৰি আপোনালোকে আমাৰ লগত অকনমান সহায়-সহযোগ জনোৱা উচিত। মই একেবাৰে শেষত আপোনালোকক এষাৰি বাক্যৰে মোৰ ভাষণ সামৰিব বিচাৰিছো। মই আপোনালোকৰ গোটেই কেইজন বিৰোধী বক্তাৰ ভাষণ শুনিলো যে আপোনালোকে সদায়

আমাৰ বাজেটখন দেখি ভয় খায় আছে। মই আপোনালোকক ভয় খাবলৈ মানা কৰিছো। কাৰণ আপোনালোকে সন্মুখলৈ চাই খোজ কাঢ়ক আৰু আপোনালোক আমাৰ লগত আছে। আমি যেতিয়া সাহসী হৈ আগবাঢ়িম আপোনালোকে পিছপৰি থকাৰ কোনো কাৰণ থাকিবই নোৱাৰে। সেইকাৰণে মই ক'ব বিচাৰিছো যে

ইছ মৌৰ পৰ ঘবৰা কে ন থম জাইইয়ে আপ।
জো বাত নয়ি উসে অপনাইয়ে আপ
দৰতে হে নই ৰাহ পে কিউ চলনে সে
হাম আগে আগে চলতে হে
আ জাইইয়ে আপ।
আমি আগে আগে গৈ আছো, আপোনালোক আহক। ভয় নাখাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্রী যে বাজেট উত্থাপন করেছেন তার বিরোধীতা করে আমি কিছু কথা বলছি। অধ্যক্ষ মহোদয়, অটল বিহারী বাজপেয়ী পার্লামেন্টে একবার একটি কথা বলেছিলেন যে আমি এই চ্যায়ারে বসা আপনাদের গুন গাওয়ার জন্য নয়। আমি এই চেয়ারে বসা আপনারা যে ভুল কাজ করছেন এবং আরও কিভাবে ভালো কাজ করতে পারবেন এজন্য আমি এই চেয়ারে বসা। অধ্যক্ষ মহোদয়, বিরোধী দলের কাজ হচ্ছে আপনাদের ভুল ধরিয়ে দেওয়া। তাই স্বামী বিবেকানন্দ বলেছিলেন, সত্যের জন্য সবকিছু ত্যাগ করা সম্ভব। কিন্তু কোন কিছুর জন্য সত্যকে ত্যাগ করা সম্ভব নয়। অধ্যক্ষ মহোদয়, ২০১১ সনে আমি প্রথম বিধায়ক হই। এবং তখন বাইদেও মন্ত্রী ছিলেন। সি ইস এ স্ট্রং লেডি। সাহস আছে কাজ করার ক্ষমতা আছে। সত্যিকে সত্যি বলার ক্ষমতাটুকু উনি রাখেন। আমি ধন্যবাদ জ্ঞাপন করছি উনাকে।

অধ্যক্ষ মহোদয়, আমি ব্যক্তিগতভাবে আমার কথা কিছু বলছিনা। বাজেটে আপনারা বিধানসভায় যে কথাগুলো বলেছেন এবং যে কথাগুলো লেখা আছে বা আপনারা যে রেশিওগুলো দিয়েছেন সেই কথাগুলো আমি বলছি। আমাদের পার্লিয়ামেন্টরি এফেয়ারস্ মিনিষ্টার এখানে আছেন এবং উনার কথা মতে সবাই বলছেন যে বাজেট সাইজ খুব বড় হয়েছে। খুব ভালো হয়েছে। আমি এখানে ভালোর কিছু দেখতে পারছি না, প্রথম কথা। দু-নম্বর কথা হচ্ছে, এই বাজেট আসামের ইতিহাসে সবচেয়ে বেশি টাকার বাজেট হয়েছে। সেটা আমরা অস্বীকার করতে পারিনা। এবং সেই মর্মে আমাদের অনেকেই বলেছিলেন যে কংগ্রেসের ৪৫ হাজার কোটি টাকার উপরে আর কোনদিন বাজেট হয়নি। অধ্যক্ষ মহোদয়, আমি বলতে চাইছি, ২০১৪-১৫ সালের বাজেটের একচুয়েল সাইজ ছিল ৪৬ হাজার কোটি টাকা। ২০১৫-১৬ তে সেই বাজেটের সাইজ ছিল ৬৬ হাজার কোটি। রিভাইস বাজেটে হল ৭৪ হাজার কোটি টাকা। অধ্যক্ষ মহোদয়, আমি একটা কথা বলতে চাই, এখন তো বাজেট অনেক বড় হয়েছে। ১লাখ ৩৯ কোটি টাকা হয়েছে। সেইসময় ডিজেলের দাম কত ছিল? অধ্যক্ষ মহোদয় ডিজেলের দাম ছিল ৪৮ টাকা। সেই সময় তেলের দাম ছিল ৭০ টাকা। সেইসময় গ্যাসের দাম ছিল ৪৫০ টাকা। ডাটাগুলো আপনাদের দেব। আপনারা চিন্তা কববেন না। কিন্তু বর্তমান সময়ে সেগুলো ডবল থেকেও অনেক বেশি। তার মানে তখন যদি ৭৪ হাজার কোটি টাকা হয় আর এখন ১ লাখ ৪০কোটি টাকা তার মানে ঠিকেই আছে বাজেট। সেখানে বাজে টের তো কোন কারোকার্য্য হয়নি। আপনারা ঐতিহাসিক

বাজেট কোথা থেকে বলেছেন আমি বুঝতে পারছি না। আপনাদের তথ্য, আমার কোন তথ্য নেই। আপানাদের বাজেটের তথ্য মতে আমাদের বাইদেও বলেছিলেন সেলারিতে ৪১ হাজার টাকা কোটি টাকা খরচ হয়। পেনশনে ১৬ হাজার কোটি টাকা খরচ হয়। রাজস্ব আমদানি হচ্ছে ৩৭ হাজার কোটি টাকা। অর্থাৎ, সেটা আমাদের নিজস্ব । আমাদের খরচ হচ্ছে ৫৭ হাজার কোটি টাকা।

গীতাতে লেখা আছে সত্যের জন্য নিজের সবকিছু ত্যাগ করবে। এবং যারা সত্যের জন্য দাঁড়ায় তারাই সমাজে প্রতিষ্ঠিত হয়। আমি বাইদেওকে বলছি উনি এই বিধানসভায় বলেছিলেন যে উই আর লাকি এনাফ যে আমরা আমাদের নিজের টাকা দিয়ে আমরা বেতন দিতে পারছি। সেটা আমার কথা নয়। মোটেই আমি বলছি না। সেটা আমদের বাইদেও বলেছিলেন। আজকের দিনে আমি আপনাকে বলছি, আপনি যে বলেছিলেন যে নিজের টাকা দিয়ে বেতন দিচ্ছেন আজকের দিনে বেতন এবং পেনশন দিলে ৫৭ হাজার কোটি টাকা খরচ হচ্ছে সেটাই হচ্ছে বাস্তব সত্য।

অধ্যক্ষ মহোদয়, আমাদের সবচেয়ে গুরুত্বপূর্ণ বিভাগ হচ্ছে শিক্ষা। শিক্ষা হচ্ছে আমাদের বেকবোন। বর্তমানে শিক্ষার অবস্থা ভয়ানক। আজ এই পেপার কাল সেই পেপার লিক হয়। মানে শিক্ষার ভয়ানক অবস্থা। সেই সময় বাজেটে শিক্ষা বিভাগে ১০ শতাংশ মাইনাস করা হল। কেন্দ্র সরকার বলছে বাজেটে ৬ শতাংশ যাতে শিক্ষা বিভাগে দেওয়া হয়। এখানে দেখা যাচ্ছে ১০ শতাংশ মাইনাস করা হচ্ছে। অনেকে বলছেন মুখ্যমন্ত্রী অনেক ভালো ভালো প্রকল্প নিয়েছেন। স্বাস্থ্য বিভাগে ৯ শতাংশ মাইনাস করা হয়েছে। এখানে এগ্রিকালচার বিভাগে ধান ক্রয় করার জন্য ৩৪শতাংশ করা হয়েছিল এবার সেই এগ্রিকালচারে ১৪ শতাংশ মাইনাস করা হল। নগরউন্নয়ন বিভাগে ২০ শতাংশ মাইনাস করা হয়েছে এই বাজেটে। তাই কর বাড়ানো হচ্ছে প্রত্যেক স্থানে। তাই অধ্যক্ষ মহোদয়, আজকের দিনে একটি কথা বুঝতে পারছিনা, এখানে জিএসডিপি র কথা বলা হয়েছে। ডিএস ডিপির ক্ষেত্রে আমি যা দেখলাম ২০১৬-১৭ সালে ১১ শতাংশ, ২০১৭-১৮ সালে ১১ শতাংশ ২০১৮-১৯ সালে ৯ শতাংশ, ২০১৯-২০ সালে ১২ শতাংশ, ২০২০-২১ সালে .৯৫ শতাংশ। অর্থাৎ কোভিডের সময় একটু কমে গিয়েছিল। ২০২১-২২সালে ১৩ শতাংশ এবং বর্তমানে ১৬ অবদি বৃদ্ধি হবে। গত বছর জিএসডিপির কথা বলা হয়েছিল ৪.৩৩ হবে। এবছর বাইদেও বলছেন ডিএসডিপি ৪.১২ শতাংশ অর্থাৎ এখানে কমেছে। আবার বলছেন গত বছর ১৩ শতাংশ হয়েছিল এবার ১৬ শতাংশ হবে। তাহলে বাড়ল কোন দিকে। আমার মনে হচ্ছে ভালো করে এনকোয়ারি করলে দেখা যাবে এই জিএসডিপিতে যে সংখ্যা দেখানো হয়েছে সেই সংখ্যায় অনেক বিভ্রান্তি আছে। আমার বিশ্বাস, কারণ তিন বারের বিধায়ক হয়েছি তো অনেক অফিসারের সঙ্গে যোগাযোগ আছে। আমাদের মুখ্যমন্ত্রী পারবেন। হি ইস কেপেবল এনাফ। আমাদের মুখ্যমন্ত্রী পারবেন ৫ টি রাজ্যের মধ্যে জিএসডিপি ১৬ শতাংশ থেকে ৫০ শতাংশ করতে আসামে। সেটা করতে পারবেন উনি। কিভাবে বাড়িয়ে দেখানো যায় তা ওনার জানা আছে ভালো করে। মাছের উৎপাদন ৮০ হাজার কুইন্টাল হয়েছে। সেটা হয়তো বাড়িয়ে দেখানো হয়েছে। তাই প্রত্যেকটি সংখ্যা যা এখানে দেখানো হয়েছে সেই সংখ্যাগুলোর মধ্যে যদি ব্যতিক্রম থাকে আমি মনে করি জিএসডিপির মধ্যে গণ্ডগোল আছে। আমাদের মাননীয় মুখ্যমন্ত্রী ৰলড পেনশন স্কিমের কথা বলেছিলেন। উনি বলেছিলেন যে কংগ্রেসকে ক্ষমা চাইতে হবে। আমি তথ্যটি পেয়েছি ওয়েবসাইডে। সেই ৰলড পেনশন স্কিম ২০০৩ সালে অটল বিহারী বাজপেয়ীর সময়ে সংসদে গৃহীত হয়েছিল। ২০০৪ এ সেটা লাঘু হয়েছিল। কিন্তু মুখ্যমন্ত্রী বলছেন কংগ্রেস তার জন্য ক্ষমা

চাইতে হবে। দিস ইস এ সেন্ট্রেল অ্যাক্ট। রাজস্থান, পাঞ্জাব, ছত্তিশগড়, হিমাচল সরকার কংগ্রেস সৰকাৰ ৰয়েছে। ওরা ঘোষনা করেছিল কবেথেকে লাঘু করা হবে। তাই আমি করি সেটা হচ্ছে উন্নয়ন। আপনারা উন্নতি উন্নতি বলে অনেক কথা বলছেন,অরুণোদয়ের কথা বলছেন, কাল যদি আমি মুখ্যমন্ত্রী হই তাহলে আমিও ১২টাকা থেকে ১৪ টাকা করতে পারব। সেটা বড় কথা নয়। বড় কথা হচ্ছে বিদ্যুতের ক্ষেত্রে আপনারা বলেছিলেন ৩০ ইউনিট ফ্রি দেওয়া হবে। কিন্তু কি আশ্চর্যের কথা কারো যদি ১ মাস ৩১ ইউনিট হয় তাহলে সে আর কোনদিনও ৩০ ইউনিট বিদ্যুৎ ফ্রি পাওয়া যাবেনা। মুখ্যমন্ত্রী বলছেন যে কেসের সংখ্যা কমেছে। আমার কাছে তথ্য আছে থানায় গেলে কোন ধরনের কেস রেজিস্টার করা হয়না। এবং সেটা দিসপুর থেকে ইনস্ট্রাকশন দেওয়া হয়েছে। তাহলে তো কেসের সংখ্যা কমবেই। মুখ্যমন্ত্রী বলছেন এমপ্লয়মেন্টের সংখ্যা কমেছে। আমি বলছি এমপ্লয়মেন্টের সংখ্যা কমেছে সেটা কি অরুণদোয় স্কিম দিয়ে কমেছে নি কি? তাই আজকের দিনে যে পরিবেশ সৃষ্টি হয়েছে অনেকেই বলছেন খিলঞ্জিয়ার অধিকার আপনারা রক্ষা করবেন। কাদের ভোট দিয়ে আপনারা খিলঞ্জিয়ার অধিকার রক্ষা করবেন? যাদের ভোটের কথা বলছেন, তাদের নাগরিকপঞ্জিতে নাম নেই. আধার কার্ড নেই। যাদের ভোটের কথা বলছেন তাদের সঙ্গে অন্যায় করা হচ্ছে, পেনশন পাচ্ছে না, চিকিৎসা করাতে পাৰছেন না। আজকের দিনে যে ২৯ লক্ষ মানুষ, যাদের আধার কার্ডে নাম নেই। যারা রোজ সকালে আমাদের ঘরে যায় সেই মানুষটি আপনাদের ভোট দেয় আপনারা সেই আধার কার্ডের সমস্যা সমাধান করতে পারছেন না। অধ্যক্ষ মহোদয়, দুঃখের সঙ্গে বলতে হচ্ছে যে আমাদের মুখ্যমন্ত্রী বলেছেন যে মহারাষ্ট্র সরকার অরুণোদয় প্রকল্প সেখানে নিয়ে ইমপ্লিমেন্ট করেছে। ভাগ্য ভালো যে মহারাষ্ট্র সরকার সেই টিচারকে কিভাবে টিউটর করতে হয় সেই প্রকল্প মহারাষ্ট্র সরকার ইমপ্লিমেন্ট করেনি। আজ প্রায় আশি হাজার কর্মীকে নন প্ল্যানে কনভার্ট করা হয়েছে। আজ আপনারা বেতন দিতে পারছেন, সেটা হচ্ছে উন্নয়ন। উন্নয়ন হচ্ছে ওড়িশা ৫৭ কর্মীকে নিয়মিত করেছে। সেটাই হচ্ছে উন্নয়ন। যে উন্নয়নে শিল্প নেই, কিছু নেই। আপনারা একটি স্কিম দেখাতে পারবেন নিকি যেখানে ইন্ডাস্ট্রি স্থাপন করে পাঁচ হাজাৰ ছেলে-মেয়েদের আপনারা চাকুরি দিয়েছেন। আপনাদের অ্যাডভানটেজ আসাম হচ্ছে, পাঁচগ্রাম পেপারমিল বন্ধ করা, নগাঁও পেপারমিল ধ্বংস করা। মাননীয় অধ্যক্ষ মহোদয়, এটুকু বলে আমি আমার বক্তব্য শেষ করছি। নমস্কার, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। সদন অহা ইংৰাজী ২০ মার্চ, ২০২৩ চনৰ ৰাতিপূৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।